# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

## NO. 19

The 8th April, 1992.

Price— 19.35

## CONTENTS

### BUDGET SESSION

No.— 19

Dated, the 8th April, 1992


| | | Page |
|---|---|---|
| 1: | Questions & Answers | 1—56 |
| 2. | Discussion During Zero Hour | 56—73 |
| 3: | Adjournment Motion | 74—91 |
| 4: | Laying and Presentation of Reports | 91—92 |
| 5. | Motion of Election | 92—93 |
| 6. | Laying of Reports | 93 |
| 7. | Consideration and passing of Government Bill | 93—99 |
| 8. | Adjournment | 99 |
| 9. | Annexure— I | 100 - 102 |

## DEBATES OF THE
## ASSAM LEGISLATIVE ASSEMBLY
### Wednesday, April 8, 1992.

The House met at nine of the Clock in the Assembly Chamber, at DISPUR with Shri Jiba Kanta Gogoi Speaker in the Chair.

### STARRED
### QUESTIONS AND ANSWERS
(To which oral replies were given)

ৰিষয় : বাঘবৰ পাহাৰক পৰ্য্যটকৰ বাবে আকৰ্ষিত ঠাই বনোৱাৰ প্ৰস্তাৱ।

শ্ৰীদিলদাৰ ৰেজ্জায়ে সুধিছে :

*৩৭৯। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা জিলাৰ বুৰঞ্জী প্ৰসিদ্ধ আৰু মনোৰম প্ৰাকৃতিক সৌন্দৰ্য্য পূৰ্ণ ঠাই বাঘবৰ পাহাৰত চৰকাৰে পৰ্য্যটক আকৰ্ষণ কৰিব পৰাকৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(খ) পৰ্য্যটকৰ সুবিধাৰ বাবে বাঘবৰ পাহাৰত টুৰিষ্ট লজ, ডৰমিটৰী নিৰ্ম্মাণ আৰু বনভোজৰ ঠাই হিচাবে অন্যান্য সা-সুবিধা আগবঢ়োৱাৰ বিষয়ে বিবেচনা কৰিবনে ?

(গ) যদি কৰে ১৯৯২-৯৩ আৰ্থিক বছৰত উক্ত আঁচনি ৰূপায়ন কৰা হবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমানলৈ তেনে আঁচনি চৰকাৰৰ হাতত নাই।

(খ) বৰ্ত্তমান তেনে আঁচনি নাই।

(গ) সকলো দিশ চাই চিটি পূজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

* শ্ৰীদিলদাৰ ৰেজ্জা : অধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ বাঘবৰ সমষ্টিতো কবলৈ গলে গোটেই অসমৰ ভিতৰতে এটা পিচপৰা সমষ্টি । কিন্তু দুখৰ বিষয় প্ৰশাসন যন্ত্ৰৰ ফালৰ পৰা এই সমষ্টিটোৰ উন্নয়নৰ কাৰণে কোনো ব্যৱস্থা লোৱা দেখা নাযায় । আজি মানুহ চন্দ্ৰলৈ গল, ভাৰতবৰ্ষৰ বহুতো উন্নতি হ'ল; অসমতো বহুতো ৰাষ্টা ঘাট হ'ল কিন্তু বাঘৰবৰ কোনো উন্নতি আজিলৈকে নহল । আমি কেৱল বুৰঞ্জীতে পঢ়িছিলো বাঘবৰ কিহৰ কাৰণে বিখ্যাত । ইয়াত এখন ডাঙৰ পাহাৰ আছে, এটা মন্দিৰ আছে আৰু সত্ৰ আছে । এই ঠাইখন বিভিন্ন জনগোষ্ঠীৰ বাসস্থান ।

মাননীয় অধ্যক্ষ : আপুনি মূল প্ৰশ্নটো কি সেইটো সোধক ।

* শ্ৰীদিলদাৰ ৰেজ্জা : অধ্যক্ষ মহোদয়, মই প্ৰশ্নটোকে সুধিব খুজিছো । কিন্তু তাৰ লগে লগে প্ৰসঙ্গক্ৰমে কিছু কথা আহি পৰে । এই ঠাই খনলৈ কোনোবা উচ্চ চৰকাৰী বিষয়া গলে বা পৰ্যটক গলে তাত থকা মেলাৰ কোনো ব্যৱস্থা নাই । সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে অন্ততঃ সেই ঠাই খনত এটা টুৰিষ্ট লজ কৰি দিলে সুখী হলোহেতেন । এইটো কৰাৰ ব্যৱস্থা কৰিব নে ?

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয়, সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো হল পৰ্যটন বিভাগৰ ক্ষেত্ৰত উন্নয়ন মূলক কাম সম্পৰ্কীয় । আমি সকলোৱে জানো যে আজি কেইবছৰ মানৰ পৰা অসমৰ যিটো পৰিস্থিতি আছিল সেই পৰিস্থিতিৰ কাৰণে পৰ্যটন বিভাগৰ বহুতো কাম কাজ পিচুৱাই গল । এতিয়া পৰিস্থিতি কিছু উন্নত হোৱাত পৰ্যটক কিছুমান অহিবলৈ লৈছে । আনহাতে এই ক্ষেত্ৰত আমাৰ বাজেটো একেবাৰে সীমিত । সেয়ে মাননীয় সদস্য গৰাকীয়ে তাত যিটো টুৰিষ্ট লজ কৰাৰ কথা কৈছে সেই ক্ষেত্ৰত তালৈ কিমান পৰ্যটক যায়, তাত কিমান আকৰ্ষণীয় বস্তু আছে, তাত কিমান মানুহে থাকিবলৈ বিচাৰে সেই আটাইবোৰ কথা চোৱা-চিতা কৰিহে কৰা হয় । সেই কাৰণে এই আটাইবোৰ কথা চাই চিতি পুজি সাপেক্ষে ব্যৱস্থা লোৱা হব ।

* ডা কমলা কলিতা : অধ্যক্ষ মহোদয়, ১৯৯২-৯৩ বছৰটোত অসমত

* Speech not corrected.

কিমান টুৰিষ্ট লজ নিৰ্ম্মান কৰাৰ কাৰণে চৰকাৰৰ আঁচনি আছে আৰু যদি আছে ক'ত ক'ত আছে সেইটো মন্ত্ৰী মহোদয়াই জনাবনে ?

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মোৰ হাতত বৰ্ত্তমান তথ্যপাতি নাই। বেলেগে প্ৰশ্ন দিলে কব পৰা হব।

* ডঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, ১৯৯২-৯৩ আৰ্থিক বছৰটোত এই ক্ষেত্ৰত কি আঁচনি আছে সেই আঁচনিবোৰ ৰূপায়ন কৰা হব নে নহয় সেইটো মন্ত্ৰী মহোদয়াই জনাব নেকি ? যিহেতু এই কথাটো পৰ্য্যটন বিভাগৰ লগতে জড়িত, মন্ত্ৰী মহোদয়াই হ'ম ৱৰ্কখিনি কৰি অহা নাই নেকি ?

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোত ৰাঘবৰৰ কথাহে স্পেচিফিকেলী কোৱা হৈছে। গতিকে মাননীয় সদস্য গৰাকীৰ বিষয়টো বেলেগে চাই দিব লাগিব।

* শ্ৰীবুবুল দাস : মাননীয় অধ্যক্ষ মহোদয়, পবীতৰা অভয়াৰণ্যত এটা পৰ্য্যটক নিবেশ স্থাপন কৰা কথাটো চৰকাৰে জানে নে ? যদি ইয়াত এটা পৰ্য্যটক নিবেশ স্থাপন কৰা হৈছে তেনেহলে সেইটো কেতিয়ালৈ মুকলি কৰিব সেইটো মন্ত্ৰী মহোদয়াই জনাব নে ?

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, পবীতৰাত এটা পৰ্য্যটক নিবেশৰ কাম হৈ আছে। সেইটো কেতিয়াকৈ মুকলি কৰিব পৰা হব সেইটো এতিয়াই কব নোৱাৰো।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, যোৱাবাৰ বিধান সভাতে মোৰ এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে ঢলপুৰত এটা পৰ্য্যটক নিবেশ স্থাপন কৰা হব। এই ক্ষেত্ৰত তেখেতে এচুৰেঞ্চ দিছিল। গতিকে সেইটো এই বছৰ কৰা হব নে ?

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমাৰ যিমানেই টুৰিষ্ট লজ হয় সিমানেই ভাল। কিন্তু তাৰ লগে লগে আমাৰ পুজিও লাগিব। এতিয়া পৰ্য্যটক বেছিকৈ আহিবলৈ লৈছে। গতিকে আমি আশা কৰো এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি কিছু সাহায্য পাম আৰু তাৰ কাৰণে চেষ্টা কৰি আছো।

---

* Speech not corrected.

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, এই বিষয়টোত যোৱা বিধান সভাত্তে এচুৰেঞ্চ দিয়া হৈছিল। সেই এচুৰেঞ্চ ৰূপায়ন কৰাৰ কাৰণে বাজেট প্ৰভিজন ৰখা হৈছে নে নাই? যদি ৰখা নাই তেনেহলে সদনক এটা ডাঙৰ অৱহেলা কৰা হৈছে।

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এইবাৰ বাজেটত সেইটো কৰা হোৱা নাই। কৰা হলে বৰ ভাল আছিল। সেইখন আমাৰে নিজৰ জিলা।

শ্ৰীমতী ৰেনুপমা ৰাজখোৱা : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়াই বোধহয় শিৱসাগৰৰ কথা পাহৰিয়েই গৈছে। এই ঠাইখন এখন বুৰঞ্জী প্ৰসিদ্ধ ঠাই। এই ঠাইখনৰ পৰ্য্যটন উন্নয়নৰ ক্ষেত্ৰত কিবা ব্যৱস্থা লৈছে নে?

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, শিৱসাগৰৰ কাৰণে আমি কেইবাটাও আঁচনি কৰি থৈছো আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা-যোগ কৰি আছো। বুৰঞ্জী প্ৰসিদ্ধ ঠাই হিচাবে এইটো ৰক্ষা কৰাৰ কাৰণে আমি ব্যৱস্থা হাতত লৈছো। ইয়াৰ তিনিটা পাৰ বন্ধা আছে, এটা পাৰত কিছু খহনীয়া হৈছে। এই বিষয়ে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিছো। যিহেতু আমাৰ পুজি একেবাৰে সীমিত সেইকাৰণে এইটো কৰিব পৰা নাই।

বিষয় : বাচ চলাচলৰ উপযোগী ৰাস্তা।

শ্ৰীভূপেন ৰায়ে সুধিছে :

*৩৮০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বঙ্গাইগাওঁ জিলাৰ মানাহঘাট চকীহালি পথ, ৰৰখোলা সিদলস্মৃতি, ৰাওৰাবী-নাম্বাৰপাৰা পথ আৰু ৰহাচাকালা-কোকলাপথত বাছ চলাচলৰ উপযোগী কৰি তোলাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(খ) উক্ত ৰাষ্টাকেইটাত, বাছ চলাচলৰ উপযোগী কৰাৰ বাবে পৰ্য্যায়ক্ৰমে আঁচনি লোৱা হৈছে যদিও পৰ্য্যাপ্ত পৰিমাণৰ পুঁজিৰ অভাৱত এতিয়াওঁ সম্পূৰ্ণ কৰিব পৰা হোৱা নাই।

* Speech not corrected.

* ভূপেন ৰায়: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ৰ পৰা একেটাই উত্তৰ পোৱা হৈছে। ৰাস্তা পৰ্য্যায়ক্ৰমে এক কিলোমিটাৰ আধা কিলোমিটাৰ হয় বুলি কৈছে। যদি এক কিলোমিটাৰ ৰাস্তা হয়, আধা কিলোমিটাৰ ৰাস্তা নহয়, তেতিয়া আধা কিলোমিটাৰত গাড়ী চলিব নেকি? মন্ত্ৰী মহোদয়ে জনাব নে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, আমি একে বছৰতে কেবাটাও ৰাস্তা লব নোৱাৰো। পূঁজি তেনেধৰণে নাথাকে।

* শ্ৰীভূপেন ৰায়: মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তা বহুত দিন আগতে নিৰ্ম্মাণ কৰা হৈছে, কিন্তু আজিলৈকে গাড়ী চলিব পৰা নাই। ৰাস্তাৰ মেৰামতিৰ অভাৱ, শিলগুটি নিদিয়াৰ কাৰণে ৰাস্তাকেইটা ব্যৱহাৰৰ উপযোগী হৈ থকা নাই। যদি মন্ত্ৰী মহোদয়ে বহল মনোভিত্তিত চিন্তা কৰে, তেতিয়া হলে নিশ্চয় সোনকালে ৰাস্তা ভাল কৰিব পাৰিব। এই বিষয়ে মন্ত্ৰী মহোদয়ে চিন্তা কৰিছে নে জনাব নে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, ১/ মানাহঘাট চৌকিশালী পথ (দৈৰ্ঘ ৯·০০ কিঃ মিঃ) বাবে কেৰাটাও আঁচনি হাতত লোৱা হৈছিল। আৰু এই বছৰতো এটা আঁচনি লোৱা হৈছে। যেনে (ক) ১৯৮৯-৯০/ ১৯.০-৯১ চনৰ আঁচনিত বিভিন্ন ঠাই বহল আৰু ওখ কৰি তাতে শিল গুটি দিয়া হৈছিল। লগতে তিনিখন দলঙো মেৰামতি কৰা হৈছিল। (খ) এই বছৰ অৰ্থাৎ ১৯৯১-৯২ চনত ২/১ নং কাঠৰ দলংখন দীঘল কৰাৰ আঁচনি লোৱা হৈছে। কামটো অনতিপলমে এই বছৰত অৰ্থাৎ ১৯৯২ চনত শেষ হৈ উঠিব। (গ) ওপৰত উল্লেখিত কামষোৰ শেষ হৈ উঠিলে বাচ চলাচলৰ উপযোগী হৈ উঠিব। ২/ৰৰঘোলা- চিদলস্থুতি পথ এই ৰাস্তাটো ৰৰঘোলাৰ পৰা আৰম্ভ হৈ চিদলস্থুতিত ৩১ নং ৰাষ্ট্ৰীয় পথত লগ লাগিছে। এই পথটোৰ দৈৰ্ঘ্য ৯·০০ কিঃ মিঃ দূৰত্বৰ ভিতৰত ৫০০ কিলোমিটাৰলৈ (বাটগুৰি ৰজাৰ) বাছ চলাচল কৰিছিল। কিন্তু যথেষ্ট পৰিমানে শিলগুটি নোহোৱা বাৰে বাৰিষাৰ ৰতৰত বাছ চলাচলৰ অসুবিধা হয়। বাকীচোৱা পথ অৰ্থাৎ ৰটলুৰি ৰজাৰৰ পৰা চিদলস্থুতিলৈকে দলংবোৰ মেৰামতি কৰা হৈছে যদিও

* Speech not correcten.

ৰাস্তাটোৰ খলাবমা আৰু কিছুমান ঠাই ঠেক হোৱা বাবে বাছ চলাচলৰ অনুপযোগী হৈ আছে। ৰাস্তাটো বাছচলাচলৰ উপযোগী কৰাৰ বাবে যথেষ্ট মেৰামতিৰ দৰ্কাৰ আৰু প্ৰয়োজন সাপেক্ষে ধনৰ যোগান পালে ৰাস্তাটো বাছ চলাৰৰ বাবে উপযোগী কৰিব পৰা যাব। ৩/ ঝাউবাৰীৰ পৰা নম্বাৰপাৰা হৈ শোলমাৰী পথ নিম্নতম চাহিদা আঁচনি প্ৰকল্পৰ পৰা বনোৱা হৈ গন্তব্য স্থানত গৈ পোৱা নাই। ৰাস্তাটো এতিয়াও বিভিন্ন আঁচনিৰ পৰা পৰ্য্যায়ক্ৰমে নিৰ্ম্মাণ কাৰ্য্য চলি আছে। নিৰ্ম্মান কাৰ্য্য সম্পূৰ্ণ হৈ উঠিলে যথা সময়ত বাছ চলাচলৰ উপযোগী হৈ উঠিব।

৪। ৰহা চাকলা কোকিলা পথ— এই ৰাস্তাটো মানিকপুৰ চোকিশালি ৰাস্তাৰ ৬ কিঃ মিঃ ৰ পৰা আৰম্ভ হৈছে। ইয়াৰ দূৰত্ব ৯'৬ কিঃ মিঃ আৰু ইয়াতে এই বিভাগৰ এটা পাৰঘাট আছে। আৰু এই পাৰ ঘাটলৈকে বাছৰ চলাচল হৈ আছে। পাৰঘাট পাৰ হৈ পৰ্য্যায়ক্ৰমে নিম্নতম চাহিদা আঁচনিৰ অধিনত পথটো নিৰ্মাণ কৰি থকা হৈছে। আৰু এই বছৰৰ আঁচনিত পথটো কোকিলা বজাৰলৈ সম্পূৰ্ণ হব। পথটো কোকিলা বজাৰলৈ সম্পুৰ্ণ হলেও বাছ চলাচল কৰিব নোৱাৰিব। যদিহে কোকিলা বজাৰ আৰু পুনৰ্নালগুৰিৰ বজাৰৰ মাজত থকা অনুমানিক ৮০,০০ মিঃ বহলৰ নলাটোৰ ওপৰত দলং নিৰ্মান নহয়। এই কামবোৰৰ বাবে অত্যাৱশ্যকীয় পুঁজি পালে কামবোৰ সম্পূৰ্ণ কৰিব পৰা হব।

* শ্ৰীচন্দন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, কোকিলা ৰাস্তা তিনি কিলোমিটাৰ ৰাস্তা খলিচালা বজাৰৰ পৰা গৈছে, তাত বাছ যোৱাটো কৰিব পাৰে। মনাবাৰীৰ পৰা নগাওঁলৈ বাছ চলে, তিনি কিলোমিটাৰ ঠাই কৰিব লাগে। আৰু তাত তিনি কিলোমিটাৰ মুঠ ৬ কিলোমিটাৰ ৰাস্তা কৰিব নে জনাব নে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি কাম কৰি আগবাঢ়ি গৈ আছো।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো গুৰুত্বপূৰ্ণ কথা হৈছে, মন্ত্ৰী মহোদয়ে পুঁজি পালে কাম কৰিম বুলি কয়, এই কথাটো নীতিগত কথা নেকি ? বিভাগীয় ধন যোগান পালেহে কাম কৰা হয়। বাজেট প্ৰতি-জনৰ ভিতৰত এই ৰাস্তা কেইটা কৰিব নে নকৰে মন্ত্ৰী মহোদয়ে জনাব নে ?

---

* Speech not corrected.

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বাজেট প্ৰভিজনত এই ৰাস্তা নাই। ইয়াৰ উপৰিও একশ একুৰি ৰাস্তা থাকে।

* শ্ৰীজয়নাথ শৰ্ম্মা: অধ্যক্ষ মহোদয়, প্ৰায়োৰিটি দিব নে নাই ? মন্ত্ৰী মহোদয়ে জনাব নে ?

* শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, চোৱা হব।

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, প্ৰায়োৰিটি দিব নে নাই সেইটো জনাব লাগে।

Shri Golok chandra Rajbanshi (Minister) : It depends upon facts.

(Starred Question No. 381 deemed to have been lapsed as the Questioner was not present when Called for.)

বিষয় : ৰাস্তা ব্লেকটপিং কৰাৰ প্ৰস্তাৱ।

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে :

*৩৮২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাৰ গড়কাপ্তানী কাৰ্য্যবাহী অভিযন্তাৰ (পথ) অধীনত থকা পাটাছাৰকুছি অঞ্চলী হৈ লক্ষীবজাৰলৈ যোৱা ৰাস্তাৰ অঞ্চলী চ'ক বজাৰত ব্লেকটপিং কৰাৰ প্ৰস্তাৱ চৰকাৰৰ আছে নেকি ?

(খ) যদি আছে কামটো আৰম্ভ কৰা হৈছে নেকি ?

(গ) যদি হৈছে কামটো কেতিয়া সম্পূৰ্ণ কৰা হব ?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়, আছে।

(খ) হৈছে।

(গ) ১৯৯২-৯৩ চনৰ ভিতৰতে সম্পূৰ্ণ কৰাৰ আশা আছে।

* শ্ৰীসুৰেন স্বৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক সহানুভূতি জনাইছো। যিহেতু তেখেত পুঁজি নোহোৱা মন্ত্ৰী। মন্ত্ৰীয়ে কৈছে ১৯৯২-৯৩ চনৰ ভিতৰতে সম্পূৰ্ণ কৰাৰ আশা আছে।

---

* Speech not corrected.

কিন্তু এই আশা আছে, এই আশা শব্দটোৰ ওপৰত আমাৰ আস্থা নাই। এইটো মই আশা কৰিব পৰা নাই। ১৯৮৭-৮৮ চনত প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। তেতিয়া কিমানখিনি টকা মঞ্জুৰ কৰা হৈছিল। আজিলৈকে কাম হৈ উঠা নাই। ঠিকাদাৰৰ অৱহেলাৰ কাৰণে হৈছে বুলি মন্ত্ৰী মহোদয়ে স্পষ্ট ইঙ্গিত দিব বিচাৰিছে। এতিয়া মন্ত্ৰী মহোদয়ে বিভাগীয় বিষয়া কৰ্ম্মচাৰী সকলৰ ওপৰত কিবা ব্যৱস্থা লব নোৱাৰে নেকি ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি ব্লেক-টপিংৰ কাৰণে বহুত কাম হাতত লৈছো। যিখিনি ঠিকাদাৰে কাম সম্পূৰ্ণ কৰিব পৰা নাই সেই কাম বিলাক নতুন ঠিকাদাৰক দিয়া হৈছে আৰু এতিয়া নতুন ঠিকাদাৰৰ দ্বাৰা সেই কাম বিলাক সম্পূৰ্ণ হব।

* শ্ৰীমিলন বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক মই এটা অনুৰোধ কৰিব খুজিছো, বৰপেটা জিলাত বহুটো টি এচ পি অঞ্চল আছে। এই অঞ্চল বিলাকৰ ৰাস্তা-ঘাট বিলাকৰ অৱস্থা একেবাৰে বেয়া। মাননীয় মন্ত্ৰী মহোদয়ে বহাগ বিহুৰ পিচত গৈ নিজে চাই আহিব নেকি ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মইটো ৰাস্তা চোৱাবে মানুহ, সেইটো চোৱা হব।

* শ্ৰীপানিৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনি বিলাকৰ কামৰ বাবে বিভিন্ন ঠিকাদাৰক কাম দিয়া হৈছে। তেওঁলোকে কাম নকৰে এই কামবিলাক কিয় শেষ নকৰে। বিভাগে টকা নিদিয়ে নেকি সেই কাৰণে কাম বিলাক অসম্পূৰ্ণ হৈ থাকে নেকি ? টকা নিদিয়াৰ বাবে ঠিকাদাৰে কাম বিলাক ভালকৈ নকৰে। ঠিকাদাৰ বিলাক কিয় সলনি কৰা হয় জনাব নেকি ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই ঠিকাদাৰ বিলাক সলনি কৰিব লগীয়া হোৱাৰ বহুত কাৰণ আছে। জৰুৰীকালীন টকা আবন্টন দিব নোৱাৰো কাৰণে ঠিকাদাৰ সলনি কৰিবলগীয়া হয়। কিছুমান ঠিকাদাৰে যিমান কাম লয় সেই কাম বিলাক শেষ কৰিব নোৱাৰে। সময়মতে কাম বিলাক শেষ কৰিব নোৱাৰাৰ কাৰণে ঠিকাদাৰ সলনি কৰা হয় ?

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথাত দৃষ্টি আকৰ্ষণ

* Speech not corrected.

কৰিব বিচাৰিছো। মাননীয় মন্ত্ৰী মহোদয়ে ধনশ্ৰী প্ৰকল্পটো চাবলৈ গৈ তাত ঠিকাদাৰক ৰাজহুৱাভাবে গালী-গালাজ পাৰিছিল। কিন্তু সেই ঠিকাদাৰকে কিয় একে ৰাতিৰ ভিতৰতে ১ কোটি ২৫ লাখ টকাৰ ঠিকা দিয়া হল। যোৱাকালি সান্ধ্য বাতৰিত এইটো ওলাইছে। কিয় মন্ত্ৰী মহোদয়ে তেনে কৰিলে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, কথাটো হল, সেইদিনা মই ধনশিৰি প্ৰজেক্টলৈ যাওঁতে গালী পৰা নাছিলো। যিটো ৰিপৰ্ট ইৰিগেশ্যন মিনিষ্টৰক দিয়া হৈছে সেই ৰিপৰ্ট আমি পাইছো। জৈন বোলা মানুহজনক গালী পৰা কথাটো ওপৰোৱাকৈ ওলাইছে there is a conspiracy against me ফাইল এতিয়াও মই চহী কৰা নাই। আলমাৰিতে আছে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া: মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক ঠিকাদাৰে কাম নকৰে, মই গোটেই অসমৰে কথা কৈছো, সেই ঠিকাদাৰ বিলাকক ব্লেক লিষ্ট কৰিব লাগে। এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তেওঁবিলাকক যে ৰেক লিষ্ট কৰিব লাগে মই এই কথাটো আগেয়ে চিন্তা কৰিছিলো।

* শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয়, ডুমুনীচকী ৰাষ্ট্ৰীয় পথৰ এখন কমিটি বহিছিল। তাত দুজন ঠিকাদাৰক ৰিজেক্ট কৰি দিয়া হৈছিল। দুমাহৰ পিচত সেই ঠিকাদাৰক কিয় ঠিকাৰ কাম দিয়া হল সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয় দুমাহৰ আগতে যিটো অৱস্থা পিচত সেই অৱস্থা নাথাকিবও পাৰে।

* শ্ৰীজয়নাথ শৰ্মা. মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত তদন্ত কৰিব নেকি ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তদন্ত কৰাৰ পিচতহে এপ্ৰোভ বা ডিচ-এপ্ৰোভ কৰা হয়।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কাম নকৰা ঠিকাদাৰ সকলক বেক লিষ্ট কৰিম বুলি কোৱাত আমি ভাল পাইছো। অসমত বহুত ঠিকাদাৰ আছে যি সকল ঠিকাদাৰে কাম নকৰে বা বেয়া কাম কৰিছে তেওঁলোকক ব্লেক লিষ্ট কৰিব লাগে। এইখন চৰকাৰ

* Speech not corrected.

অহাৰ পিচত এনেকুৱা হৈছে— জলসিঞ্চন বিভাগত জুমনমল নে কি ঠিকাদাৰজনৰ নামত ঠিকাদাৰ এজন বেক লিষ্টেদ হৈছিল আৰু কাম দিব নেলাগে বুলি কৈছিল। কিন্তু কম ৰেটৰ অসমীয়া ঠিকাদাৰক নিদি তেওঁকে হাইয়েষ্ট ৰেটত কাম দিছে। এনেদৰে অসম চৰকাৰে অসমীয়া মানুহক ঠগিছে। সেই কাৰণে যিসকলে অসমৰ স্বাৰ্থৰ বিপৰীতে কাম কৰিছে গড়কাপ্তানী বিভাগৰে হওঁক বা ইৰিগেশ্যন বিভাগৰে হওঁক। I put the Question before you as well as to the Minister concerned. গতিকে এই বিষয়ত আপুনি এটা ৰুলিং দিয়ক যাতে বেক লিষ্টেড ঠিকাদাৰক কাম নিদিয়ে।

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো ইৰিগেশ্যন বিভাগৰ কথা।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো আমি মন্ত্ৰী মহোদয়ৰ পৰা আশা কৰা নাই বেক লিষ্টেড সকলক যাতে নিদিয়ে আপোনাৰ জৰিয়তে ৰুলিং দিলে ভাল হয়।

Mr. Speaker : Please confine to Question only.

Shri Chandra Mohan Patowary : Compound Question, Sir.

Mr. Speaker : This is Question hour. You are to put question.

Shri Chandra Mohan Patowary : If the Minister is helpless due to technical defect to express the matter in the House........... This is a technical reason...... ........

Shri Zoiinath Sarma : It is a ruling for the public interest.

Shri Golok Rajbangshi (Minister) - Whether PWD has backlisted or not I do not know.

বিষয় : অসমৰ ব্লেক টপিং কৰা পথ।

শ্ৰীনগেন শৰ্মাই সুধিছে :

* Speech not corrected.

*৩৮৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯১-৯২ চনত অসমত কিমান কিলোমিটাৰ পথ ব্লেকটপিং কৰা হৈছে ?

(খ) উক্ত ব্লেকটপিংৰ বাবে কিমান টকা খৰছ কৰা হৈছে ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৮২'২৩৭ কিলোমিটাৰ।

(খ) ৮৭২'২৪৭ লাখ টকা।

* শ্ৰীনগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছে যে ১৮২'২৩৮ কিলোমিটাৰ সম্পূৰ্ণ হৈছে। কিন্তু প্ৰকৃততে এই তথ্যটো সঁচা নহয়। বৰ্ত্তমানলৈকে ৮৭ কিলোমিটাৰো আমি জনামতে সম্পূৰ্ণ হোৱা নাই। বহুতো ঠিকাদাৰ বহুতো ৰাষ্টাত কাম আৰম্ভই কৰা নাই। গতিকে ১৯৯২ চনত মাৰ্চৰ শেষলৈকে কিমান টকা খৰচ হৈছিল ? আৰু ৩১ মাৰ্চত কেবল নতুন কাম কৰিবলৈহে দিয়া হৈছিল। তাৰ কোনো কাম এতিয়ালৈকে আৰম্ভ হোৱাই নাই। গতিকে মন্ত্ৰী মহোদয়ে এই কথাটো জানে যে কিমান পথৰ কাম শেষ হৈছে আৰু কিমান টকা সেই পথত খৰছ হৈছে ? আৰু যদি জানে এই তথ্যটো এই সদনতে দাঙি ধৰিবনে ? আৰু যদি কাম আৰম্ভই কৰা নাই, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি ব্যৱস্থা গ্ৰহণ কৰিব নে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, উক্ত ১৮২'২৩৮ কিলোমিটাৰ পথৰ হিচাবটো অফিচিয়েল ৰিপৰ্টৰ ওপৰত ভিত্তি কৰিহে দিয়া হৈছে আৰু কাম আৰম্ভ কৰিবলৈ দিয়া হৈছে।

* শ্ৰীনগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯০, ৯১, ৯২ লৈকে কোনো কামেই সম্পূৰ্ণ হোৱা নাই আৰু ১৯৯০ চনৰ পৰা নিৰ্দ্ধাৰিত ৰাষ্টাত ব্লেকটেপিঙৰ কাম আৰম্ভই হোৱা নাই গতিকে ৩১ মাৰ্চত টকা দিলেও ঠিকাদাৰে কাম আৰম্ভ নকৰে। গতিকে গোটেই বিষয়টো তদন্ত কৰি সদনত দাঙি ধৰিবনে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্নৰ উত্তৰ আছিল ১৯৯১ চনৰ জুলাইৰ পৰাহে। ইয়াৰ আগৰ কথাটো মই নেজানো। এই যে ৩১ মাৰ্চৰ যিটো বেমাৰ সেই বেমাৰটোৱে প্ৰতি বছৰেই ওক দিয়ে আৰু এই যে বছৰৰ শেষত নানাধৰণৰ উপসৰ্গই দেখা দিয়ে। কাৰোবাক ৰাস্তা

* Speech not corrected.

ৰঢ়াই দিব লাগে, আকৌ কাৰোবাক টকাৰ নিৰিখ ৰঢ়াই দিব লাগে, বাজেটত টকা ধৰিব লাগে আকৌ আৰ্থিক বছৰ সলনি হোৱা ইত্যাদি কথাৰলৈ চাই কিবা এটা খেলি মেলি হৈ যায়। গতিকে চেষ্টা কৰিছো যাতে ৩১ মাৰ্চৰ বেমাৰটো উঠাই দিব পাৰি।

* ডা: কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯২ চনলৈকে ১৮২'২৩৮ কিলোমিটাৰ পথত কাম কৰা বুলি কৈছে যদিও কাম আচলতে হোৱা নাই। কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে এই চোৱা পথৰ ভিতৰত কিমান কিলোমিটাৰ পথত আজিলৈকে বেকটেপ কৰা হ'ল ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই তথ্যটো মোৰ ইয়াত নাই।

* ডা: কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছিলো যে ১৮২'২৩৮ কিলোমিটাৰৰ ভিতৰত কিমান কিলোমিটাৰ পথ বেক টেপিঙৰ কাৰণে লোৱা হৈছে, সেই তথ্যটোকে দাঙি ধৰিব নোৱাৰিলে, কি উত্তৰ লৈ আহিছে মন্ত্ৰী মহোদয়ে ?

* ডা: কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো কিমান কিলোমিটাৰৰ কাম শেষ হ'ল আৰু কিমান কিলোমিটাৰ বাকী আছে ? আমি জনাত কাম ক'তো সম্পূৰ্ণ হোৱা নাই। কিন্তু কাম শেষ নোহোৱাকৈয়ে ইমান টকা ক'ত খৰছ হ'ল ? প্ৰকৃততে কিমান কিলোমিটাৰ পথত এই বেক টেপিং কৰা হ'ল, এই সত্য কথাটো মন্ত্ৰী মহোদয়ে কিয় দাঙি ধৰিব পৰা নাই ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯২ চনৰ যিটো হিচাব দিয়া হৈছে, সেই তথ্যটোত কিছুমান নতুন কামৰ কাৰণে আৰু কিছুমান স্পিলীট অৰ্ডাৰ হৈ থকা আগৰ কামৰ হিচাবো দাঙি ধৰা হৈছে।

* ডা: কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো ১৯৯১-৯২ চনত কিমান কিলোমিটাৰ পথ ব্লেক টেপিঙৰ কাৰণে ধাৰ্য্য কৰা হৈছিল আৰু কিমান পথৰ কাম সম্পুৰ্ণ হ'ল ?

* শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১-৯২ চনত যিহেতু চাহিদা অনুসৰি অনুদান পোৱা নাই সেয়েহে কাম শেষ কৰিব পৰা নাই। কাৰণ নুন্যতম চাহিদা আঁচনিৰ শিতানত ক্ৰমে ৩শ লাখ টকা আৰু

* Speech not corrected.

৫০৩'৪০ লাখ টকা আৱন্তন পোৱা হয় ১৯৯১/৯২ চনত। উক্ত টকাৰ পৰা ন্যুনতম চাহিদা আঁচনিত ৭৫ কিলোমিটাৰ আৰু অন্যান্য ন্যুনতম চাহিদা আঁচনিত ১২৫ কিলোমিটাৰ পথ পকী কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছিল। উক্ত পথ সমূহ পকীকৰণ সম্পৰ্কত যাবতীয় নিৰিদা আদি গ্ৰহণ কৰি থকা হৈছে আৰু কিছুমান কাম ইতিমধ্যে কৰিবলৈ আৰম্ভ কৰা হৈছে, আৰু কাম বিলাক দ্ৰুত গতিত চলি আছে।

*শ্ৰীনগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে কেৱল ব্ৰেক টেপিঙতেই ১৮২'২৩৮ কিলোমিটাৰ ধাৰ্য্য কৰা হৈছেনে?

*শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এই হিচাবটোত স্পিলটি অভাৰ হোৱা পথো আছে আৰু নতুন পথো তাত যোগ হৈছে। কেৱল ১৯৯১-৯২ চনত ধাৰ্য্য কৰা মতেই নহয়।

বিষয় : **কামপুৰৰ পৰা মাগুৱা গাওঁলৈ যোৱা বান্ধটি গড়কাপ্তানী ৰাস্তালৈ উন্নীতকৰণ।**

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

*৩৮৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) নগাওঁ জিলাৰ গড়কাপ্তানী সংমণ্ডলৰ পুব খণ্ডত অৱস্থিত কপিলী নদীৰ দক্ষিণ পাৰে কামপুৰৰ পৰা মাগুৱা গাওঁলৈ যোৱা বান্ধটি বহু বছৰৰ আগৰে পৰা জনসাধাৰণে যাতায়তৰ পথ হিচাবে ব্যৱহাৰ কৰাটো চৰকাৰৰ অৱগতনে?

(খ) যদি অৱগত তেন্তে এই বান্ধটো গড়কাপ্তানী পথলৈ উন্নীতকৰণ কৰি জনসাধাৰণৰ যাতায়তৰ সুবিধা কৰি দিবনে?

(গ) যদি দিয়ে, কিমান টকাৰ প্ৰয়োজন হব?

শ্ৰীগোলোক ৰাজবংশীয়ে উত্তৰ দিছে :

(ক) হয় অৱগত।

(খ) পথটো নগাওঁ জিলা গড়কাপ্তানী (পথ) বিভাগ পুব সংমণ্ডললৈ হস্তান্তৰৰ

*Speech not corrected.

বাবে ই এণ্ড ডি বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে । তেওঁ-লোকৰ সন্মতি পালে প্ৰয়োজনীয় উন্নতি সাধন কৰি যাতায়তৰ সুবিধা কৰিৰ পৰা হব ।

(গ) আনুমানিক আশী লাখ টকাৰ প্ৰয়োজন হব ।

* শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, মই এই প্ৰশ্নটো যোৱা বিধান সভাতো দাঙি ধৰিছিলোঁ । আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে ঠিক এনেধৰণেই উত্তৰ দিছিল । এতিয়া কথা হ'ল, যোগা-যোগ কৰিয়েই থাকিব নে হস্তান্তৰ কৰা ইতিমধ্যে হৈ গৈছে ? বা বিভাগে কোনো ইনিচিয়েটিভ লৈছেনে ? অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জানেনে যে কিমান দিনৰ পৰা ই এণ্ড ডি বিভাগৰ লগত যোগা-যোগ চলি আছে আৰু কিমান দিনৰ ভিতৰত ব্যৱস্থা লোৱা হ'ব ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৰাইজে অত্যা-ৱশ্যকীয় অনুভৱ কৰাত আৰু আবেদন কৰাত আমি পুনৰ ই এণ্ড ডি বিভাগৰ লগত যোগ-যোগ কৰিছো । কিন্তু কোনো ৰেস্পন্স্ পোৱা নাই । গতিকে আমাৰ বিভাগত এই কাৰ্য্যসূচী ললে খৰছ বহুতো পৰিব । ৰাইজৰ পৰা পুনৰ আবেদন পালে প্ৰয়োজনবোধ কৰি অগ্ৰিম টকা পালে কামটো হাতত লোৱাৰ ব্যৱস্থা কৰিব পাৰিম ।

* শ্ৰীবুবুল দাস : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জাগীৰোড সমষ্টিতো ই এণ্ড ডি বিভাগৰ তলত এনেকুৱা এটা মথাউৰী প্ৰায় চাৰে চাৰি কিলোমিটাৰ মান আছে । এইটোও ঠিক তেনেকৈ পি, ডব্লিউ ডি বিভাগলৈ হস্তান্তৰ কৰিৰ নেকি ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে তদন্ত কৰি চোৱা হ'ব । এইটো অৱশ্যে বেলেগে প্ৰশ্ন আনিব লাগিব ।

* শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে এইটো ই এণ্ড ডি বিভাগৰ লগত যোগা-যোগ কৰি লিখা-লিখি কৰি থকা হৈছে । আৰু যদি গড়কাপ্তানী বিভাগৰ দায়িত্ব আছে বুলি ভাবে, পুনৰ লিখি জনসাধাৰণৰ স্বাৰ্থ লৈ চাই সোনকালে যাতে হস্তান্তৰ কৰি আনিৰ

---

* Speech not corrected.

পাৰে তাৈলে দৃষ্টি ৰাখি অগ্ৰাধিকাৰ ভিত্তিত কামখিনি কৰিবলৈ ব্যৱস্থা লবনে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত খৰছৰ কথা আছে। ৮০ লাখ টকাৰ ভিতৰত মথাউৰী, দলং আদিও আছে। আমি সমুদায় ১ কোটি ৮০ লাখ টকাৰ এষ্টিমেট কৰিছিলোঁ। এই গোটেই টকা পালেহে কাৰ্য্যকৰী কৰাৰ সম্ভাৱনা আছে।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বাননিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ৰ লগত এই মথাউৰীটোৰ বিষয়ে কথা পাতি ব্যৱস্থা লোৱা নাই কিয় ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৰাইজৰ দাবী অনুসৰি আমি এনে ধৰণৰ কাম হাতত লওঁ। তাৰোপৰি বিভাগীয় অথৰিটিয়ে তথ্য আদি যোগান ধৰাৰ পিছতহে আমি এইটো কৰিব পাৰোঁ।

বিষয় : যোৰহাট চাৰিগাওঁ ৰাস্তা।

শ্ৰীবিনোদ গোৱালা<br>শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী } য়ে সুধিছে :

*৩৮৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৰহাটৰ চাৰিগাওঁ নিমাতী পথ আৰু বৰিগাওঁ নিমাতী পথৰ মেৰামতি আৰু বহল কৰণৰ বাবে চলিত বিত্তীয় বছৰত চৰকাৰে অৰ্থ অনুদান আগবঢ়াবনে ?

(খ) যদি আগবঢ়ায় এই অনুদান কেন্দ্ৰৰ পৰা পোৱা বিশেষ আবণ্টনৰ পৰা দিবনে গড়কাপ্তানী বিভাগৰ নিজ পুঁজিৰ পৰা দিব ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আগবঢোৱা হৈছে।

(খ) গড়কাপ্তানী বিভাগৰ বাৰ্ষিক পৰিকল্পনা শিতানৰ পুঁজিৰ পৰা আগবঢ়োৱা হৈছে।

* শ্ৰীপদ্মেশ্বৰ দলে : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো অতি গুৰুত্বপূৰ্ণ, ৰাস্তা দুটা, এটা হ'ল যোৰহাটৰ চাৰিগাওঁ নিমাতী পথ আৰু বালিগাওঁ নিমাতী পথ, এই দুয়োটা পথৰ বিষয়ে চৰকাৰলৈ লিখা হৈছে আৰু এই

---

* Speech not corrected.

ৰাস্তা দুটা অতি দৰকাৰী ৰাস্তা, বহু বছৰ ধৰি এই ৰাস্তা দুটা অৱহেলিত হৈ আছে। আনটাইডফাণ্ডৰ পৰা দিবলৈ কৈছিল, অলপ ৰাস্তা তাত বান্ধিছে, বেচিভাগ ৰাস্তাই তাত সম্পূৰ্ণ হোৱা নাই। গতিকে সেই ৰাস্তাটো সম্পূৰ্ণ কৰি তুলিবৰ কাৰণে গড়কাপ্তানী বিভাগৰ পৰা কিমান টকা আগবঢ়াইছে সেইটো জনাবনে ?

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আনটাইডফাণ্ডৰ পৰা ৪ লাখ টকা, অ' এম, এন, পিৰ পৰা ২ লাখ টকা বানবিদ্ধস্ত নিমাতী পথৰ উচ্চতা আৰু উন্নিতকৰণৰ বাবে ৪,২০ লাখ টকা মুঠ ১০'২০ লাখ টকাৰ স্থায়ী মেৰামতি আৰু উন্নিতকৰণৰ কাম কৰি থকা হৈছে।

* শ্ৰীপদ্মেশ্বৰ দলে : এই ধাৰ্য্য কৰা টকাটো কেতিয়া দিয়া হৈছে আৰু দুয়োটা ৰাস্তাৰ কাৰণে দিয়া হৈছে নেকি ? এই বিষয়ে জনাবনে ?

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যোৰহাট চাৰিগাওঁ নিমাতী পথটো গড়কাপ্তানী বিভাগত চাৰিগাওঁ পথ নামে নামাকৰণ কৰা পথ, ইয়াৰ দৈৰ্ঘ্য ৬ কিলোমিটাৰ, বড়িগাওঁ নিমাতী পথটো গড়কাপ্তানী বিভাগত যোৰহাট নিমাতী পথ নামে নামাকৰণ। ইয়াৰ দৈৰ্ঘ্য ১৩ কিলোমিটাৰ। চাৰিগাওঁ পথটি ৩৭ নং ৰাষ্ট্ৰীয় পথৰ ৪৬১ কি: মি: ৰ পৰা আৰম্ভ হৈ যোৰহাট নিমাতী পথৰ ৯ কি: মি: সংলগ্ন হৈছে আৰু এই পথটিৰে যোৰহাটৰ পৰা নিমাতীলৈ যাব পাৰি। এই পথটিৰ মেৰামতিৰ কাম মাত্ৰ বছৰেকীয়া মেৰামতিৰ শিতানৰ অৰ্থ অনুদানৰ পৰা বৰ্ত্তমানে কৰি থকা হৈছে যদিও ই যথেষ্ট নহয়। এই পথটিৰ নতুনকৈ নিৰ্ম্মাণ কৰাৰ প্ৰয়োজন হৈ পৰিছে। যোৰহাট নিমাতী পথটিৰ মেৰামতিৰ কাম নিমাতীৰ ফালৰ পৰা কৰি অহা হৈছে। এই পথটিৰ মেৰামতিৰ কাৰণে ৯ কি: মি: ৰ পৰা ১৩ কিলোমিটাৰৰ তিনিটা শিতানত চৰকাৰে অৰ্থ অনুদান দিছে। এই অনুদান কেইটাৰ বিষয়ে মই আগতে কৈ দিছো।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে লৰা-ধেমালী কৰিবলৈ অহা নাই বুলি কৈছে কিন্তু যোৱা ১১ চেপ্তেম্বৰত

* Speech not corrected.

আগৰ অধিবেশনতে মোৰ সমষ্টিৰ এটা ৰাস্তাত, উত্তৰত কৈছিল ব্লেকটপিং কৰা হব আৰু এইবাৰো একেটা ৰাস্তাৰ প্ৰশ্নৰ উত্তৰত কৈছিল ৰাস্তাটো লোৱা হোৱা নাই। তেন্তিয়াহলে লৰা-ধেমালী কোনে কৰিলে ?

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) : অধ্যক্ষ মহোদয় আপোনা-লোকে জানে যে এইবাৰ প্লেনৰ টকা বহুপৰিমাণে কাট কৰা হৈছে, টকা কম দিছে। সেইকাৰণে কিছু কাম লৈয়ো পিছলৈ কাম কমাই দিয়া হৈছে।

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে টেক্টফুলি উত্তৰ দিছে, যোৱাবাৰেই ৰাস্তাটো লোৱা হব বুলি প্ৰতিশ্ৰুতি দিছিল কিন্তু এইবাৰ কৈছে ৰাস্তাটো লোৱা হোৱা নাই। গতিকে তেখেতে প্ৰতিশ্ৰুতি দি ভঙ্গ কৰিছে।

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) : অধ্যক্ষ মহোদয় মই যি কাম কৰিব নোৱাৰো সেইটো প্ৰতিশ্ৰুতি নিদিও, যদি দিছে তেতিয়াহলে চাব লাগিব।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : তামুলীচিঙা দলংত ৪ লাখ টকা দিছিল কিন্তু ঠিকাদাৰে মাজতে এৰি কামখিনি শেষ কৰা নাই। মন্ত্ৰী মহোদয়ে এই বিষয়ে চাব নে ?

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) : বেলেগে নটিচ দিলে নিশ্চয় চাম।

বিষয় : ডুমডুমা নদীয়ে কৰা ক্ষতি।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

* ৩৮৬/ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তিনিচুকীয়া ৰ'ড ডিভিজনত থকা মাকুম আলিৰ ২ কিলোমিটাৰ ওচৰত ডুমডুমা নদীয়ে খহাবলৈ লোৱাটো চৰকাৰে জানেনে ?

(খ) যদি জানে প্ৰতিৰোধৰ বাবে কি ব্যৱস্থা হাতত লৈছে আৰু কেতিয়াৰ পৰা ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডুমডুমা নদীৰ পৰা অহা নাজিৰাটিং সুতিটোৱে মাকুম আলিৰ পকা ৰাস্তাটো ২ কিলোমিটাৰত বেয়াকৈ খহাইছে আৰু ২ কিলোমিটাৰৰ এটা অংশ

* Speech not corrected.

খহনীয়াত পতিত হৈছে।

(খ) এই খহনীয়া প্ৰতিৰোধৰ বাবে এফ, ডি, আৰ শিতানত ১,৬০,২০০ টকাৰ এখন আঁচনি প্ৰস্তুত কৰা হৈছে। এই পুঁজিৰ ব্যৱস্থা হলেই কামখিনি হাতত লব পৰা যাব। নতুনকৈ পুনৰ হিচাব কৰা হৈছে, এতিয়া ইয়াত ৩ লাখ টকা লাগিব, গতিকে অন্য শিতানৰ পৰা টকা লৈ হলেও এই কামটো কৰাৰ কাৰণে ব্যৱস্থা লোৱা হব।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে, ডুমডুমা চাহ বাগান কৰ্ত্তপক্ষৰ ফালৰ পৰা গড়কাপ্তানী বিভাগলৈ এই কামটো কৰিবৰ কাৰণে অনুমতি বিচাৰিছিল ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) : সেই বিষয়ে মোৰ জ্ঞাত নহয়।

(Starred Question No. 387 deemed to have been lapsed on the Questioner was not present when Called for.)

Re: **Kuberali to Tongla P. W. D. Road.**

Shri Jew Ram Boro asked :

* 388. Will the Minister of P. W. D. be pleased to state :

(a) Whether the Government is aware of the P. W. D Roads from Kuberali to Tongla via Deor and Bagpuri to Maugaon via- Mahaliapara, Atelia of Kalaigaon Constituency ?

(b) If so, when these roads were constructed ?

(c) Whether any steps have been taken for development and extension on these roads ?

REPLY

Shri Golok Rajbanshi (Minister) replied :

(a) Yes ; but there is no PWD Road connecting Mowgaon from Bogpuri.

* Speech not corrected.

(b) The first 5 K. M. of the road Kuberali to Tongla via Deor was constructed during the 2nd five year plan and the balance 5 K. M. of the road was constructed in phases under M N P during 1978-79 to 1982-83. The road Bogpuri to Atelia was constructed in phases under M N P during 1978-79 to 1982-83.

(c) Not at present.

* শ্ৰীজিউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, এই দুয়োটা ৰাস্তা অত্যন্ত প্ৰয়োজনীয় ৰাস্তা, । এই ৰাস্তা দুটাৰ সম্পৰ্কত এখন চিঠি পাইছো, ১৪-১১-৯১ তাৰিখৰ এই চিঠি গড়কাপ্তানী বিভাগৰ ইঞ্জিনিয়াৰে দিছিল । এই চিঠিত কি কৈছিল মন্ত্ৰী মহোদয়ে জনাবনেকি ?

* শ্ৰীগোলোক ৰাজবংশী (গড়কপ্তানী মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৰাস্তা দুটা লবব কাৰণে চেষ্টা কৰি কষ্ট এপ্ৰাইজেল উলিয়াবৰ কাৰণে লিখিছিলো । প্ৰথম ৰাস্তাটোত ৪ লাখ টকা আৰু ২য় ৰাস্তাটোত ১২'৩৬ লাখ টকা লাগে । গতিকে ইমান এটা শকত পুঁজি এভেইলেবোল নোহোৱাৰ কাৰণে কামটো হাতত লব পৰা হোৱা নাই ।

* শ্ৰীজীউৰাম বড়ো : আগৰ পৰাই পুঁজিৰ অভাৱৰ কথা কৈ আছে । ২ নং ৰাস্তাটো কভাৰ কৰিব লাগে । এইটো অ'চনি কাৰ্য্যকৰী কৰা হবনে ? পুজিৰ অভাব বুলি গোটেই অসমত কাম চলি আছে । গতিকে এই বছৰ কৰিবনে ?

* শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী (মন্ত্ৰী) : পুঁজি লওঁতে কাম হৈছে বুলি কৈছে যেতিয়া তেনেকুৱা অৱস্থা হলে কাম কৰিব পৰা যাব ।

বিষয় : ১৯৯১ চনৰ বানপানীত ক্ষতিগ্ৰস্ত পথ ।

শ্ৰীযতীন মালিয়ে সুধিছে :

* ৩৮৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিগত ১৯৯১ চনৰ অক্টোবৰ মাহৰ প্ৰবল বানপানীত পলাশবাৰী সমষ্টিৰ

* Speech not corrected.

কিমানটা গড়কাপ্তানী পথ পানীত ডুবিছিল আৰু নষ্ট হৈছিল নেকি ?

(খ) যদি হৈছিল, উক্ত পথ সমূহ চিনাক্তকৰণ কৰি অতি সোনকালে মেৰামতি আৰু পুনৰ নিৰ্ম্মান কৰাৰ ব্যৱস্থা হাতত লবনে ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) পলাশবাৰী সমষ্টিৰ পৰা ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথৰ ১২৫, ১২৬, ১২৯, আৰু ১৩০ কিঃ মিঃ আৰু অন্য ১৯ টা পথ বানপানীত ডুব গৈছিল আৰু কম বেচি পৰিমানে নষ্টও হৈছিল ।

(খ) পথ সমূহৰ চিনাক্তকৰণ ইতিমধ্যে হৈছে আৰু বানবিধস্ত শিতানত মঞ্জুৰ কৰা পুঁজিৰ প্ৰাপ্তৃতা অনুসৰি মেৰামতি আৰু পুনৰ নিৰ্ম্মানৰ কাম হাতত লোৱা হৈছে ।

* শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জানেনে যে ১৯৯১ চনৰ অক্টোবৰ মাহত পলাশবাৰী বিধান সভা সমষ্টিৰ যি গড়কাপ্তানী পথৰ বানপানীত ক্ষতি হৈছে, ডুবি গৈছে সেই আটাইবিলাক ৰাস্তা মেৰামতি, পুনৰ নিৰ্ম্মানৰ বাবে কিমান টকাৰ প্ৰয়োজন বুলি বিভাগে ঠিৰাং কৰিছে ।

* শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী (মন্ত্ৰী) : ১৯ টা পথ মেৰামতিৰ বাবে ৭৫ লাখ টকা লাগিব ।

* শ্ৰীযতীন মালী : উক্ত ৭৫ লাখ টকাৰ ইতিমধ্যে কিমান লাখ উলিয়াই দিছে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : ৰাপ্তা হিচাবে টকা উলিয়াই নিদিয়ে দিভিজন হিচাবে দিয়া হয় । এফ দি আৰৰ টকা দি চি য়ে এপ্ৰভ কৰাৰ পিছত উলিয়াই দিয়া হয় ।

* শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, পথ বিলাকৰ পুনৰ নিৰ্ম্মাণৰ বাবে ৭৫ লাখ টকাৰ প্ৰয়োজন বুলি বিভাগে পতিয়ন গৈছে । ইয়াৰ কিমান লাখ টকা উলিয়াই দিছে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : দি, চিৰ ৰিকমেণ্ডেচন মতে দিয়া হয় । সমষ্টি হিচাবে নহয় ।

* Speech not corrected.

* শ্ৰীযতীন মালী: যি ৭৫ লাখ টকা আছে তাক ১৯৯২-৯৩ বছৰত উলিয়াই দিবনে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): আৱশ্যক বুলি কৈছো। আমি ৪ কোটি টকা পাইছো। কম বেছি পৰিমাণে সকলো ঠাইতে দিছো।

* ডাঃ কমলা কলিতা: এফ্‌ দি আৰ্‌ত গুৱাহাটী ৰোড ডিভিজনত কিমান টকা দিয়া হৈছে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): হিচাৰটো বৰ্ত্তমান নাই। পিছত দিব পাৰিম।

* ডাঃ কমলা কলিতা: অধ্যক্ষ মহোদয়ৰ জ্ঞাতাৰ্থে কৈছো গুৱাহাটী ৰোড ডিভিজনত ১৫ লাখ টকা দিছে। এটা সমষ্টিত আটাইখিনি টকা খৰছ কৰাটো জানেনে?

* শ্ৰীগোলোক ৰাজবংশী: (মন্ত্ৰী): মই আগতেই কৈছো যে দি চিয়ে ৰিকমেণ্ড কৰি দিয়ে। সমষ্টি হিচাবে দিয়া নহয়।

* শ্ৰীযতীন মালী: অধ্যক্ষ মহোদয়, মই যিটো বিষয় উত্থাপন কৰিছো ৰিশেষ আৰু পোনপটীয়া। মন্ত্ৰী মহোদয়ে পোনপটীয়া উত্তৰ নিদি ইফাল-সিফাল কৰি আছে। গুৱাহাটী ৰোড ডিভিজনৰ পলাশবাৰী আৰু ছয়গাওঁ সমষ্টি ১৯৯১ চনৰ বানত বেছিকৈ ক্ষতিগ্ৰস্ত হৈছিল। এটা বিশেষ সমষ্টি বকোত গোটেই টকা খৰছ কৰা হৈছে। গতিকে সদনত জনাই দিয়ক যে এ জি পি, এম এল এ থকা সমষ্টিত টকা খৰছ কৰা নহয়।

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): মই আগতেই কৈছো দিচিৰ ৰিকমেণ্ডেচন মতে টকা বিলাই দিয়া হয়।

* শ্ৰীযতীন মালী: ইটো ৰিপ্লাই নহল। গুৱাহাটী চাবডিভিজনত আমি আছো। গতিকে কি উত্তৰ লৈ আহিছে।

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): সমষ্টি হিচাবে টকা ভাগ নহয়।

* শ্ৰীযতীন মালী: সমষ্টি হিচাৱে কাম কৰি আছে। ৰিষয়াই যি ধৰণে গাইদ কৰিছে সেই মতে কৈছে। সকলো জনসাধাৰণক জনাই দিয়ক যে এজিপি

* Speech not corrected.

দমিনেটেড সমষ্টিত টকা দিয়া নহয়, কেবল ৰকো সমষ্টিত দিয়া হব।

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): আনটাইড ফাণ্ড দি চিয়ে বিতৰণ কৰে।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ জিলা পৰ্য্যায়ত এফ দি আৰ ফাণ্ড বিতৰণত যথেষ্ট খেলি-মেলি হৈছে। মোৰ সমষ্টিত বানপানী নাই আৰু ডাঃ বৰ্ম্মনৰ সমষ্টিত ৰানপানী আছে। গতিকে তাত দিয়ক। পৰম্পৰা আছে যে বানত ক্ষতিগ্ৰস্ত সমষ্টিত টকা পাব লাগে। গতিকে আগৰ পৰম্পৰা ৰক্ষা কৰি আনটাইড ফাণ্ড প্ৰত্যেক সমষ্টিত দিব নে নিদিয়ে? লগতে আনটাইড ফাণ্ডৰ সম্পূৰ্ণ টকা দিব নে নিদিয়ে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ আনটাইড ফাণ্ড দি চিৰ দিচপজেলত দিয়া হয়। সকলোৰে পৰামৰ্শ মতে ভাগ কৰিছো। প্ৰত্যেককে ৬ লাখকৈ টকা দিয়া হৈছে। যদি কোনোবা জিলাত নাই তেন্তে সেইটো চাম।

(Starred Question Nos 390 to 398 could not be taken up as the Question Hour was over. However, the replies deemed to have been disposed of.)

ৰিষয়: রাতাবাৰী সমষ্টিৰ P.W.D. ৰাস্তা।

শ্ৰীৰামপ্যাৰে ৰবিদাস জিজ্ঞাসা করচেন ঃ

*৩৯০। মাননীয় পূর্ত্ত বিভাগের মন্ত্রী মহোদয়ে অনগ্রহ করি জানাবেন কি?

(ক) করিমগঞ্জ জেলার রাণ্ডাবাড়ী সমষ্টির কয়েকটি প্রধান প্রধান নিম্নোক্ত P.W.D. রাস্তার শোচনীয় অবস্থায় বন্ধ থাকার ব্যাপ্যারে সরকার অবগত আছেন কি?

(১) আলিপুর— চেরাগী কংপুর রাস্তা।

(২) কদমতলা— কালীবাড়ী রাস্তা।

(৩) চরগোলা (কাছাড় সুগারমিল) রংপুর রাস্তা।

(খ) যদি অবগত তবে সরকার ঐ রাস্তাগুলির সংস্কার করত মোটর চলাচলের জন্য কি ব্যবস্থা গ্রহণ করেছেন?

---

* Speech not corrected.

:: উত্তৰ ::

শ্ৰীগোলোক ৰাজবংশী, (মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হয়, চৰকাৰ অৱগত।

(১) অনিপুৰ চেৰাগী ৰংপুৰ পথটো চেৰাগীলৈকে যানবাহনৰ বাবে মুকলি কৰি দিয়া হৈছে।

(২) কদমতলা কালীবাৰী ৰাস্তাটো যান বাহন চলাচলৰ বাবে মুকলি কৰি দিয়া হৈছে।

(৩) চৰগোলা (কাছাৰ চুগাৰ মিল) ৰংপুৰ পথটো ৭ কিঃ মিঃ লৈকে যান বাহন চলাচলৰ বাবে মুকলি কৰি দিয়া হৈছে।

(খ) চৰগোলা ৰংপুৰ পথৰ বানত ক্ষতিগ্ৰস্ত দলং বিলাকৰ মেৰামতিৰ কাম চলাই থকা হৈছে। অনিপুৰ চেৰাগী ৰংপুৰ পথ আৰু কদমতলা কালী-বাৰী পথৰ কিছু উন্নীতকৰণৰ কাম হাতত লোৱা হৈছে যাতে বাৰিষা সময়ত যান বাহন চলাচল হৈ থাকিব পাৰে। আৱশ্যকীয় পুঁজিৰ অভাৱ হেতুকে উক্ত পথত উন্নীতকৰণৰ কাম অৱশ্যক অনুযায়ী কৰিব পৰা হোৱা নাই।

বিষয়: সৰভোগ মইনবৰী P.W.D. ৰাস্তা।

শ্ৰীএছাহাক আলীয়ে সুধিছে:

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে? জনীয়া সমষ্টিৰ সৰভোগৰ পৰা মইনবৰীলৈ যোৱা P. W .D. ৰাস্তাত ১৯৯০-৯১ আৰু ৯১-৯২ চনত কিমান টকাৰ শিলগুটি পেলোৱা হৈছিল?

শ্ৰীগোলোক ৰাজবংশী, (মন্ত্ৰী)য়ে উত্তৰ দিছে:

জনীয়া সমষ্টিৰ সৰভোগৰ পৰা মইনবৰীলৈ যোৱা P.W.D. ৰাস্তাৰ ১৯৯০-৯১ চনত শিলগুটি পোলোৱা খৰছ ১,০৮,৬৩০'০০ (এক লাখ আঠ হাজাৰ ছশ ত্ৰিশ টকা) মাত্ৰ আৰু ১৯৯১-৯২ চনত শিলগুটি পেলোৱা খৰচ ১,৬৪,৭৭০'০০ টকা (এক লাখ চৌষষ্ঠী হাজাৰ সাতশ সত্তৰ টকা) মাত্ৰ।

ৰিষয় : **Black topping or all weather road.**

শ্ৰীনজমুল হকে সুধিছে ঃ

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা সংমণ্ডলৰ কাৰাই খাওয়া তাল-তলা চুনাৰী ৰাস্তাটো Black topping or all weatoer road কৰাৰ বাবে চলিত বিত্তীয় অৰ্থ মঞ্জুৰী কৰিবনে ?

উত্তৰ

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১৯৯১-৯২ চনৰ বিত্তীয় বছৰত এই পথটোৰ এছোৱা Black topping কৰাৰ কাৰণে ৩'০০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

ৰিষয় : এফ., দি আৰ. গড়কাপ্তানী বিভাগৰ ধন আবন্টন।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতায়ে সুধিছে :

*৩৯৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা বছৰ এফ., দি, আৰ.ত গড়কাপ্তানী বিভাগে সৰ্ব্বমুঠ কিমান ধনৰ আৱন্টন পালে।

(জিলা ভিত্তিক আবন্টিত ধনৰ তালিকা সদনত দাখিল কৰিব)

(খ) উক্ত বছৰত গুৱাহাটী মহকুমাৰ অন্তৰ্গত সমষ্টি সমুহত কিমান ধনৰ আবণ্টন দিয়া হ'ল ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা বছৰত গড়কাপ্তানী বিভাগে বানবিধস্ত শিতানত নৰ্ব্বমুঠ ৪০৮'০০ লক্ষ টকাৰ আৱন্টন পাইছিল।

(বানবিদ্ধস্ত শিতানৰ মঞ্জুৰী জিলাভিত্তিত দিয়া নহয়। সংমণ্ডল হিচাবে দিয়া হয়) See the Annexure—I

(খ) গড়কাপ্তানী বিভাগত বানবিদ্ধস্ত শিতানৰ মেৰমতিৰ মঞ্জুৰী সমষ্টি ভিত্তিত দিয়া নহয়। সংমণ্ডল ভিত্তিতহে দিয়া হয়।

বিষয়: মিনি P. H. C. আৰু Health Centre ৰ গৃহ নিৰ্মাণ।

শ্ৰীবুবুল দাসে সুধিছে:

* ৩৯৪। মাননীয় গড় কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) জাগীৰোড সমষ্টিত SCP, TSP ৰ অধীনত কিমান খন ৩০ খন বিছনাযুক্ত হস্পিতেল, Mini P.H.C. আৰু Rural Health Centre গৃহ নিৰ্মাণৰ বাবে Administrative approval পাইছে?

(খ) যি কেইখনৰ Administrative Approval হৈ আছে, সেই কেইখনৰ গৃহ নিৰ্মানৰ কাম সম্পূৰ্ণ কৰিবলৈ কিমান সময়ৰ প্ৰয়োজন হব?

(গ) গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ কিমান দিনৰ ভিতৰত নিয়মীয়া চিকিৎসা সেৱা প্ৰৱৰ্ত্তন কৰিব জনাবনে?

(ঘ) T.S.P. ৰ অধীনত ৰূপাইবড়ি ৩০ খন বিছনাযুক্ত হস্পিতেলৰ গৃহ নিৰ্মাণৰ আঁচনি Administrative Approval দি চলিত বছৰত গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিবনে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ৩০ খন বিছনাযুক্ত হস্পিতেল নিৰ্মাণৰ বাবে প্ৰশাসনীয় অনুমোদন পোৱা নাই।

অনুসুচীত জাতি পৰিকল্পনাৰ অধীনত ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ৩ খনৰ প্ৰশাসনীয় অনুমোদন পোৱা হৈছে, কিন্তু অনুসুচিত জনজাতি পৰিকল্পনাৰ অধীনত এখনৰো প্ৰশাসনীয় অনুমোদন পোৱা নাই।

গ্ৰাম্য স্বাস্থ্য কেন্দ্ৰৰ ক্ষেত্ৰত অনুসুচিত জাতি পৰিকল্পনা আৰু অনুসুচিত জনজাতি পৰিকল্পনাৰ অধীনত এখনৰো প্ৰশাসনীয় অনুমোদন পোৱা নাই।

(ঘ) পুঁজিৰ অভাৱ নহলে ১৯৯৩ চনৰ ৩০ এপ্ৰিলৰ ভিতৰত গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ আশা আছে।

(গ) এই বিষয়ে স্বাস্থ্য বিভাগেহে কব পাৰিব।

(ঘ) প্ৰশাসনীয় অনুমোদন পালে কামটো কৰিবলৈ ব্যৱস্থা লোৱা হব।

Re : **Bhanga Bairab Nagar Road.**

Shri Abu Saleh Najmuddin asked :

* 395. Will the Minister of P.W.D. be pleased to state :

(A) Whether the Government would take necessary steps to make ?

(i) Bhanga Bairab Nagar Road.

(ii) Chargola Kaliganja Road

(iii) Alternative S.T. Part I and part II under Karimganj P.W.D. Division.

(iv) Badarpur Adarkuna Road under Silcher P. W. D. Division an all weather one.

(B) Whether Government has any proposal for black topping the last part of Karimganj Sutarkandi Road (Border).

Shri Golok Rajbanshi (Minister) replied :

(A) Presently there is no such proposal.

(B) Government will consider if fund position permits.

বিষয় : **মন্ত্ৰীসভাৰ কলেৱৰ ।**

শ্ৰীভৃগু কুমাৰ ফুকনে সুধিছে :

* ৩৯৬। মাননীয় সংসদী পৰিক্ৰমা মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্যৰ মন্ত্ৰী সভাৰ কলেৱৰ বিধান সভাৰ আসনৰ দশ শতাংশত সীমিত কৰিবলৈ ভাৰতৰ ৰাষ্ট্ৰপতিয়ে আগবঢ়োৱা পৰামৰ্শ কাৰ্য্যকৰী কৰি অসমৰ মুখ্যমন্ত্ৰীয়ে এক নতুন ৰাজনৈতিক পৰম্পৰা ডাঙি ধৰিব নেকি ?

(খ) যদি নকৰে কিয় ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মাননীয় ৰাষ্ট্ৰপতিৰ পৰামৰ্শ সজ যদিও অসমৰ মন্ত্ৰীসভাৰ কলেৱৰ বিধান সভাৰ দশ-শতাংশত সীমিত কৰা সম্ভৱ নহয় ।

(খ) কাৰণ অসম মন্ত্ৰী সভাত বিভিন্ন এলেকা, বিভিন্ন জন-গোষ্ঠীৰ প্ৰতিনিধিত্ব কৰা উচিত, মাত্ৰ ১৩ জন মন্ত্ৰীৰে অসমৰ বিভিন্ন এলেকা আৰু জন-গোষ্ঠী প্ৰতিনিধিত্ব কৰা সম্ভৱ নহয়।

বিষয়: নতুনকৈ Pipe water যোগান আঁচনি।

শ্ৰীনিজামুদ্দিন খানে সুধিছে:

* ৩৯৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাত নতুনকৈ Pipe Water যোগান আঁচনি লোৱা হৈছে নে ?

(খ) যদি লোৱা হৈছে কি কি ?

(গ) সৰুক্ষেত্ৰী সমষ্টিৰ বালাপাৰা বা বৰবালাত এই আঁচনি এটা লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীদিনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) বৰপেটা জিলাত ১৯৯১-৯২ চনত নতুনকৈ Pipe Water যোগান আঁচনি লোৱা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) যিহেতু গাওঁ দুখন নলীনাদ আঁচনিৰ দ্বাৰা ইতিমধ্যেই সামৰি লোৱা হৈছে, গতিকে Water Scheme লোৱাৰ কোনো পৰিকল্পনা বৰ্ত্তমান নাই।

বিষয়: P.H.E. ছাব চেণ্টাৰ আঁচনি।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে:

* ৩৯৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ শালমাৰা বা মহকুমাৰ এলেকাধীন নাম্বাৰপাৰা P.H.E ছাব চেণ্টাৰৰ আঁচনি মতে কিমান টকা খৰছ হৈছে আৰু আঁচনিমতে উক্ত ছাব চেণ্টাৰৰ কাৰ্য্যালয় ঘৰটো উক্ত ঠাইত নিৰ্মান নকৰি বঙাইগাওঁ জিলা সদৰ ঠাইত নিৰ্মান কৰা কথাটো সঁচা নেকি ?

(খ) যদি সঁচা কিয় কাৰ্য্যালয়টোৰ ঘৰ বঙাইগাওঁত নিৰ্মাণ কৰা হ'ল ?

(গ) বঙাইগাওঁ জিলা দক্ষিণ অভয়াপুৰী বিধান সভা সমষ্টি যিহেতু অনুসূচীত সংৰক্ষিত তাত কিয় P.H.E. বিভাগে আঁচনিৰ টকা কম দিয়া হ'ল ?

শ্ৰীদিনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) P.H.E. Sub-Centre ৰ কোনো আঁচনি নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) বিধানসভা সমষ্টিৰ ভিত্তিত ধনৰ আৱণ্টন দিয়া নহয় । অন্যান্য আৱণ্টনৰ উপৰিও Schedule Caste Component plan ত ১৯৯১-৯২ চনত বঙাইগাওঁ মহকুমাত ২,৪০ লাখ আৰু উত্তৰ শালমাৰা মহকুমাত ২৪,৫০ লাখ টকাৰ আৱণ্টন দিয়া হৈছে ।

## UNSTARRED QUESTIONS & ANSWERS

বিষয় : পশু চিকিৎসালয়ৰ উপকেন্দ্ৰ স্থাপন ।

শ্ৰীআলাউদ্দিন চৰকাৰে সুধিছে :

৫৪৫। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোলোকগঞ্জ বিধান সভা এলেকাৰ হালাকুৰা, বাটৰ হাট, আৰু কুমাৰ-গঞ্জত পশু চিকিৎসা সেৱা সম্প্ৰসাৰণৰ বাবে কমেও এটাকৈ উপকেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰে চিন্তা কৰিবনে ?

(খ) উক্ত সমষ্টিৰে ছত্ৰশাল বিষখোৱা চিকিৎসালয়ত ততাতৈয়াকৈ চিকিৎসক আৰু কৰ্ম্মচাৰী নিয়োগ কৰা হবনে ?

শ্ৰীনকুল দাস (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চলিত বিত্তীয় বছৰত পৰিকল্পনাৰ কাম সম্পুৰ্ণ হোৱা নাই । চুড়ান্ত ৰূপ দিয়াৰ সময়ত বিবেচনা কৰা হব ।

(খ) নতুন পদ-সমূহৰ মঞ্জুৰী (সৃষ্টি) পোৱাৰ লগে লগেই নিয়োগ কৰা হব ।

বিষয় : কাজাৰমাট অৰ্ধ সমাপ্ত ডাকবাংলা ।

শ্ৰীপ্ৰনৱ কুমাৰ নাথ জিজ্ঞাসা কৰছেন ।

৫৪৬। মাননীয় গড়কাপ্তানী বিভাগর মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) দীৰ্ঘদিন ধরে কাজারঘাট ডাক বাংলার অর্ধ সমাপ্ত ঘরের কাজ সম্বন্ধে সরকার অবগত আছেন কি ?

(খ) ঘরে বৈদ্যুতিকরণ থাকার জন্য বিছানার ব্যবস্থা, স্নানাগার, শৌচাগার ও ডাকবাংলা এলাকার চতুর্সিমার দেওয়াল ইত্যাদি বর্ত্তমান অর্থবছরে সম্পন্ন করা হবে কি ?

(গ) এ ব্যাপারে সরকার কি কি ব্যবস্থা গ্রহণ করেছেন ?

শ্রীগোলক ৰাজবংশী (মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) 'কাজাৰঘাট ডাকবাংলা' নামৰ গড়কাপ্তানী বিভাগৰ কোনো গৃহ ৰাজাৰ-ঘাটত নাই।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

বিষয় : কলগাছিয়া ময়নবৰী গড়কাপ্তানী ৰাস্তা।

শ্রীদিলদাৰ ৰেজজা য়ে সুধিছে :

৫৪৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাৰণে ?

(ক) বৰপেটা জিলাৰ সৰভোগৰ পৰা কলগাছিয়া হৈ ময়াবৰী লৈ থকা গড়-কাপ্তানী বিভাগৰ ৰাস্তাটোত কিমান কিলোমিটাৰ মটৰ চলাচলৰ উপযোগী ?

(খ) ১৯৯২-৯৩ আৰ্থিক বছৰত কলগাছিয়াৰ পৰা ময়নবৰীলৈ মটৰ চলাচল উপযোগীকৈ উন্নত কৰা হবনে ?

(গ) ১৯৯২-৯৩ আৰ্থিক বছৰত ময়নবৰী তাৰাকাদি ৰাস্তাটো মেৰামতি কৰি মটৰ চলাচলৰ উপযোগী কৰা হবনে ?

:: উত্তৰ ::

শ্রীগোলোক ৰাজবংশী (মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) মুঠ ৪০ কিলোমিটাৰ পথ গাড়ী চলাচলৰ বাবে উপযোগী। তাৰ ভিতৰত ১০ কিলোমিটাৰ পথত দুখন কাঠৰ দলঙৰ মেৰামতি আৰু তাৰ সংলগ্ন পথ ছোৱাত কাম হৈ থকা বাবে উপ-পথেৰে যানবাহন চলাচল কৰাৰ

সুবিধা কৰি দিয়া হৈছে।

(খ) হয়, আৱশ্যকীয় পুঁজিৰ ব্যৱস্থা হলে মেৰামতি কৰি উন্নত কৰা হব।

(গ) মেৰামতি শিতানত আৱশ্যকীয় পুঁজি পালে পথটো মেৰামতি কৰি মটৰ চলাচলৰ ব্যৱস্থা কৰিব পৰা যাব।

বিষয়: দলং নিৰ্মাণ।

শ্ৰীভুপেন ৰায়ে সুধিছে:

৫৪৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বঙাইগাওঁ জিলাৰ ডুলানী, হাতীমুতৰা, মানিকপুৰ (ডাষ্টিপাৰা N. H.) ওপৰত দলং নিৰ্ম্মান কৰি থকা কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে দলং সমুহ সম্পূৰ্ণ হৈ উঠাৰ কিবা সময় সীমা আছে নেকি?

(গ) যদি আছে কেতিয়া সম্পূৰ্ণ হৈ উঠিব।

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয় জানে।

(খ) ৩১।১২।৯২ তাৰিখে।

(গ) প্ৰশ্নৰ 'খ' অংশৰ উত্তৰত কোৱা হৈছে।

বিষয়: পানী যোগান আঁচনি।

শ্ৰীনগেন শৰ্মায়ে সুধিছে:

৫৪৯। মানীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে।

(ক) অসমৰ মুঠ কিমান গাওঁত খোৱা পানী যোগান আঁচনি বৰ্ত্তমানলৈ সম্পূৰ্ণ হল?

(খ) বাকী থকা গাওঁ সমূহলৈ কিমান চনৰ ভিতৰত খোৱা পানী যোগান ধৰা হব?

শ্ৰীদিনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ২১১৯৫ খন আহুকলীয়া গাওঁলৈ সম্পূৰ্ণৰূপে পানী যোগান ধৰা হৈছে।

(খ) অষ্টম পৰিকল্পনাৰ ভিতৰত সম্পুৰ্ণৰূপে পানী যোগান ধৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

বিষয় . কেন্দ্ৰীয় চৰকাৰৰ বিশেষ মঞ্জুৰী।

শ্ৰীজীউৰাম বড়োয়ে সুধিছে :

৫৫০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

(ক) ইংৰাজী ১৯৯১-৯২-৯২ আৰু ৯২-৯৩ চনৰ বাবে অনুসুচীত জাতি আৰু জনজাতি লোকৰ বাবে খোৱা পানী যোগান ধৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা বিশেষ মঞ্জুৰী পোৱাটো সঁচা নেকি।

(খ) যদি সঁচা হয়, কিমান ধন মঞ্জুৰী পাইছে আৰু ইয়াৰ আঁচনি সমুহ কেনে ধৰণে কি কি ভিত্তিত কাৰ্যকৰী কৰিবলৈ বিছৰা হৈছে ?

শ্ৰীদিনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৯১-৯২ চনত অনুসুচীত জাতি/জনজাতি চৰাত খোৱাপানী যোগান ধৰাৰ কাৰণে বিশেষ মঞ্জুৰী পোৱাটো সঁচা।

(খ) ১৯৯১-৯২ চনত ২,৫০ কোটি টকা মঞ্জুৰী হিচাবে পোৱা হৈছে। এই পুঁজিৰে অনুসুচীত জাতি আৰু জনজাতিয়ে বাস কৰা খোৱা পানীৰ অভাৱ থকা চৃৱাত খোৱা পানীৰ ব্যৱস্থা কৰাৰ কথা ভৱা হৈছে।

বিষয় : অসম-মেঘালয় সীমাৰ দৈৰ্ঘ্য।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তয়ে সুধিছে :

৫৫১/ মাননীয় সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে।

(ক) অসম-মেঘালয় ৰাজ্যৰ সীমাৰ দৈৰ্ঘ্য কিমান।

(খ) ইয়াৰ কিমান অংশ চিহ্নত কৰা হ'ল আৰু কিমান কৰিবলৈ ৰাকী আছে।

(গ) বাকী থকা অংশ চিহ্নত কৰনৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব। এই ক্ষেত্ৰত কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শ্ৰীনগেন নেওঁগ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰায় ৭২৩ কিঃ মিঃ।

(খ) বৰ্ত্তমানলৈ ১৬৬ কি: মি: চিহ্নিত কৰা হ'ল আৰু ৫৫৭ কি: মি: কৰিবলৈ বাকী আছে।

(গ) বাকী থকা অংশৰ ১০০ কি: মি: চিহ্নিত কৰণৰ কাম বৰ্ত্তমান চলি আছে। এই খিনি সম্পুৰ্ণ হোৱাৰ পিচত বাকী ৪৫৭ কি: মি: চিহ্নত কৰণৰ বাবে দুয়োখন ৰাজ্য চৰকাৰ আৰু চিলংস্থ ভাৰতীয় জৰীপ বিভাগৰ উত্তৰ-পুৱ চক্রৰ মাজত আলোচনা কৰা হব।

বিষয়: বৰপেটা ভৱানীপুৰ ৰাস্তাৰ দলং।

শ্ৰীনিজামুদ্দিন খানে সুধিছে:

৫৫২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বৰপেটা- ভৱানীপুৰ (এয়া-কয়াকুছি) পি, ডব্লিউ, ডি ৰাস্তাত দলং কেইটা আছে আৰু উক্ত দলং সমূহৰ বেৰা (বেলিং) নথকা বা বাহেৰে দিয়া কথাটো সঁচানে?

(খ) যদি সঁচা, মেৰামতিৰ বাবে কিৰা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি?

(গ) যদি হোৱা নাই ব্যৱস্থা গ্ৰহণ কৰিব নে?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰীয়ে) উত্তৰ দিছে:

(ক) ৮ খন দলং আছে। হয়, আংশিক ভাৱে সঁচা।

(খ) ২ খন দলংৰ মেৰামতিৰ কাম সম্পূৰ্ণ কৰা হৈছে। আৱশ্যকীয় পুঁজি পালে বাকী দলং কেইখনৰো মেৰামতি কৰিব পৰা যাব।

(গ) প্ৰশ্ন নুঠে।

বিষয়: পলাশবাৰী সমষ্টিত পকীকৰণ পথ।

শ্ৰীযতীন মালীয়ে সুধিছে:

৫৫৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) পলাশবাৰী সমষ্টিত গড়কাপ্তানী পথ কিমানটা পকীকৰণৰ বাবে সিদ্ধান্ত লৈছে?

(খ) পকীকৰণৰ বাবে চলিত ১৯৯১-৯২ চনৰ বছৰত ক'ত ক'ত (কামৰূপ

জিলাৰ ভিতৰত ) কিমান টকা ৰিতৰণ কৰা হৈছে ?

শ্ৰীগোলোক ৰাজৰংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এই বিভাগে সমষ্টি ভিত্তিত পথ পকীকৰণৰ সিদ্ধান্ত নলয় ।

(খ) ১৯৯১-৯২ চনত কামৰূপ জিলাত পথ পকীকৰণৰ নামত আঁচনি গ্ৰহণ কৰিবলৈ তলত দিয়া ধৰণে টকা বিত্তৰণ কৰা হয় ।

১। গুৱাহাটী মহকুমাত ৫২,০০ লাখ টকাৰ আঁচনি ।

২। প্ৰাগজ্যোতিষপুৰ মহকুমাত ৩,১৬ লাখ টকাৰ আঁচনি ।

৩। ৰঙিয়া মহকুমাত ১১১,৬৮ লাখ টকাৰ আঁচনি ।

বিষয় : যোগাযোগের একমাত্র রাস্তা মেরামতি ।

শ্ৰীপ্ৰনব কুমার নাথ জিজ্ঞাসা করছেন :

৫৫৪। মাননীয় গড়কাপ্তানী ৰিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করি জানাবেন কি ?

(ক) কোনৰূপ রাস্তা নাথাকা ৰকুয়ালা গ্ৰাম পঞ্চায়ত এলকাৰ জনসাধাৰণেৰ করিমগঞ্জ শহরের সহিত যোগাযোগের একমাত্র রাস্তা কলংপুর ৰকয়ালা সড়কের মেরামত ও কিছু অংশ নুতন ভাবে তৈরী করার জন্য সরকার বৰ্ত্তমান অৰ্থবছরে টকা ৰৰান্দ করিবেন কি ?

(খ) ৰিগত অৰ্থ ৰছরে ৰাজার ঘাট গোলাল কান্দি সড়কেড় জন্য কত টাকা ৰরান্দ করা হয়েছিল এবং তাহা রাস্তা নিৰ্ম্মাণের কাজে ব্যয় করা হয় নাই কেন ?

(গ) বৰ্ত্তমান অৰ্থ ৰছরে উক্ত রাস্তা নিৰ্ম্মাণের কাজ করে পৰ্য্যন্ত শুৰু করা হবে ?

শ্ৰীগোলোক ৰাজৰংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) পলঙপুৰ ৰকুয়ালা নামৰ কোনো গড়কাপ্তানী ৰাস্তা নাই ।

(খ) ৰজাৰঘাট গোলাল কান্দি নামৰ কোনো গড়কাপ্তানী ৰাস্তা নাই । গতিকে ৰাস্তা নিৰ্মাণৰ ৰাৰদ টকা খৰছ কৰাৰ প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

বিষয় : কালাইগাওঁ সমষ্টিত চিকিৎসালয় ।

শ্ৰীজীউৰাম বড়োয়ে সুধিছে :

৫৫৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কালাইগাওঁ সমষ্টিৰ কালাইগাওঁ ভকতপাৰাত হ্বলগীয়া ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ নিৰ্ম্মাণকাৰ্য কেতিয়াকৈ আৰম্ভ কৰিব ?

(খ) এই চিকিৎসালয় দুটি নিৰ্ম্মাণৰ বাবে কিমান পৰিমানকৈ ধন মঞ্জুৰী কৰা হৈছে ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কালাইগাওঁত ৩০ খন বিচনাযুক্ত চিকিৎসালয় নিৰ্ম্মানৰ বাবে স্বাস্থ্য ও পৰিয়াল কল্যাণ (ক) বিভাগৰ পৰা প্ৰশাসনীয় অনুমোদন পোৱা নাই ।

ভকতপাৰাত স্থাপন কৰিব লগীয়া ৩০ খন বিচনাযুক্ত চিকিৎসালয় নিৰ্ম্মাণৰ বাবে প্ৰয়োজনীয় প্ৰাক্কলন প্ৰস্তুতিৰ কাম চলি আছে।

(খ) প্ৰশ্ন নুঠে ।

বিষয় : গড়কাপ্তানী ৰাস্তাৰ দৈৰ্ঘ্য ।

শ্ৰীদিলদাৰ ৰেজ্জায়ে সুধিছে :

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাৰ বাঘবৰ বিধান সভা সমষ্টিত পকী গড়কাপ্তানী ৰাস্তাৰ মুঠ দৈৰ্ঘ্য কিমান ?

(খ) ১৯৯২-৯৩ আৰ্থিক বছৰত চৰকাৰে বৰপেটা বাঘবৰ আৰু মন্দিয়া ছিড ফাৰ্ম এই দুটি গুৰুত্বপূৰ্ণ গড়কাপ্তানী ৰাস্তা পকী কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৪০০ মিটাৰ ।

(খ) ১৯৯২-৯৩ বিত্তীয় বছৰত এই ৰাস্তা দুটা পকীকৰণৰ বাবে পৰিকল্পনা শিতানৰ পুঁজি সাপেক্ষেহে বিবেচনা কৰিব পৰা যাব ।

Mr. Speaker : Now Short Notice Question No. 12. Honourable Member Shri Dhruba Kumar Sen. Honourable Minister P.W.D. is to reply.

## SHORT NOTICE QUESTIONS & ANSWERS

বিষয় ঃ তাকৰ্ষীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰীধ্ৰুব কুমাৰ সেন জিজ্ঞাসা করছেন ঃ

১২। মাননীয় গড়কাপ্তানী বিভাগর মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করি জানাবেন কি ?

(ক) ধুবুরী গৌরীপুর ( P.W.D. ) রাস্তার উন্নতি করার কোন সিদ্ধান্ত সরকার নিয়াছেন কি ?

(খ) যদি নাথাকে তাহাহইলে না পাওয়ার কারণ কি জানাবেন ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী গৌৰীপুৰ গড়কাপ্তানী ৰাস্তা উন্নীত কৰাৰ বাবে চৰকাৰৰ ফালৰ পৰা এতিয়ালৈ কোনো আচনি লোৱা হোৱা নাই।

(খ) পূ জিৰ ৰকেয়া কৰিব পৰা হোৱা নাই বাবে কামখিনি হাতত লব পৰা হোৱা নাই।

* শ্ৰীধ্ৰুৱ কুমার সেন : মাননীয় অধ্যক্ষ মহোদয়; ধুবুড়ী-গৌরীপুর রাস্তাটি হলো ধুবুড়ীর সঙ্গে আসামের অন্যান্য অঞ্চল এবং আসাম বেঙ্গল আন্তরাজ্যিক যোগাযোগের একমাত্র রাস্তা। এই রাস্তাটি ১৯৮৮ ইং র ভয়াবহ বন্যার ফলে অতি শোচনীয় অবস্থায় আছে। আজ স্বাধীনতার ৪০ বছর পরেও সরকার থেকে এই রাস্তার উন্নতির জন্য কোন চেষ্টা করা হয় নি। সুতরাং এই রাস্তা অতি শীঘ্রে উন্নত করে ধুবুড়ীর সঙ্গে অন্যান্য অঞ্চলের যোগাযোগ ব্যবস্থা স্থাপন করার চেষ্টা করা হবে কি ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই ৰাস্তাটো কিছু-দিনৰ আগতে বানপানীত ডুব গৈছিল। বানপানীয়ে ভঙা ঠাইবিলাক আমি মেৰামতি কৰিছিলো। কিন্তু যদি সেই ৰাস্তাতো আৰু ওখ কৰিব লাগে তেনেহলে আমাক দোৱেল ৰান্ধৰ কাৰণে ১২ লাখ টকা বন্ধাৰ এগুন আৰু পিটচিংৰ বাবে ৯০ লাখ টকা লাগিব। আৰু ক্ৰচ ড্ৰেইনেজৰ কাৰণে ৰেল ওৱেৰ লগত আলোচনা কৰি ব্যৱস্থা কৰিব লাগিব। যদি আমি ৰেলওৱেৰ ফালৰ পৰা অনুমতি নাপাও তেনেহলে আমাৰ অসুবিধা হব। কাৰণ ৰেল-লাইনটো ৰাস্তাটোৰ কাষতে আছে। আমি ৰেলওৱেৰ লগত যোগাযোগ কৰি

* Speech not corrected.

আছো। যোৱাবাৰ বানপানীত আমাৰ বিভাগৰ পৰা যিটো টকা খৰচ কৰা হল সেই টকা ৰেলৱেৰ ফালৰ পৰা আমাক দিয়া নাই। তাৰোপৰি গোটেই ৰাস্তাটো উন্নীত কৰাৰ বাবে যি টকা লাগিব সেই টকা আমাৰ হাতত নাই।

* শ্রীনগেন শৰ্ম্মা: অধ্যক্ষ মহোদয়, ধুবুৰী জিলা খনেৰে হেড কোৱাৰ্টাৰ। গতিকে ধুবুৰী গৌৰীপুৰ ৰাস্তাটোৰ ওপৰত বিশেষ ধৰণে গুৰুত্ব দি অনতিপলমে কাম আৰম্ভ কৰি জিলা হেড কোৱাৰ্টাৰটো ৰক্ষা কৰিবনে ?

* শ্রীগোলোক ৰাজবংশী (মন্ত্রী): অধ্যক্ষ মহোদয়, আমি নিৰ্মাণ কৰাৰ পিচত আপাতত সেইটো ভঙাৰ ভয় নাই।

* দেৱান জয়নাল আবেদিন: অধ্যক্ষ মহোদয়, ধুবুৰী হৈছে জিলাৰ সদৰ। ধুবুৰী গৌৰীপুৰ একমাত্র ৰাস্তাটো বহিজগতৰ লগত যোগাযোগৰ একমাত্র পথ। এই ৰাস্তাটো ১৯৮৮ চনতে দুই ঠাইত ভাঙিছিল। সেই ভঙা ঠাইত ৰেষ্টৰ কৰা হৈছে। যদি এই ৰাস্তাটো দোৱেল বান্ধ দি ষ্ট্রং কৰা নহয় তেনে-হলে এই বছৰৰ বানপানীত এই ৰাস্তাটো বিচিন্ন হৈ যাব। গতিকে এখন জিলাৰ সদৰৰ লগত যোগাযোগ ৰাখিবৰ কাৰণে ৰাস্তাটো উন্নীত কৰাৰ বাবে যি ১২ লাখ আৰু কিবাকিবি টকা খৰচ হব সেইটো একো ডাঙৰ কথা নহয়। এতিয়া প্রশ্ন হৈছে যে, এটা মাত্র ৰাস্তা কিয় থাকিব লাগে? গতিকে ধুবুৰীলৈ যোৱা গৌৰীপুৰ অথবা বিকল্প ৰাস্তাটোৰ কথা বহুদিনৰ পৰা চিন্তা কৰি থকা হৈছে। যদি সেই ৰাস্তাটো উন্নীত কৰিব পাৰে তেনেহলেও যোগা-যোগ বিচিন্ন নহয়। ১৯৮৮ চনৰ বানপানীত ধুবুৰী গৌৰীপুৰৰ ৰাস্তা ভঙাৰ ফলত ৩ মাহ জুৰি সেই ৰাস্তাৰে অতৰা হৈ গাড়ী চলাচল কৰি আছিল। গতিকে প্রশ্ন হৈছে ধুবুৰী গৌৰীপুৰ ৰাস্তা উন্নীত কৰাৰ লগতে এই বিকল্প ৰাস্তাটোৰ উন্নীত কৰাৰ ব্যৱস্থা কৰিবনে ?

* শ্রীগোলোক ৰাজবংশী (মন্ত্রী): অধ্যক্ষ মহোদয়, উন্নীত কৰাৰ মানসেৰে যিমান খৰচ কৰিব লাগিব কৈছো। বিকল্প ৰাষ্টাৰ কথা চিন্তা কৰা হোৱা নাই।

বিষয়: শিক্ষক পদোন্নতিত দুৰ্নীতিৰ অভিযোগ।

শ্রীনিজামুদ্দিন খানে সুধিছে:

১৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে:

* Speech not corrected.

(ক) যোৱা ১০ মাৰ্চৰ 'আজিৰ বাতৰিত' প্ৰকাশিত শিক্ষকৰ পদোন্নতিত দুৰ্নীতিৰ অভিযোগ শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে ?

(খ) যদি হৈছে, এই সম্পৰ্কৰ কিবা ব্যৱস্থা লৈছেনে ?

(গ) শিক্ষকৰ পদোন্নতি আৰু বদলি কৰণৰ কাৰণে কি ভিত্তি বা নিয়ম নীতি লোৱা হৈছে ?

(ঘ) যদি কোনো নিৰ্দিষ্ট নীতি বা ভিত্তি লোৱা হোৱা নাই এই সম্বন্ধে কিবা ব্যৱস্থা গ্ৰহণ কৰা হবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হৈছে ।

(খ) ৰাজ্যিক মিৰ্ব্বাচনী পৰিষদৰ পৰা অসমীয়া বিষয় শিক্ষক পদৰ বাবে নিৰ্ব্বাচিত হোৱাৰ পিচত শ্ৰীমতী ৰানু বৈশ্যাক ২২/৭/৮৭ তাৰিখৰ আদেশত জে, এন মেমৰিয়েল উচ্চতৰ মাধ্যামিক স্কুলত অসমীয়া বিষয় শিক্ষক ৰূপ নিযুক্তি দিয়া হৈছিল তেখেতে ২৯।৭।৮৭ তাৰিখে কামত যোগদান কৰিছিল ?

শ্ৰীমতী বৈশ্যাৰ অনুবোধ ক্ৰমে জে, এন মেমৰিয়েল উচ্চতৰ মাধ্যমিক স্কুলৰ পৰা বদলি কৰি গনেশ মন্দিৰ হাইস্কুলত স্নাতক শিক্ষক হিচাবে দিয়া হৈছিল ।

চলিত বছৰত গনেশ মন্দিৰ হাইস্কুলখন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নিত হয় । উক্ত স্কুলত তলত উল্লেখ কৰা শিক্ষক কেইজন অসমীয়া বিষয় শিক্ষকৰ বাবে অৰ্হতা সম্পান্ন ।

১। শ্ৰীহৰমোহণ বৈশ্য ... ... ........ ... .... কামত যোগদানৰ তাৰিখ ৩০।৮।৮২
(হিন্দী শিক্ষক)
(অসমীয়া আৰু হিন্দীত
স্নাতকোত্তৰ আৰু হিন্দী
বিষয়ত সন্মানিত)

২। শ্ৰীহিতেশ চন্দ্ৰ দাস........ ........ ........ কামত যোগদানৰ তাৰিখ ৩১।১।৮৫
(অসমীয়াৰ স্নাতকোত্তৰ
আৰু অসমীয়াত সন্মানিত)

৩। শ্ৰীমতী ৰাণু বৈশ্য........ ........ ........ কামত যোগদানৰ তাৰিখ ৪।৫।৯১

(অসমীয়াৰ স্নাতকোত্তৰ
আৰু অসমীয়াত সন্মানিত)

৪। শ্ৰীমতী লাবণ্য ডেকা ........ ........ ........ কামত যোগদানৰ তাৰিখ ৮।৫।৯১

(অসমীয়াত স্নাতকোত্তৰ
আৰু অসমীয়াত সন্মানিত)

শ্ৰীমতী বৈশ্য ৰাজ্যিক নিৰ্বাচন পৰিষদৰ পৰা নিৰ্বাচিত হোৱাত ১৯৮৭ চনত অসমীয়া বিষয় শিক্ষক ৰূপে নিযুক্তি পাইছিল বাবে শ্ৰীমতী বৈশ্যক বিষয় শিক্ষক ৰূপে গনেশ মন্দিৰ উচ্চতৰ মাধ্যমিক স্কুলত নিযুক্তি দিয়া হৈছে। ইয়াত কোনো স্বজন প্ৰীতিৰ কথা নুঠে।

(গ) উন্নিত আৰু বদলিকৰণ Assam Secondary Education (provincialised) Service Rules মতে কৰা হয় l

(ঘ) প্ৰশ্ন নুঠে।

* শ্ৰীনিজামুদ্দিন খান: অধ্যক্ষ মহোদয়, এই স্কুল খনত চাবজেক্ট টিচাৰ শ্ৰীমতী ৰানু বৈশ্যক পদোন্নতি দি বদলি কৰি অনা হৈছে। কিন্তু এই স্কুলে ১৯৮২ চনত এদ্‌হক গ্ৰাণ্ট পায় আৰু সেই সময়ৰ পৰা তাত কাম কৰি থকা শিক্ষক শ্ৰীহৰমোহন বৈশ্য, দহুল এম,এ ক পদোন্নতি নিদিয়াৰ কাৰণ কি? আৰু শ্ৰীমতী ৰানু বৈশ্যক কি ভিত্তিত পদোন্নতি দিয়া হল জনাবনে? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, বেলেগ স্কুলত কাম কৰি শিক্ষকক পদোন্নতি দি বদলি কৰি নানি সেই স্কুলতে নিজৰ যোগ্যতা অনুসৰি কাম কৰি থকা শিক্ষক সকলক পদোন্নতি দিয়াৰ ব্যৱস্থা কৰিবনে?

* ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই কথাটো মইও চাইছো। আগৰে পৰা যিবিলাক শিক্ষকে কাম কৰি আছিল তেওঁলোকক প্ৰমোচন দিব লাগিছিল। কিন্তু ৰূলমতে বদলি কৰি অনাতো কোনো বাধা নাই। যিবিলাক হাইয়াৰ চেকেণ্ডাৰী স্কুল লোৱা হৈছে সেইবিলাকত পষ্ট বিলাক প্ৰমোচন দি আপগ্ৰেদ কৰিব লাগে।

* শ্ৰীনিজামুদ্দিন খান: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আশ্বাস দিবনে যে, যিবিলাক শিক্ষকে ইতিমধ্যে কাম কৰি আছে আৰু ৰিকুইজিট

---

* Speech not corrected.

কোৱালিফিকেচন আছে তেওঁলোকক সোনকালে পদোন্নতি দিয়াৰ ব্যৱস্থা কৰিবনে?

* ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, ষ্টেট চিলেকচন বৰ্ডক কোৱা হৈছে যে, যিবিলাক অহৰ্তা সম্পন্ন শিক্ষকে কাম কৰি আছে তেওঁলোকৰ ক্ষেত্ৰত বিবেচনা কৰিব লাগে।

* শ্ৰীনিজামুদ্দিন খান : অধ্যক্ষ মহোদয়, কিছুমান শিক্ষকে বদলি হবলৈ বিচাৰিলেও বদলি নকৰে। কিন্তু এখন এম, ই, স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী শ্ৰীমতী অনিমা দেৱনাথক হঠাতে কিয় বদলি কৰা হল ? ইয়াত কিবা স্বজন প্ৰীতি বা পলিটিকেল গ্ৰাউন্দ আছেনেকি জনাবনে ?

* ডাঃ ভূমিধৰ বৰ্ম্মণ ঃ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই কেচটোৰ কাগজ পত্ৰ বিলাক মই ভালকৈ চাইছো। যিবিলাকে কাম কৰি আছে সেইবিলাকক বঞ্চিত কৰাটো উচিত নহয়। কিন্তু এই ক্ষেত্ৰত দেখা গল যে, মানুহ গৰাকীৰ গিৰিয়েকৰ বৰ টান অসুখ আৰু তেখেত গুৱাহাটীতে থাকে। গিৰিয়েকৰ অসুখৰ বাবে শ্ৰীমতী দেৱনাথে বদলি কৰি অনাৰ বাবে দৰ্খাস্ত দিছিল আৰু বিভাগে মহিলা গৰাকীক বদলি কৰি আনিলে।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, আমি শিক্ষা বিভাগৰ শিতানত এই বিভাগটোৰ বিষয়ে যথেষ্ট আলোচনা কৰিছিলো। আজি শিক্ষা মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে এইটো কৰিব লাগে, সেইটো হব লাগে ইয়াৰ পৰাই বুজা যায় যে এই বিষয়টোৰ ক্ষেত্ৰত শিক্ষা বিভাগৰ কোনো স্পষ্ট নীতি নাই। এইটো ভাল কথা হোৱা নাই। চাৰ্ভিচ ৰুলচ মতেই এখন হাইস্কুল যেতিয়া হায়াৰ চেকেণ্ডাৰীলৈ উন্নীত কৰা হয় তেতিয়া তাত যদি এম, এ, এম, এচ চি পাছ কৰি গ্ৰেজুৱেট স্কেলত কাম কৰি থকা শিক্ষক থাকে তেন্তে তেওঁলোকক চাবজেক্ট টিচাৰলৈ আপগ্ৰেড কৰিব লাগে। কিন্তু এইটো সঠিক ভাৱে কৰা হোৱা নাই। আনহাতে ৰাজনৈতিক গ্ৰাউণ্ডত আজি শিক্ষক সকলক বদলি কৰা হৈছে। কমলপুৰ হায়াৰ চেকেণ্ডাৰীতো চলিত চাৰ্ভিচ ৰুলচ ব্ৰেক কৰি অন্য ঠাইৰ শিক্ষক আনি দিয়া হৈছে। এতিয়া মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে চাৰ্ভিচ ৰুলচ মতে, বিভাগীয় নীতি নীয়ম মতে, পদোন্নতিৰ ব্যৱস্থা বাহাল ৰাখিব নে এইটো বন্ধ কৰিব ?

* ডাঃ ভূমিধৰ বৰ্ম্মন (শিক্ষা মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি

---
* Speech not corrected.

ৰিভাগৰ যি নীতি আছে তাকেই বাহাল ৰাখিছো। ক'ৰবাত ২-১ টা গণ্ড-গোল হব পাৰে।

* শ্ৰীঅতুল বৰা: মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে আজি এটা কথা কৈছে যে এক্সপেৰিয়েঞ্চৰ ভিত্তিত নিযুক্তি দিয়া হয়। আজি আমি কিন্তু দেখিবলৈ পাইছো যে এল, পি স্কুলৰ পৰা আৰম্ভ কৰি হায়াৰচেকেণ্ডাৰী স্কুললৈকে সকলো ক্ষেত্ৰতে এই নীতি মনা হোৱা নাই। মোৰ সমষ্টিৰ ২ নং হেঙেৰাবাৰী এল, পি, স্কুলত দাবীদাৰ গৰাকীক শিক্ষক নিযুক্তি নিদি অন্য এগৰাকী শ্ৰীদেবী চৰণ বৰুৱাক নিযুক্তি দিছে, অথচ তাত আগৰে পৰা এজনে কাম কৰি আছিল। অৱশেষে স্থানীয় ৰাইজে তেওঁক তাত জইন কৰিবলৈ নিদিয়াত উক্ত শিক্ষকক নুনমাটিলৈ বদলি কৰি নিয়া হয়। খানাপাৰা নিম্ন বুনিয়াদী বিদ্যালয়তো দাবীদাৰ গৰাকীক নিযুক্তি দিয়া নাই, অথচ উক্ত দাবীদাৰ গৰাকীৰ দেউতাকে এই স্কুলখনৰ কাৰণে মাটি দান কৰিছিল। এতিয়া অসমীয়া ভাষা ভালকৈ কব নজনা এজনক তাত নিযুক্তি দিয়া হৈছে। মোৰ সমষ্টিৰ সিজুবাৰী আৰু পানী খাইটি স্কুলতো গণ্ডগোল হৈছে শিক্ষক নিযুক্তিলৈ। আনকি এই চৰকাৰৰ দিনত এনে ঘটনাও ঘটিছে যে এটা পৰিয়ালৰ ককায়েক ভায়েক, ভনীয়েক আদি কৰি ৫ জনক নিযুক্তি দিছে শিক্ষক হিচাবে। তাৰে এগৰাকীক ২নং হেঙেৰাবাৰীত জইন কৰিবলৈ দিয়া হোৱা নাই কিন্তু তেওঁ ৰাইজক প্ৰলোভন দেখুৱাইছে, টকা পইচাৰ লোভ দেখুৱাইছে আৰু কথাটো মনে মনে ৰাখিবলৈ কৈছে। আজিৰ চৰকাৰে এল, পি স্কুলত শিক্ষক নিযুক্তি আৰু বদলিৰ যি প্ৰথা গ্ৰহণ কৰিছে সেইটো ঠিক হোৱা নাই। দাবীদাৰৰ দাবীক আওকান কৰি চৰকাৰে অন্য ঠাইৰ পৰা শিক্ষক আনি নিযুক্তি বা বদলি কৰাটো ঠিক কথা হোৱা নাই। শিক্ষক জনে জইন নকৰিলে পদটো আন ঠাইলৈ গুচি যাব বুলি ভয় দেখুওৱা হৈছে। গতিকে ৰাইজে পদটো যোৱাৰ ভয়ত বৰকৈ আপত্তিও কৰিবলৈ ভয় কৰিছে।

মাননীয় অধ্যক্ষ: শ্ৰীবৰা আপোনাৰ প্ৰশ্ন কি?

* শ্ৰীঅতুল বৰা: মাননীয় অধ্যক্ষ মহোদয়, আজি শিক্ষা বিভাগত নিযুক্তিৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতি হৈছে, ব্যতিক্ৰম হৈছে, মন্ত্ৰী মহোদয়ে ইয়াৰ ব্যৱস্থা লব লাগে।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা: অধ্যক্ষ মহোদয়, এই খিনিতে ময়ো এটা

* Speech not corrected.

কথা কব খুজিছো আজি শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ৰাজনৈতিক লাভালাভ আৰু ধনৰ নীতি লৈছে। আজি গুৱাহাটীৰ কেবাখনো হায়াৰ চেকেণ্ডাৰী স্কুলত এম এ এম, এচ, চি, পাছ কৰা কোৱালিফাইড শিক্ষক থকা স্বত্বেও তেওঁলোকক নিযুক্তি নিদি বাহিৰৰ পৰা নিযুক্তি দিছে। অথচ সেই শিক্ষক সকলে সেইখন স্কুলতে গ্ৰেজুৱেট স্কেলত চাকৰি কৰি আছিল আৰু আছেও। কিন্তু তেওঁলোকক চাবজেক্ট টিচাৰ হিচাবে নিযুক্তি দিব লাগে যদিও দিয়া হোৱা নাই। চৰকাৰে চাৰ্ভিচ ৰুলত এই নীতি নিয়ম থকা স্বত্বেও পালন নকৰাৰ কাৰণ কি মন্ত্ৰী মহোদয়ে জনাবনে? ৰুল ব্ৰেক কৰাৰ কাৰণ কি?

* ডাঃ ভূমিধৰ বৰ্মণ (শিক্ষামন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য সকলে এই বিষয়টোৰ ওপৰত যি উদ্বিগ্ন প্ৰকাশ কৰিছে তাক মই অতি গুৰুত্ব সহকাৰে লৈছো। শ্ৰীদেৱা ডাঙৰীয়াই এটা পৰিয়ালৰ ৫ জনে চাকৰি পোৱাৰ যি অভিযোগ আনিছে তাৰ ওপৰত মই ব্যৱস্থা লম। মই প্ৰতিশ্ৰুতি দিছো। ২ নং কথা হৈছে যিবোৰ বা যিখন হাইস্কুল আপগ্ৰেড কৰা হয় তাত যদি উপযুক্ত এম, এ, এম, এচ, চি পাচ কৰা শিক্ষক থাকে, তেন্তে তেওঁলোকক আপগ্ৰেড কৰিব লাগে, এইটো চৰকাৰৰ নীতি।

(ভয়েচ ঃ এই নীতি লিখিত নে অলিখিত, বিভাগে মানে নে নেমানে ?) লিখিত নিৰ্দেশ আছে। এই ক্ষেত্ৰত দুই এটা কেচ কেতিয়াবা হিউমেনটেৰিয়াম গ্ৰাউণ্ডত বিবেচনা কৰা হয়। যেনেকৈ গিৰিয়েকৰ টান বেমাৰ হোৱাৰ কাৰণে মানবতাৰ খাতিৰত এইটো কৰা হৈছে। বাকীবোৰৰ ক্ষেত্ৰত এনে কৰা হোৱা নাই।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মোক এক মিনিট দিয়ক মই এটা কথা সোধো শিক্ষামন্ত্ৰী মহোদয়ক মই এটা অভিযোগ দিব খুজিছো কিন্তু শিক্ষামন্ত্ৰীয়ে সেইটো একেবাৰেই মিছাকথা বুলি উত্তৰ দিব কিন্তু এইটো একেবাৰে সত্য কথা। কথাটো হৈছে নলবাৰী জিলাৰ যি কেইটা সমষ্টিৰ পৰা বিৰোধী দলৰ প্ৰাৰ্থী নিৰ্ব্বাচনত জয়ী হৈ আহিছে সেই সমষ্টিবোৰৰ এল, পি, স্কুলৰ শিক্ষক সকলক ৩০-৪০-৫০ মাইল দূৰৈৰ স্কুললৈ বদলি কৰা হৈছে। এই কথাটো শিক্ষামন্ত্ৰী মহোদয়ে জানেনে? এজন এল, পি স্কুলৰ শিক্ষকক

---

* Speech not corrected.

৪০ মাইল দূৰলৈ বদলি কৰাটো ইনহিউমেন কাম নহয়নে ?

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, শিক্ষকৰ চাকৰি জিলা-খনৰ ভিতৰতে ট্ৰেন্সফাৰেবোল। অবাৰত বা এজন ভাল শিক্ষকক দূৰলৈ বদলি কৰাটো উচিত নহয়।

বিষয় : উপ-পৰিদৰ্শকৰ কাৰ্য্যালয়ৰ সংখ্যা।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

১৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত বৰ্ত্তমান উপ-পৰিদৰ্শকৰ কাৰ্য্যালয়ৰ মুঠ সংখ্যা কিমান ?

(খ) প্ৰস্তাৱিত উপ-পৰিদৰ্শকৰ কাৰ্য্যালয়ৰ সংখ্যা কিমান ?

(গ) নিয়মীয়া উপ-পৰিদৰ্শকৰ সংখ্যা কিমান ?

(ঘ) কিমান কাৰ্য্যালয়ত নিয়মীয়া উপ-পৰিদৰ্শক নাই ?

(ঙ) এইবোৰত নিয়মীয়াকৈ পদোন্নতিৰ সৈতে উপ-পৰিদৰ্শকৰ পদ সমূহ কেতিয়া পূৰণ কৰা হব ?

(চ) পদোন্নতিৰ শেষসীমা দিয়া যায় নেকি ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৩৫ খন।

(খ) ৮ খন।

(গ) ১০ জন।

(ঘ) ২৫ খন।

(ঙ) এই বিষয়ে শীঘ্ৰে ব্যৱস্থা লোৱাৰ কথা ভৱা হৈছে।

(চ) দিব পৰা নেযায়। সোনকালে দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, মই জনাত এই বিভাগ-টোত বহুতো পৰিদৰ্শক আৰু উপ-পৰিদৰ্শকৰ বহুদিন ধৰি পদোন্নতি আৰু নিয়োগ হোৱা নাই। সেয়ে বহুতো খেলি-মেলিৰ সৃষ্টি হৈছে। ইতিমধ্যে ২৫ টা কাৰ্য্যালয় উপ-পৰিদৰ্শক নাই। সেইবাবে চৰকাৰে অতি সোনকালে চৰকাৰে ব্যৱস্থা হাতত লবনে ?

* শ্ৰীভূমিধৰ বৰ্মণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য এগৰাকীৰ সমানেই আমিও উদ্বিগ্ন। অতি সোনকালে আমি এই বিষয়ে ব্যৱস্থা কৰি

* Speech not corrected.

আছোঁ। বহু পদ খালি আছে আমি সেইবাৰে পূৰণ কৰিবলৈ হেচা দি আছো। সেইবিলাক অতি সোনকালে দিবলৈ কোৱা হৈছে। কিন্তু চাৰ্ভিচ ৰুকৰ কথা আছে আমি এখন কমিটি কৰি দিছোঁ। তেওঁলোকে বিবেচনা কৰি আছে। অলপ পলম হলেও খুব সোনকালে কৰাৰ নিৰ্দ্দেশ আমি দিছো।

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, উপ-পৰিদৰ্শক নথকাৰ কাৰণে আমাৰ অসমৰ স্কুলৰ যি ব্যৱস্থা তাৰ খেলি-মেলি হৈছে। অসমৰ প্ৰাইমাৰি আৰু এম-ই স্কুল বিলাক নিয়মীয়া নহয়। গতিকে অতি সোনকালে দি আই নিয়োগ কৰিব লাগে। যাতে তেওঁলোকে পৰিদৰ্শন কৰি, শিক্ষাৰ যিটো খেলি-মেলি চলি আছে সেইটো কিছু উপশম হব। যিহেতুকে শিক্ষাৰ খেলি-মেলি চলি থকাৰ বাবেই কণ-কণ লৰা ছোৱালী বিলাক ব্যাহত হৈছে। সেয়ে টেকনিকেল কথাবোৰ বাদ দি অসমৰ ভবিষ্যতৰ কাৰণে সোনকালে পৰিদৰ্শক আৰু উপ-পৰিদৰ্শক স্কুল বিলাক পৰিদৰ্শন কৰা ব্যৱস্থা কৰিব লাগে।

* শ্ৰীভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মাহাদয়, মই আগতেই কৈছোঁ যে এই বিষয়ত মই নিজেও সমানেই উদ্বিগ্ন। উপ-পৰিদৰ্শক নিয়োগ কৰিবলৈ হলে আগতে প্ৰমোচন দি লব লাগিব। সেই পদবিলাক খালি হলে আমি নিৰ্দেশ দিছো, সোনকালে দিয়াৰ বাবে।

* শ্ৰীবদন চন্দ্ৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিছাৰিছো যে এতিয়া উপ-পৰিদৰ্শকৰ কাৰ্য্যালয়ৰ মুঠ ৩৫ খন আছে, কিমান খন কাৰ্য্যালয় ভাৰা ঘৰত আৰু কিমান খন কাৰ্য্যালয় চৰকাৰী ঘৰত আছে।

* শ্ৰীভূমিধৰ বৰ্ম্মণ (মন্ত্ৰ) : সেইটো হিচাব মোৰ ইয়াত নাই ?

* ফণীভূষন চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, প্ৰস্তাৱিত উপ-পৰিদৰ্শকৰ কাৰ্য্যালয় আঠখন বুলি কৈছে। এতিয়া ক'ত খোলা হব আৰু নাম কি দিয়া হৈছে আৰু কেতিয়া এপইনমেণ্ট বিলাক হব ?

* শ্ৰীভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, নতুনকৈ যিবিলাক মহকুমা হৈছে সেইবিলাক ঠাইত কৰাৰ কাৰণে প্ৰচেষ্টা আৰম্ভ কৰা হব।

Shri Parameswar Brahma : Sir, we have three mediums in Assam. Now I want to know uptil now how many S.I.

* Speech not corrected.

of Schools from Bodo medium have been appointed ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, এইটো প্ৰশ্ন বেলেগ হব ?

*শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰীঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীব্ৰহ্ম ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব লাগে, কাৰণ এইটো এটা বেলেগ প্ৰশ্ন নহয়। আগৰ প্ৰশ্নৰ লগত সামঞ্জস্য থকাই প্ৰশ্ন। বড়ো সকলক ভালপাওঁ বুলি কয় কিন্তু মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰ হলে দিব নোখোজে। যিহেতুকে উপ-পৰিদৰ্শক আৰু পৰিদৰ্শক নিয়োগ কৰা হৈছে তাৰ ভিতৰত কিমান বড়ো সংখ্যা আছে মন্ত্ৰী মহোদয়ে জনাব লাগে।

* Shri Mission Ranjan Das : Sir, in the meantime Government have advertised for Higher Secondary School Subject Teachers and many candidates have applied for the same. Now whether the Government will issue appointments to them after taking interview.

*ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো কৰিবলৈ গলে স্কুল বিলাকে চাফাৰ কৰিব।

* Shri Mission Ranjan Das : Sir, Whether the Government will prevent adhoc appointments and whether Government will take interview first and then appoint the prospective candidates ?

Mr. Speaker : Now Honourable Minister will answer to the question of Shri Parameswar Brahma.

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বড়ো ডি, আইৰ কথাটো চাম।

* Shri Chandra Mohan Patowary : Mr. Speaker Sir, Appointment is a general matter and whether the question asked by Shri Parameswar Brahma will be answered by the Minister. The question was how many Bodo S.I.s have so far been appointed by the Government ? So the Minister should answer to the House so and so numbers have been appointed and so and so numbers are tribal people.

* Speech not corrected.

* ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, এইটো এটা বেলেগ প্ৰশ্ন হব।

(noise in the House : many Honourable Members stood up and talked at the same time).

* Shri Chandra Mohan Patowary : Sir, why the Minister does not know the process of appointment of S. I. of Schools and how many appointments have been made by the S.C., S.T. S.T.P. and S.T. (Hills) ? Moreover there is a question of maintaining roster also. Why the Minister is not in a position to answer this question ? That is a rule by the Constitution of India ? Why the Minister is hiding the facts ?

* Shri Sashakamal Handique : As the Minister has got no list today whether he will submit the same to the House tomorrow ?

* ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, বড়ো এচ, আই নাম্বাৰটো বৰ্ত্তমান মোৰ হাতত নাই। কিন্তু আমি সদায় মেইনটেইন কৰো।

মাননীয় অধ্যক্ষঃ আপুনি কালি দিব পাৰিবনে ?

* ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, কালি দিব পাৰিম।

বিষয়ঃ চিমেণ্ট চুৰি।

শ্ৰীজীউৰাম বড়োৱে সুধিছে .

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

১৫। মঙ্গলদৈ টংলা এম-বি গড়কাপ্তানী পথৰ নোৱা নদীৰ ওপৰত আৰ-চি-চি দলং নিৰ্ম্মাণ কৰি থকা অৱস্থাত চিমেণ্ট আৰু ৰ'ড চুৰি হোৱা সঁচা নেকি ?

(খ) যদি সঁচা এই সংক্ৰান্তত কাক কাক গ্ৰেপ্তাৰ কৰা হ'ল ? তেওঁলোকৰ নাম ও ঠিকনা জনাবনে ?

(গ) ঘটনাৰ পিছত কোনো লোকৰ হেচাঁত এজনক মুক্তি দিয়া কথা সঁচানে ?

* Speech not corrected.

শ্ৰীগোলোক ৰাজবংশী, (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) সঁচা নহয় ।

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) : (ক) এই বিভাগৰ জিম্মাৰ পৰা এনে ধৰণৰ কোনো বস্তু চুৰি হোৱা নাই । অৱশ্যে সংশ্লিষ্ট ঠিকাদাৰ জনৰ ভড়ালৰ পৰা এনে কিছু বস্তু চুৰি হোৱা বুলি জনা গৈছে ।

(খ) আৰু (গ) উত্তৰ লিখিত মতে পঢ়ি দিয়ে)

* শ্ৰীজীউৰাম বড়ো : অধ্যক্ষ মহোদয়, এই ৰাস্তাটো অতি গুৰুত্বপূৰ্ণ দলং থনৰ কাৰণেহে । টংলা ৰেল ষ্টেচনলৈ যোৱা এই একমাত্ৰ পথটো অতি গুৰুত্বপূৰ্ণ। এনে ক্ষেত্ৰত ঠিকাদাৰৰ ভড়ালৰ পৰা বস্তু চুৰি হোৱাতো অতিশয় দুৰ্ভাগ্য-জনক কথা বুলি ভাবিছো । পুলিচ থানাখনৰ নিচেই ওচৰতে থকা ঠিকাদাৰৰ বস্তু চুৰি হোৱাতো বিশেষকৈ ৰদ আৰু চিমেণ্ট চুৰি হোৱা ক্ষেত্ৰত বিভাগে কি কৰিছে জনাব লাগে কিয়নো ৰাস্তা নিৰ্মাণ কৰিবলৈ লোৱা সেই ঠিকাদাৰবা কোম্পানীটোক চৰকাৰে ৰক্ষণাবেক্ষণ দিয়াৰ দায়িত্ব নাই নেকি ? এই ক্ষেত্ৰত দলীয় উচ্চ লোকৰ হেচা জড়িত আছে বুলি আমি জানিব পাৰিছো সেই কাৰণে পুলিচে একো কৰিব পৰা নাই বুলি জানিব পাৰিছো । এই কথা বিলাক সঁচানে মন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) : এই দলংখন কলিতা কন-ষ্ট্ৰাকশন কোম্পানীক নিৰ্ম্মাণ কৰিবলৈ দিয়া হৈছে । গড়কাপ্তানী বিভাগৰ নিয়ম অনুসৰি ৰদ চিমেণ্ট আদি মেটেৰিয়েলচ্ দিয়া হৈছে । আৰু যাক নিৰ্ম্মাণ কৰিবলৈ দিয়া হয় তেওঁহে এই চুৰিৰ কাৰণে জগৰীয়া হব । কিয়নো আমাৰ বিভাগৰ পৰা দিয়া বস্তু চুৰি হলে তাৰ কাৰণে আইন অনুসৰি আমাৰ বস্তুৰ দুগুণ মূল্য নিৰূপন কৰি বিলৰ পৰা কাটি লোৱাৰ ব্যৱস্থা আছে । গতিকে বস্তু চুৰি হলে পুলিচত দিয়া নিদিয়া আমাৰ লুকআউট নহয় । আমি কাটি ৰখা মূল্যৰ এগুণ আমাৰ বিভাগ আৰু এগুণ ৰাজহ বিভাগলৈ যাব ।

* শ্ৰীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, দেখা গৈছে যে চৰকাৰী ভাবে যোগান ধৰা বস্তু চুৰি হৈছে । ইয়াৰ ফলত যি হাৰত দলংওৰ কাম কৰিব

* Speech not corrected.

লাগিছিল সেই হাৰত বস্তু নিদিব বস্তুৰ চৰ্টেজৰ কাৰণে। সেই দিশৰ পৰা ব্যৱস্থা লবনে ? চিমেণ্ট ৰদ নিদিয়াকৈ কাম কৰিলে কাম কেতিয়াও ঠিক নহব। সেই কাৰণে এই ক্ষেত্ৰত বিভাগীয় ভিজিলেন্স ৰাখিবনে ?

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) : অধ্যক্ষ মহোদয়, দলং নিৰ্ম্মাণৰ পিচত আৱশ্যকীয় গুণা-গুণ চাইহে টেষ্ট কৰি বিল দিয়াৰ ব্যৱস্থা আছে।

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, কথাটো অলপ গুৰুত্বপুৰ্ণ। আমাৰ মুখ্যমন্ত্ৰী আজি নাই। থাকিলে ভাল হ'লহেতেন। তথাপিও ডেপুটি লীডাৰ আছে যেতিয়া কব বিচাৰিছো যে এই দলং নিৰ্মানৰ কাৰণে দিয়া ৰদ চিমেণ্ট আদি চুৰি কাৰ্য্যত পুলিচ বিভাগেও যোগদান কৰিছে। ছিপাঝাৰৰ প্ৰাগবচিমীৰ ক্ষেত্ৰত দেখা গৈছে এশ বা পঞ্চাশ জন লোক আহি ধমকি দি বস্তু লৈ গৈছে। তাৰ পিচত পুলিচ প্লাটুন দিয়াৰ কাৰণে জনোৱাৰ পিচত এতিয়া পুলিচ প্লাটুন দিয়া হৈছে। উৰ্দ্ধতম বিষয়াইও স্বীকাৰ কৰিছে যে কম মানুহ থাকিলে বহু লোক আহি ধমকি দি বস্তু লৈ যায়। গতিকে মন্ত্ৰী মহোদয়ে গৃহ বিভাগৰ লগত যোগা-যোগ কৰি এই ক্ষেত্ৰত পহৰাৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সেই বিষয়ত বস্তু যাতে অনিষ্ট নহয় তাৰ কাৰণে দৃষ্টি ৰখা হয়। অকল পুলিচ বিষয়াই একো কৰিব নোৱাৰে। সেই কাৰণে আমি পুলিচৰ বিষয়ে এই বিষয়ত একো কব নোৱাৰো।

* শ্ৰীজয়নাথ শৰ্ম্মা : মঙ্গলদৈ জিলাত কিমান চুৰি কাৰ্য্য হৈছে সেই বিলাকত পুলিচৰ লগত যোগাযোগ আছে যেন দেখা গৈছে। এতিয়া গড়কাপ্তানী মন্ত্ৰীৰ পুলিচ মন্ত্ৰীৰ লগত কোনো যোগাযোগ নাই নেকি। নে মুখ্যমন্ত্ৰীৰ লগত মাতবোল নাই জানিব বিচাৰিছো।

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী) : অধ্যক্ষ মহোদয়, চুৰি অকল দলং নিৰ্ম্মাণৰ কাৰণে ৰখা বস্তুয়েই নহয়, দলঙৰ তলৰ পৰা পজ আদিও খুলি নি বিক্ৰী কৰিছে। তাৰ ফলত দলং দুৰ্ব্বল হয় আৰু আনকি গাড়ী মটৰ গলে দুৰ্ঘটনাও হব পাৰে। পুলিচত দিলেও একো চোৱা চিতা নকৰে।

(পুলিচে চুৰি কৰে : ভইচ : )

* Speech not corrected.

আজ্জি কালি চুৰ ক'ত নাই। পুলিচে চোৰক ধৰিলেও ওলোটাই চুৰে পুলিচকহে ধমকি দিয়ে। এই অৱস্থা হৈছে।

* শ্ৰীনগেন শৰ্ম্মা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে যে চোৰে পুলিচক ধমকি দিয়ে। গতিকে মন্ত্ৰী মহোদয়ে চোৰৰ ওপৰত চাৰেওৱাৰ কৰিছে নেকি জনাব লাগে।

* শ্ৰীগোলক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) পুলিচ ফোৰ্চ শক্তিশালী কৰাৰ কাৰণে ব্যৱস্থা লৈছে।

* শ্ৰীবুবুল দাস : সৰিয়হৰ ভুলিত ভূত ওলালে কোনে খেদিব চাৰ ?

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) : এইটো ব্যৱস্থা লব লাগিব।

বিষয় : তাৰকাঁচিহ্নিত নোহোৱা প্ৰশ্ন।

বিষয় : তাৰকাঁয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

১৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) এইয়া সঁচানে কুকিলাবাৰী বীজ পামৰ সঞ্চালকজনে স্বকীয় পামৰ উৎপাদন বৃদ্ধি নকৰি বজাৰৰ পৰা শষ্য গছ পুলি আদি কিনি লৈ কৃষি বিভাগৰ বীজ হিচাবে যোগান ধৰি আছে ?

(খ) যদি সঁচা হয়, অসমত অসম বীজ নিগমৰ দৰে প্ৰতিষ্ঠান এটা থকা স্বত্বেও সামন্তৰাল প্ৰতিষ্ঠান হিচাবে গহিত কাম কৰি উক্ত পামে স্থানীয় প্ৰতিষ্ঠানটোৰ যথেষ্ট ক্ষতিসাধন কৰি আছে বুলি বিবেচনা কৰা হবনে ?

(গ) এনে গৰ্হিত কামৰ বিষয়ে চৰকাৰে অবগত হৈছে নে ?

(ঘ) এই ক্ষেত্ৰত এনে গৰ্হিত কাম বন্ধ কৰাৰ বাবে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰা হবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা নহয়।

(খ)
(গ) } প্ৰশ্ন নুঠে।
(ঘ)

* Speech not corrected.

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় মন্ত্ৰী মহোদয়াই গোটেই খিনি নাকচ কৰি দিছে। সঁচা নহয় বুলি কলেও আমি জানো যে কৰিলাবাৰী বীজ পামৰ নিগমৰ সঞ্চালকজনে বজাৰৰ পৰা বীজ কিনি আনি যোগান ধৰে। ককিলাবাৰীৰ কাৰণেই অসম বীজ পাম নিগম বিলাকে লোকচান ভৰিবলগীয়া হৈছে। মন্ত্ৰী মহোদয়াই সঁচা নহয় বুলি কৈছে কিন্তু অসম বীজ নিগমে যোগান নধৰি ককিলাবাৰীয়ে কিয় যোগান ধৰিব লগীয়া হৈছে ?

ককিলাবাৰী বীজপাম কোনে পৰিচালনা কৰে আৰু অসম বীজ পাম কোনে পৰিচালনা কৰে জনাবনে ?

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়া, ককিলাবাৰী বীজ নিগম ভাৰত চৰকাৰৰ অধীনস্থ পাম। এই কাৰণে এই বীজ নিগমে নিজৰ নিয়ম অনুসৰি পৰিচালিত হয়। তেওঁলোকে উৎপাদন কৰা বীজৰ বিক্ৰীৰ দায়িত্বও তেওঁলোকৰে। অৱশ্যে বীজ পাম খন অসমত অৱস্থিত হোৱা কাৰণে অসম চৰকাৰৰ কৃষি বিভাগক বীজৰ যোগান ধৰে। চাহিদা অনুসৰি তেওঁ-লোকৰ বীজ পামত যথেষ্ট নহয় কাৰণে তেওঁলোকৰ নিজৰ নিগমৰ বাহিৰেও অন্যান্য বীজ নিগম পামৰ পৰা আমদানী কৰি যোগান ধৰে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কৃষি মন্ত্ৰী মহোদয়াই যিটো উত্তৰ দিছে তাত আমি জিৰো জিৰো জিৰো শতকৰা ভাগো আনকি শতকৰা ১ ভাগো সন্তুষ্ট হোৱা নাই। অসম চৰকাৰে হাজাৰ হাজাৰ বিঘা মাটি ককিলাবাৰী ফাৰ্মক দিছে আৰু তাত এটা ডাঙৰ কেলেংকাৰী জৰিত আছে কাৰণ এই ফাৰ্মখনত কোনো কাম বন নাই বজাৰৰ পৰা বীজ কিনি আনি অসম চৰকাৰক এই ককিলাবাৰী ফাৰ্মে বিক্ৰী কৰে। এই ফাৰ্মখনে জালিয়াতিৰ কাৰবাৰ কৰি আছে। কৃষি মন্ত্ৰী মহোদয়াই ভাৰত চৰকাৰৰ লগত এই বিষয়টো টেকআপ নকৰে কিয় ? আৰু দ্বিতীয় কথা হ'ল এই ককিলাবাৰী ফাৰ্মখনক বাদ দি অসমৰ যি ৫২ খন ফাৰ্ম আছে তাত কিমানখিনি বীজ উৎপাদন হয় এই দুয়োটা পোনপটীয়া প্ৰশ্নৰ মন্ত্ৰী মহোদয়াই উত্তৰ দিবনে ?

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি মন্ত্ৰী) : অধ্যক্ষ মহোদয়,

---

* Speech not corrected.

মাননীয় সদস্যসকলে কৈছে যে বজাৰৰ পৰা বীজ কিনি আনি যোগান ধৰিছে যদি তেখেতসকলে জানে তেনেহলে অমুকৰ পৰা ইমান অমুক বীজ কিনি আনিছে বুলি তথ্য দিব পাৰে সেই তথ্যৰ ভিত্তিত আমি নিশ্চয় কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব পাৰিম কিন্তু এতিয়ালৈকে তেনে খবৰ আমাৰ হাতত নাই। ককিলাবাৰী ফাৰ্মখন ভালকৈ চলি আছে বুলিয়ে আমাৰ খবৰ আছে ফাৰ্মখন অৱশ্যে চাব যাব পৰা নাই ৰমজান মাহ চলি আছিল, এতিয়া নিশ্চয় যাম। সেই অঞ্চলৰ বিধান সভাৰ যি সদস্য আছে তেখেতসকলৰ লগত আলোচনা কৰিছো ফাৰ্মখন ভাল চলিয়ে আছে বুলি কৈছে। তেনে কোনো অভিযোগ পোৱা নাই। ভাৰত চৰকাৰেও জানে যে ফাৰ্মখন ভালে চলি আছে। গতিকে কি আৰু কথা বক্তব্য পাতিম।

* শ্ৰীশশকমল সন্দিকৈ: অধ্যক্ষ মহোদয়, ককিলাবাৰী ফাৰ্মখনক বহুত মাটিবাৰী দিছে কিন্তু তাত কোনো বীজ উৎপাদন নহয়। মাটিবাৰী ঠিকেই ৰাখিছে কিন্তু উৎপাদন নাই। মন্ত্ৰী মহোদয়াই কৈছে যে অভিযোগ পোৱা নাই কিন্তু দিনক দিনে মাহে মাহে এনেকুৱা দুৰ্নীতি যদি চলিয়ে থাকে তেনেহলে আমি কি কৰিম? আমি প্ৰশ্ন দিছো অনুসন্ধান কৰা কথা নাই ৰেডিমেদ ৰিপ্লাই এটা দিছে খবৰ পাতি নাই। গতিকে কিবা অনুসন্ধান কৰিব নেকি?

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী): উৎপাদন হৈ আছে বুলি জনাইছে তাৰ তালিকা এখন সদনৰ মাজত দিয়া হব। তাত যথেষ্ট উৎপাদন হোৱা দেখুৱাইছে। মাননীয় সদস্যসকলে কৈছে যেতিয়া নিশ্চয় তদন্ত কৰিম।

* শ্ৰীনগেন শৰ্মা: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়াই কৈছে যে যথেষ্ট নাম আছে আৰু বীজো বিতৰণ কৰিছে। মই মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো এই ককিলাবাৰী ফাৰ্মখনত বীজ পৰীক্ষাগাৰ আছে নে নাই? আৰু বীজবিলাক পৰীক্ষা কৰি বিতৰণ কৰা হৈছে নেকি?

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী): ভাৰত চৰকাৰৰ অধিনস্থ প্ৰতিষ্ঠান হিচাবে ককিলাবাৰী বীজ পামে নিজে উৎপাদন আৰু বিক্ৰীৰ আঁচনি প্ৰস্তুত কৰে। চৰকাৰী প্ৰতিষ্ঠান হোৱা বাবে নীতিগত ভাৱে যিকোনো চৰকাৰী বেচৰকাৰী অনুস্থান / প্ৰতিষ্ঠান বা বিভাগে এই বীজ পামৰ পৰা নিবিদা গ্ৰহণ নকৰাকৈ পোনপটীয়াকৈ ক্ৰয় কৰাত বাধা নাই। প্ৰমানিত বীজৰ বাহিৰেও 'বীজ আইন' অনুসৰি বিশ্বাসযোগ্য লেবেল বুলি আৰু এবিধ গুটিবীজ হিচাবে

---

* Speech not corrected.

ব্যৱহাৰ কৰাৰ ব্যৱস্থা আছে। এই ব্যৱস্থা অনুসৰি বীজ হিচাবে বীজ ব্যৱহাৰ কৰিবলৈ হলে এই গুটিৰ অঙ্কুৰণ ক্ষমতা শতকৰা ৭০ ভাগৰ কম হব নোৱাৰিব জাবৰ-জোথৰ থাকিব নোৱাৰিব আৰু গুটি বেমাৰী বা পোকে খোৱা হব নোৱাৰিব আৰু সঠিকজাত হব লাগিব। চৰকাৰৰ হাতত থকা তথ্য অনুসৰি ককিলাবাৰীৰ বীজ পাম একমাত্ৰ প্ৰমানিত বীজেই অসম বীজ নিগম আৰু অসম কৃষি বিভাগকে ধৰি অন্যান্য চৰকাৰী বেচৰকাৰী অনুস্থান প্ৰতিষ্ঠান বা বিভাগক যোগান ধৰি আহিছে। এইখিনিতে এটা কথা কব পাৰি যি সকলে ভাল কাম কৰি থাকে তেওঁলোকৰ প্ৰতি বেয়া ধাৰণা লোৱাটো (ভইচ— আমি এইটোত প্ৰচেষ্টা কৰিছো) মই কব বিচাৰিছো প্ৰকৃত ৰচনাত্মক সকলে বেয়া বুলি নকয়। যদি প্ৰমাণ দিব পাৰে কেনেকৈ কাক ক'ৰ পৰা বীজ যোগান ধৰিছে আমাৰ মাননীয় সদস্য সন্দিকৈ ডাঙৰীয়াই কোৱাৰ দৰে আমি নিশ্চয় ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰিম। যিহেতু ফাৰ্মখন কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰনত আছে পোনপটীয়াভাৱে আমি একো ব্যৱস্থা লব নোৱাৰো কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিম।

(ভইচ— মাননীয় সদস্য শ্ৰীনগেন শৰ্মাৰ মোৰ প্ৰশটোৰ উত্তৰ দিয়া নাই)

(কেবাজনো সদস্যই কৈ উঠে আটাইকেইজনে কৈ থাকে, একো শুনা নাযায়)

* শ্ৰীনগেন শৰ্মা: ককিলাবাৰী ফাৰ্মখনত পৰীক্ষাগাৰ আছে নে নাই? মন্ত্ৰী মহোদয়াই উত্তৰ দিয়া নাই, পৰীক্ষা কৰি বীজ বিতৰণ কৰা নাই?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: মাননীয় অধ্যক্ষ মহোদয়, এই ফাৰ্মখন ৰাইজৰ স্বাৰ্থত নে কোনোবা ব্যৱসায়ীৰ স্বাৰ্থত মাননীয়া মন্ত্ৰী মহোদয়াই কথা কৈছে। এই ককিলাবাৰী ফাৰ্মৰ সম্পৰ্কে কেলেংকাৰী আছে। আমাৰ কৃষি মন্ত্ৰীয়ে কেলেংকাৰীটো কনডেম কৰিব লাগিছিল। এনেকুৱা এটা বগা হাতী মন্ত্ৰী মহোদয়ে কিয় এপ্ৰিচিয়েট কৰিছে। মই নিজে জানো নতুন দৈনিক এডিটৰিয়েলত কৃষি মন্ত্ৰীৰ উক্তি হিচাপে প্ৰকাশ পাই গৈছে। মই বাৰে বাৰে কৈ আছো যে এই বিষয়ে ভাৰত চৰকাৰে যোগাযোগ কৰিব লাগে। এই ফাৰ্মখনে অসমৰ ৮/১০ বিঘা মাটি দখল কৰিছে। অথচ অসমৰ আৰু অন্যান্য ৫২ খন কৃষি ফাৰ্ম আছে এওঁলোকৰ পৰা বীজ নানে কাৰণ উত্তৰ প্ৰদেশ হাৰিয়ানা আদি দেশৰ পৰা অনা দেখুৱাই তাৰ পৰা মুনাফা আদায় কৰিব। ৰাইদেৱে আকৌ তাকে সমৰ্থন কৰি আছে। ৰাইদেৱে ঠিকাদাৰ সকলৰ হকে কৈছে। (ভইচ) এই সম্পৰ্কত সদন কমিটি এটা কৰি দিব লাগে।

* Speech not corrected.

Mr. Speaker : Let the Minister complete here reply.

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়াই আজি সদনত যিটো উত্তৰ দিছে তাৰ ওপৰত গৰিহণা দিছো। এনেকুৱা মন্ত্ৰী নেথাকিলেও হয়। আজি মুখ্যমন্ত্ৰী থাকিব লাগিছিল, এনেকুৱা মন্ত্ৰীক মন্ত্ৰী সভাৰ পৰা উলিয়াই দিব লাগিছিল। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত এটা সদন কমিটি কৰি দিব লাগে।

Mr. Speaker : Please hear me and do not disturb the proceedings.

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষিমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মোক কোনোবাই খুব ভাল বুলি কলেও ভাল নাপাও আৰু কোনোবাই গৰিহনা দিলেও দুখ নেপাও। যিটো সত্য সেইটোহে মই কৈছো।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্ৰী মহোদয়াই এনকুৱাৰী কৰিবনে নকৰে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কৰবাৰ পৰা যদি কিবা স্পেচিফিক অভিযোগ পোৱা যায় তেতিয়াহলে এনকুৱাৰি কৰিব পাৰো।

Shri Holiram Terang : Sir, a point of order. Sir, you being the custodian of the House, we as members can appeal to you to protect our rights and also the rights of the people. In course of reply to the last question that we had put, the Honourable Minister had replied in a negative manner and is not satisfactory at all. Sir, I think you can under the way the Honourable Minister had replied to a question that there is somethihg wrong in the Kokilabari Seeds Farm. So, the best thing possible will be, naturally, that there should be a Committee of the House to go and inquire into the affairs of the

* Speech not corrected.

Kokilabari Seeds Farm. Sir, all that the Minister had been saying that there is no complaint from any quarters. Sir, one honourable member has expressed his doubts about the malpractices in the farm. It is my humble opinion that the honourable Minister should agree to enquire into the whole affairs. Instead, the honourable Minister has sidelined this opinion and has replied that so much ton of seeds... ............ so much ton that had come out from the farm. Sir. excepting the ruling party members all the members belonging to different parties have with one tone demanded that there should be an inquiry, and I believe, you can understand the sentiment. So, Sir, at least you can constitute a Committee of the House to visit the farm and see the affairs for themselves, or in the minimum the Honourable Minister can assure the House that a proper inquiry will be done on this and the report shall be submitted to you.

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়াই কৈছে যে আমাৰ ৫২ খন চিদ্ ফাৰ্মে বীজৰ ভাল উৎপাদন কৰিব নোৱাৰাৰ কাৰণে বাহিৰৰ ব্যৱসায়ীৰ পৰা বীজ কিনি আনি যোগান ধৰিব লগীয়া হৈছে। এইটো এটা ডাঙৰ অভিযোগ। গতিকে এই ক্ষেত্ৰত যদি এখন সদন কমিটি হয় তেনেহলে এই ফাৰ্মবোৰে কি কি ভাল কাম কৰিছে আৰু কি কৰিব পৰা নাই সেইটো চোৱা-চিতা কৰি পৰামৰ্শ দিব পাৰিব ; এই ক্ষেত্ৰত যদি কোনোবাই কিবা ফাউল কৰিছে তেতিয়াহলে সেইটো পোহৰলৈ আহিব। সদন কমিটি হলেই যে কেৱল বেয়া দিশবোৰহে চাব সেইটো নহয়। আমাৰ ৫২ খন ফাৰ্ম প্ৰয়োজনীয় বীজখিনি কিয় যোগান ধৰিব পৰা নাই সেইটো ডাঙৰ কথা। সেইকাৰণে এই বিষয়টো চাবৰ কাৰণে এখন সদন কমিটি কৰিবলৈ যিটো প্ৰস্তাৱ আহিছে সেইটো এগ্ৰি কৰিব লাগে। আমি লাগিলে এই কমিটি-

* Speech not corrected.

খনত শাসক দলৰ সদস্য বেচিকৈ লওঁক। আমাৰ প্ৰয়োজনীয় যিখিনি বীজ লাগে সেইখিনি যাতে আমি এই ফাৰ্মকেইখনৰ পৰাই যোগান ধৰিব পাৰো তাৰ কাৰণে ব্যৱস্থা লব লাগে।

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য হলিৰাম টেৰাং ডাঙৰীয়াই কৈছে যে তেখেতে মোৰ প্ৰশ্নৰ ওপৰত চেটিচফাই নহয়। ককিলাবাৰী ফাৰ্মৰ সম্পৰ্কত মোৰ লগত যিখিনি তথ্য-পাতি আছে সেইখিনি জনাইছো। এইটো কেন্দ্ৰীয় চৰকাৰৰ অনুষ্ঠান ইয়াত যদি কিবা দোষ-ত্ৰুটি থাকে সেইটো আমি জনাব লাগে। কিন্তু এই অনুষ্ঠান। ইয়াত যদি কিবা দোষ-ত্ৰুটি থাকে সেইটো আমি জনাব লাগে। কিন্তু এই অনুষ্ঠানটোৰ বিৰুদ্ধে তেনে কোনো অভিযোগ পোৱা নাই। কিবা অভিযোগ পালে নিশ্চয় জনাম। ইতিমধ্যে মই কৈছোৱেই এই বিষয়টো বিধান সভাৰ সদস্য কেইজনমানৰ লগত যোগাযোগ কৰিছো। তেখেত সকলৰ পৰা জনা মতে এইটো ভালদৰে চলি আছে বুলি জনাইছে। বাহিৰৰ ব্যৱসায়ীৰ পৰা কি কি বীজ অনা হৈছে সেই বিষয়ে তেওঁলোকে পাৰ্টিকুলাৰলি জনালে ভাল হয়। যদি তেনে কোনো অভিযোগ আছে তেতিয়াহলে পৰীক্ষা কৰি চাম আৰু কেন্দ্ৰীয় চৰকাৰকো জনাম।

(সদনত গন্দগোল)

* শ্ৰীসুৰেণ স্বৰ্গীয়াৰী: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়াই কৈছে যে বিধায়কৰ লগত আলোচনা কৰা হৈছে। এই ফাৰ্মখন য ত অৱস্থিত মই তাৰ স্থানীয় বিধায়ক। কিন্তু মোৰ লগত এই বিষয়টোৰ আলোচনা কৰা নাই।

(গন্দগোল)

* Shri Haliram Terang : Sir, Minister has given a wrong reply and she should know the affairs of the kokilabari and time and again Honourable Members are trying their best to get a reply from the Minister. Now, Minister had categorically stated that she had consulted the M. L. A. of that area. Now sir, M. L. A. says that he is never consulted. So, the Minister should withdraw her reply and the action should be taken against the Minister.

---

* Speech not corrected.

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই বৰপেটা জিলাৰ বুলিহে কৈছো ।

(সদনত গন্দগোল)

মাননীয় অধ্যক্ষ : তেখেতে কি কৈছে মই শুনিছো । তেখেতে বিষয়টো কেইবাজনো বিধায়কৰ লগত আলোচনা কৰিছে । কাৰ লগত আলোচনা কৰিছে সেইটো কৈ দিলেই হয় ।

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়টো মই ৰাজ্যিক মন্ত্ৰীৰ লগত আলোচনা কৰিছো । আনহাতে প্ৰশ্নটো মই দুদিনমান আগতহে পাইছো ।

(সদনত গন্দগোল)

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, এইবাৰ বছৰৰ শ্ৰেষ্ঠ পুৰুষ ঘোষণা কৰা হৈছে এতিয়া মন্ত্ৰী মহোদয়াকো বছৰৰ শ্ৰেষ্ঠা মহিলা হিচাবে অভিহিত কৰিব লাগে ।

মাননীয় অধ্যক্ষ : তেখেতে কৈছে যে ৰাজ্যিক মন্ত্ৰীৰ লগত আলোচনা কৰিছে লকেল সদস্য বুলিলে একেবাৰে সেই সমষ্টিৰে সদস্যক বুজায় ।

(সদনত গন্দগোল)

.... .... .... (Interruption noise)

at 11. 02 a. m.)

Please take your seat. The short Question hour is over. I have an appeal. Today, we have to take up 23 items in the agenda, and today being the last day for taking up Government Business, we must be very particular about the time. We have got about 9 bills and 15 zero hour notices along with an adjournment motion and a privilege Motion. Now, we have got 2/½ hours time, and within this stipulated time, we shall have to complete all these items. At 2 p. m. today, Honourable Governor of

* Speech not corrected.

Assam will come here to the Assembly House to release one book. For this function, I invite all the Honourable Members and the officials to attend this function. So, this is an appeal. My second appeal is that we should not take much time, otherwise, we shall not be able to complete all the items in the agenda. In respect of Finance Bill, some very short discussion may be there, so, we must be very careful about the time.

## DISCUSSION DURING ZERO HOUR

Now I proceed to zero hour.

I have received 15 zero hour notices. Out of these, I have allowed 3 zero hour notices to be taken up.

No. 1 – I have received one zero hour notice from the Honourable Members Shri Dilip Kumar Saikia and Shri Hitendra Nath Goswami on a news item published in Dainik Asom dated 2. 4. 92 under the caption—

"উত্তৰ পূব ভাৰতত ডাঙৰ ভূমিকম্পৰ সম্ভৱনা।"

No. 2— I have received another zero hour notice from Shri Bharat Chandra Narah and Shri Padmeswar Doley on a news item published in the Dainik Asom Dated 5.4.92 under the caption— "তিনিচুকীয়া জিলাৰ বান-পৰিস্থিতিৰ অৱনতি।

No. 3.— There is another zero hour notice from Shri Dilip Kumar Saikia, and Shri Hiteswar Deka and Shri Ramendra Narayan Kalita published in the "Ajir Batory" dated 7.4.92 under the caption." কফি খেতি সম্প্ৰসাৰণ আঁচনি ব্যৰ্থ কৰাৰ ষড়যন্ত্ৰ।"

* শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, মই সংসদী পৰিক্ৰমা মন্ত্ৰীৰ লগতো কথাটো আলোচনা কৰিছো। আজি ৩/৪ খন মান কমিটিৰ ইলেকচন আছে।

* Speech not corrected.

যদি তেখেতে সন্মতি প্ৰকাশ কৰে তেনেহলে আজিৰ ইলেকচনটো কাইলৈ পিচুৱাই দিলে আমাৰ সুবিধা হয়।

* শ্ৰীগোলোক ৰাজবংশী ( স: প: মন্ত্ৰী ) ঃ ইয়াত মোৰ কোনো আপত্তি নাই। আপুনি যদি এদিন সময় বঢ়াই দিয়ে তেনেহলে সন্মিয়া ৰহিব পাৰি। I was unfortunately absent............

Mr. Speaker : Is it the consent of the Houset o hold election tomorrow ?

( House consented to hold election tomorrow )

Now, Shri Dilip Kumar Saikia to speak.

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মই মূল বিষয়টোৰ ওপৰত কবলৈ যোৱাৰ আগতে এটা পৰামৰ্শ দিবলৈ বিচাৰিছো। সেইটো হ'ল অসমৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈ দেবৰ ফটোখন ইতিমধ্যে অসম চৰকাৰে স্বীকৃতি দিছে। তেখেতৰ ফটোখন আমি চৰকাৰ থাকোতে পাৰ্লিয়ামেণ্ট হাউচতো ৰখাৰ ব্যৱস্থা কৰিছো। গতিকে তেখেতৰ লাইফচাইজ ফটো এখন বিধান সভা কক্ষত ৰখাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনালো।

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, অসমৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈয়েই অসম খনক ভাৰতবৰ্ষৰ লগত ৰখাৰ একমাত্ৰ পুৰুষ আছিল। গতিকে তেখেতৰ ফটো এখন বিধান সভাকক্ষত ৰাখিবলৈ মইও অনুৰোধ জনালো।

Mr. Speaker : I also accept it. Now Shri Dilip Kumar Saikia.

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, দৈনিক অসমত উত্তৰ পূৱ ভাৰতৰ বিষয়ে লিখিছিল ড: শৰ্মা ডাঙৰীয়াই' উত্তৰ পূৱ ভাৰতত ডাঙৰ ভূমিকম্পৰ সম্ভাৱনা'। ১৮৯৭ চনত শিলঙৰ ওচৰত হোৱা পৃথিবী বিখ্যাত ৮'৭ মাত্ৰাৰ ভূমিকম্পটো হৈছিল। ইয়াৰ পিচত পুনৰ ১৯৫০ চনৰ ১৫ আগষ্ট তাৰিখে হোৱা ৮'৬ মাত্ৰাৰ অসম ভূমিকম্পটো হৈছিল। এই ভূমিকম্পত বহুতো মানুহৰ মৃত্যু হৈছিল। ইয়াৰ পিচত ১৯৮৮ চনৰ ৬ আগষ্টত মনিপুৰ মিয়ানমাৰ

* Speech not corrected.

সীমান্তবর্ত্তী অঞ্চলত হোৱা ৭'৩ মাত্ৰাৰ ভূমিকম্পটো হৈছিল। জনবসতিহীন অঞ্চল আৰু ভূ-পৃষ্ঠৰ পৰা বেছি তলত হোৱা বাবে এই ভূমিকম্পটোৰ বাবে উত্তৰ পূৰ্ব ভাৰতত ক্ষয় ক্ষতিৰ পৰিমাণৰ মাত্ৰা হিচাপে বহু কম হৈছিল। এতিয়া অদূৰ ভৱিষ্যতে এই অঞ্চলত ইয়াতকৈ ডাঙৰ ভূমিকম্প হোৱাৰ সম্ভাৱনা আছে। ১৯৯১ চনৰ ২০ অক্টোবৰত উত্তৰ প্ৰদেশৰ উত্তৰ কাশীত হোৱা ৭'৯ মাত্ৰাৰ ভূমিকম্পটো ঘৰ-দুৱাৰ ভঙাৰ উপৰিও প্ৰায় ৫০০ জনমান মানুহৰ মৃত্যু হয়। এই বছৰ ১৩ মাৰ্চত তুৰস্কৰ পূৰ্ব ভাগত হোৱা ৬'৮ মাত্ৰা এটা প্ৰবল ভূমিকম্পৰ ফলত এৰজিনকান এৰজুৰাম আৰু বিংগল নামৰ তিনিখন ঘন-বসতিপূৰ্ণ চহৰৰ বিস্তৰ ক্ষতি হয় আৰু প্ৰায় ১০০০ মান মানুহ মৃত্যুৰ মুখত পৰে। ১৯৩৯ চনৰ ২৬ ডিচেম্বৰত প্ৰায় একে ঠাইতে হোৱা ৮'১ মাত্ৰাৰ ভূমিকম্প এটাৰ ফলত প্ৰায় ৩০ হেজাৰ মান মানুহৰ মৃত্যু হৈছিল আৰু এৰজিনকান চহৰখন সম্পূৰ্ণভাবে ধ্বংস হৈছিল। ১৯৯০ চনৰ ২৬ জুলাইত ফিলিপিন দেশৰ মেনিলা চহৰৰ ওচৰত হোৱা ৭'৭ মাত্ৰাৰ ভূমিকম্প এটাত প্ৰায় ৩৫০ জন লোকৰ মৃত্যু হয়। এই একে বছৰতে পশ্চিম চীনৰ কিউয়িং ঘাই অঞ্চলত হোৱা ৬'৯ মাত্ৰাৰ ভূমিকম্পৰ ক্ষয়-ক্ষতিৰ বাহিৰেও প্ৰায় ১১৫ জন লোকে প্ৰাণ হেৰুৱাইছে। ১৯৯০ চনৰ ২১ জুনত উত্তৰ ইৰাণত হোৱা ৭'৩ মাত্ৰাৰ ভূমিকম্প এটাৰ ফলত প্ৰায় দুহেজাৰ মানুহৰ মৃত্যু মুখত পৰে। ১৯৮৯ চনৰ ১৭ অক্টোবৰত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ উত্তৰ কেলিফোৰ্ণিয়াত হোৱা ৬'৯ মাত্ৰাৰ ভূমিকম্পৰ ফলত ২৭১ জন মানুহৰ মৃত্যু হয়। ১৯৮৮ চনৰ ৭ ডিচেম্বৰত পূৰ্ব্বৰ ছোভিয়েট ইউনিয়নৰ আৰ্মেনিয়াত হোৱা এটা ভূমিকম্পৰ ফলত (প্ৰায় ৭ মাত্ৰাৰ) স্পিটক, লেলিনকান আৰু কিৰোভান নামৰ তিনিখন চহৰ ধ্বংস স্তুপত পৰিণত হয় আৰু প্ৰায় একলাখ মান মানুহ মৃত্যুৰ মুখত পৰে।

'গোটেই উত্তৰ পূৰ্ব ভাৰত ভূমিকম্প প্ৰৱন অঞ্চল বাবে ইয়াত এটা ভূমিকম্প গৱেষণা কেন্দ্ৰ স্থাপন কৰাটো দৰ্কাৰ।' আমি দেখিবলৈ পাইছো অসমত সৰু সৰু ভূমিকম্প হৈ আছে। ডাঙৰ ভূমিকম্প হোৱা নাই। এই সৰু সৰু ভূমিকম্পৰ ফলত উত্তৰ ভাৰতৰ ডাঙৰ ভূমিকম্প হোৱাৰ আগজাননী আহিছে সেই কাৰণে মই আশা ৰাখিছো এই ভূমিকম্পৰ কাৰণে ব্যৱস্থা হাতত লব লাগিব।' যোৰহাটত ৰিজিঅনেল ৰিচাৰ্ছ লেবৰটৰি আছে। উত্তৰ ভাৰতৰ কাৰণেও গবেষনা কেন্দ্ৰ ৰিচাৰ্ছ চেণ্টাৰ নাই, সেয়েহে গৱেষণা কেন্দ্ৰ স্থাপন

-কৰিবলৈ অনুৰোধ কৰিছোঁ। এই ক্ষেত্ৰত মই কেইটামান পৰামৰ্শ আগবঢাব বিচাৰিছো।

1. Military, because they are one of the few organisations having the capacity to organise mass scale evacuations. Such an operations will require a lot of man power and machinery.

2. para Military forces to control sudden paincy mass movements.

3. Home Guards to drill the general people in safety measures to be taken in the event of an earthquake.

4. Fire Brigade for rescue operations.

5. Medical Departments to ensure necessary first aid, blood etc.

6. Transport authorities to take away civilians to safety places or camps which have the facilities of shelter, food and medicines.

7. Food and civil supplies to ensure the minium amount of food. clothings etc. to the affected people.

8. Relief camps to be set up outside possible periphery of the earthquake zone, one relief camp every I K.M. around periphery.

9. Each relief camp to be maintained and serviced by enough and requisite medical people, medicine, baby food and other necessary civil supplier.

10. This relief camps to be serviced by a minimum of three helikopters each. The net work of helikopter services to pe adequately intensive.

11. Intensification in manpower in civil defence department especially in and around effective zone, of earthquake.

12. Timely deployment of civil defence personnel and paramilitary forces to prevent sudden and possible movement of people.

13. Earthquake drill to be taken up immediately by Department of civil Defence.

14. One Co-ordinating Committee, to take up necessary step required for this programme to be set up. This Committee to be assisted by scientfic experts, R.R.L. Local authorities.

15. Early warning method to be installed maintained and manned by R.R.L. with the assistance of Central Water and Power Research Station Pune.

16. Alternative communication linkages prefabricated, to be kept as stand by to maintain communicaton in the event of disruption and damage to existing communication channels.

17. To bring an experts from outside the country (from a country already having such experince such as Japan, China and America) if necessary.

18. Government to give necessary assurance to people to move the panicky situation which has already surfaced amongst them.

19. Immediate assessment of property.

20. To impart precautionery measures to be taken by civilians in the event of an earth qnake.

অধ্যক্ষ মহোদয়, এই গোটেই বিলাক বিষয় এদিন বিধান সভাত ১৯৮৭ চনতে আলোচনা কৰিছিল। অসমৰ ধেমাজীত ভূমিকম্প হোৱা বুলি কোৱা হৈছিল কিন্তু নহল। ড: দেশ পাণ্ডে বিশেষজ্ঞ, অসমৰ বিভিন্ন প্ৰান্তত ঘূৰি ভূমিকম্পৰ আভাস লৈছে। ইতিমধ্যে বাহিৰা ৰাজ্যত এই সম্পৰ্কে আলোচনা কৰিছে, এই সংক্ৰান্তত আমাৰ চৰকাৰে গম লব লাগে। এনেকুৱা কেৰাটাও অঞ্চল আছে, এই অঞ্চল কেইটা কত আছে মই মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু উত্তৰ পূৰ ভাৰতত এটি গৱেষণা কেন্দ্ৰ স্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

মাননীয় অধ্যক্ষ: ধন্যবাদ মি: শইকীয়া ডাঙৰীয়া I would like the very approach you have given with concreate proposals, you have come with some good suggestions. I think some of the suggestions will definitely be a valuable.

* দেৱান জয়নাল আবেদিন: মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ লগতে অকনমান কথা কবলৈ বিচাৰিছো, আমাৰ এচেৰি কেম্পাচতে এটি চিষ্টোগ্ৰাফ কৰিলে ভাল হয়।

মাননীয় অধ্যক্ষ: আপোনাৰ পৰামৰ্শৰ বাবে ধন্যবাদ, এইটো যাতে কম খৰচ পৰে তালৈ চাৰ লাগিব। তথাপিও That will be taken up. His ayproach I like. I think it will be taken into consideration.

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী: মাননীয় অধ্যক্ষ মহোদয় যোৱা ৫০ বছৰৰ পৰা যিবিলাক ভূমিকম্প হৈছিল সেই বিষয়ে আমাৰ গুৱাহাটী ইউনিভাৰছিটিৰ ৰিচাৰ্চ চেণ্টাৰত আলোচনা কৰা হৈছিল। সেই কাৰণে কথাটোৰ প্ৰতি লক্ষ্য ৰাখি এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা লব লাগে। যোৰহাট ৰিজিঅনেল ৰিচাৰ্চ লেব'ৰেটৰী আৰু গুৱাহাটী ইউনিভাৰছিটি ৰিচাৰ্চ চেণ্টৰক লৈ যুটীয়া ভাৱে কামত আগ বাঢ়িব লাগে বুলি মই অনুৰোধ কৰিছো।

* Shri Haren Bhumij (Minister): Mr. Speaker Sir, attention of the Government has been drawn on a news item

---

* Speech not corrected.

regarding occurance of earthquake. Sir, occurance of earthquake comes within the natural calamities. Earthquake can take place as per the opinion of the scientists. There are various factors and reasons such as, volcanic erruption, landslides on the earth surface, due to heavy rains and showers and because of landslide inside the earth and because of formation of different gases etc.

Mr. Speaker : He has raised it. You please be brief.

* Shri Haren Bhumij (Minister) : Sir, this is the opinion of the scientists that they cannot in a certain way predict that earthquake will take place just after 50 years or so but is the experience. So study is of course going on. I do admit that the suggestions put forward by the Honourable Members are valuable. It is the responsibility of the Government of the country or the state to accept those valuable suggestions which are feasible to be aeopted. If the Honourable speaker and this august House so desire I would collect information an the subject raised ann place a statement on table of the House.

Mr. Speaker : I have received another Zero Hour Notice from Shri Bharat Chandra Narah and Shri Padmeswar Doley on a news-item published in Dainik Asom dated 5.4.92 under the caption "তিনিচুকীয়া জিলাৰ বান পৰিস্থিতিৰ অৱনতি" Now I call upon Shri Bharat Chandra Narah to speak on this matter.

* শ্ৰীভৰত চন্দ্ৰ নৰহ . মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৫ এপ্ৰিল দৈনিক অসম কাকতত প্ৰকাশিত 'তিনিচুকীয়া জিলাৰ বান পৰিস্থিতি অৱনতি' সম্পৰ্কে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। কিন্তু এতিয়া সদনত ৰাজহ

* Speech not corrected.

মন্ত্ৰী নাই মাননীয় মুখ্য মন্ত্ৰীও নাই আনকি ৰাজ্যিক ৰাজহ মন্ত্ৰীও নাই। মাননীয় অধ্যক্ষ মহোদয় মই কাৰ ওচৰত দৃষ্টি আকৰ্ষন কৰিম।

* Shri Zoii Nath Sarma : Mr. Speaker Sir, a copy of the notice is always given to the Minister concerned. এতিয়া কথাটো হল, মাননীয় মন্ত্ৰী জন সদনত নাথাকিলে ৰাজ্যিক মন্ত্ৰী জন থাকিব লাগে।

* শ্ৰীকুল বাহাদুৰ (চেত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি মন্ত্ৰী সভাৰ সদস্য সকল আছো।

* শ্ৰীজয় নাথ শৰ্ম্ম : মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা কৰিলে সদনৰ গুৰুত্ব কমি যায়।

* শ্ৰীকুল বাহাদুৰ চেত্ৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে কি খিনি কৰলৈ বিচাৰিছে কওঁক।

* শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। সদনত যদি ৰাজহমন্ত্ৰী বা ৰাজ্যিক ৰাজহ মন্ত্ৰী নাথাকে এই বিষয়ে কলেও একো ফল নহব।

* শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো হৈছে তিনি-চুকীয়া জিলাৰ বান পৰিস্থিতিৰ কথা। মন্ত্ৰী যদি সদনত নাথাকে ইয়াৰ ওপৰত আলোচনা নকৰো।

* শ্ৰীকুল বাহাদুৰ চেত্ৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি সেই জিলাৰে মানুহ। এই বিষয়ে আমি খবৰ লৈ আছো।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, তেখেতে তাৰ এম, এল, এ হিচাবে কৰ লাগিব।

* Shri Haren Bhumij (Minister) : Mr. Speaker Sir, on the question of occurance of flood in Tinsukia district, a question was rasied on the 2nd and 3rd.

* শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ ইমান অমনো-যোগিতা কিয় ? তিনিচুকীয়াত ১৬ খনগাওঁ ক্ষতিগ্ৰষ্ট হৈছে। এই বিষয়ে আলোচনা

* Speech not corrected.

হব লাগে ইমান অমনোযোগিতা হলে নহব।

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, সদনত মাননীয় মন্ত্ৰী নাই, বাজ্যিক মন্ত্ৰীও নাই। ইয়াত বথা বক্তব্য বিলাক অন্য কোনে 'ৰেস্পন' কৰিব।

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে আমাৰ মন্ত্ৰী সভা জইণ্টলি ৰেসপনচিবিলিটি councils of Ministers have the joint responsibility.

( সদনত হুলস্থুল )

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, কোনো এটা বিষয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিলে মন্ত্ৰী সদনত নাথাকে। এইটো এটা 'কনভেনচন' হৈছে।

* শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া কোনো এটা বিষয় আলোচনা কৰা যায় মন্ত্ৰী যদি তেতিয়া নাহে তেতিয়া সেই বিষয়টো আলোচনাৰ পৰা বিৰত থাকিব লাগে।

মাননীয় অধ্যক্ষ : ধন্যবাদ মাননীয় সদস্য শ্ৰীঅতুল বৰা ডাঙৰীয়াই যিটো কৈছে সেইমতে কৰা হব। এইটো পিচৰ পৰা হব।

Your suggestion is good.

Now I have received another zero hour Notice from Shri Ramendra Narayan Kalita, Shri Hiteswar Deka and Shri Dilip Kumar Sonowal on a news item published in Ajir Batori dated 7.4.92 "কফি খেতি সম্প্ৰসাৰণ আঁচনি ব্যৰ্থ কৰাৰ ষড়যন্ত্ৰ" Now I would call upon Shri Kalita to speak on this matter

Shri Zoii Nath Sarma : Who is the concerned Minister ?

Mr. Speaker : Industries Minister.

( Honourable Speaker left the House and Honourable Deputy Speaker occupied the chair at about 11-30 A.M.)

---

* Speech not corrected.

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৭ এপ্ৰিল তাৰিখে আজিৰ বাতৰি কাকতত প্ৰকাশিত "কফি খেতিৰ সম্প্ৰসাৰণ আঁচনি ব্যৰ্থ কৰাৰ ষড়যন্ত্ৰ" সম্পৰ্কীয় বাতৰিৰ সম্পৰ্কত মই মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ উত্তৰ মাননীয় কৃষি মন্ত্ৰীয়ে দিব লাগিব। কৃষি মন্ত্ৰীৰ অনুপস্থিতিত উদ্যোগ মন্ত্ৰীয়ে উত্তৰ দিব পাৰিব জানো? কাৰন কফিটো কৃষিৰ ভিতৰত পৰে উদ্যোগৰ ভিতৰত নপৰে।

* শ্ৰীবিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, কফি খেতিৰ যিটো প্ৰশ্ন সেইটো চইল কনজাৰভেচন মেনেজমেণ্টৰ ভিতৰত পৰে। এই ক্ষেত্ৰত বাজেট বক্তব্যত মুখ্যমন্ত্ৰী ডাঙৰীয়াই জনাইছিল যে এই বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে।

Mr. Deputy Speaker : Please raise the issue. During Zero Hour you can only raise the issue. Minister may give or may not give reply. According to the rulses, one member of the Council of Ministers is sufficient. So, Please the raise. This is the rule. Please listen to me. Without rules I will not proceed further. I am guided by rules. Let me quote from relevant portion of Rules regarding Zero Hour "Unless the Speaker otherwise directs no matter of public importance shall be allowed to be raised during Zero Hour which occurred three days before the day on which it is proposed to be raised. The member desiring to raise such matter shall give notice of his intention to raise such matter to the Speaker and Secretary, at least one hour before the commencement of the session. The Speaker in his discretion may allow the member to raise the matter and the concerned Minister

* Speech not corrected.

may give a reply if required information and other materials are available with him, otherwise the replies shall be given by the Minister according to his convenience and the matter shall be treated as 'raised'.

Now, what is the problem. Any Minister can reply. So, I request to raise the issue. Everything is going by rule. গণ্ডগোল

*শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উপাধ্যক্ষই কোৱা কথাটো শুদ্ধ নহয়। যদি বিভাগীয় মন্ত্ৰীজন নাথাকে তেতিয়া কাৰোবাক অথৰাইজ কৰিব লাগে। কাৰণ এটা বিভাগৰ এজন মন্ত্ৰীয়ে অন্য এটা বিভাগৰ হৈ উত্তৰ দিব নোৱাৰে। কাৰণ তেওঁৰ হাতত আচল তথ্য নাথাকিবও পাৰে। তাৰোপৰি অন্য কোনোৱা লিডাৰে উত্তৰ দিবলৈ হলেও বিভাগীয় কোনোবা এজন উপস্থিত থাকিবই লাগিব।

Mr. Deputy Speaker : Please confine on the point only.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উপাধ্যক্ষ মহোদয়ে সদস্য সকলক ধমকি দিয়াটো সমীচিন হোৱা নাই। ই সদনৰ মৰ্য্যাদা হানি কৰিছে। গতিকে আপোনাক জনাব বিচাৰো যেখেতে আমাৰ লগতে আপোনাৰো মৰ্য্যাদা হানী কৰিছে আৰু সদস্য সকলৰ অধিকাৰত আঘাট হানীছে।

* শ্ৰীঅঞ্জন দত্ত : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উপাধ্যক্ষ মহোদয়ে ধমকি দি কথা কোৱাটো মই আমাৰ সকলো সদস্যৰ কাৰণে অন্যায় হৈছে বুলি মই ভাবো।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকল আমি সকলো সমান। আমাৰ ভিতৰত ডাঙৰ সৰু নাই। গতিকে আমি সকলোৱে ইজনে সিজনক সন্মান দিব লাগে। মই অলপমান ওলাই যাওঁতে সদনত ইমান হৈ-চৈ লাগিল।

---

* Speech not corrected.

মই এক মিনিটৰ কাৰণে গৈছিলোঁ। আৰ্জেণ্ট টেলিফোন কল এটা ৰিচিভ কৰিবলৈ।

*শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, সদন চলি থাকিলে আপুনি বাহিৰলৈ নেযাব। টেলিফোনত বেচি গুৰুত্ব নিদিব।

*শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়ে নেচাৰেল্ কল হলেও নেযাব নেকি ?

(সদনত হাঁহিৰ ৰোল)

মাননীয় অধ্যক্ষ : সন্মানিত সদস্য সকল, আমি কিছুমান সৰু সৰু কথাত লাগি সময় খৰচ কৰি আছো আমি সকলো যিহেতু সমান স্পীকাৰো সমান। কোনো ডাঙৰ নহয়।

........... Not to speak of others, Speaker is also equal to you. The dignity of the House should be maintained Deputy Leader of the Houseis here and Deputy leader of the house will give reply Now, I request Honourable Member, Shri Ramendra Narayan Kalita to raise the matter.... গতিকে আমি একেটা কথাতে লাগি সময় নষ্ট নকৰি বেলেগ কথালৈ আহো এতিয়া ২ নং আইটেম। কফি খেতিৰ ওপৰত যিটো অভিযোগ আহিছিল তাৰ ওপৰত কওঁক।

*শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিষয়টো আছিল "আজিৰ বাতৰি কাকতত প্ৰকাশিত" কফি খেতিৰ সম্প্ৰসাৰন আঁচনি ব্যৰ্থ কৰাৰ ষড়যন্ত্ৰ' সম্পৰ্কত মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বৰ্ত্তমান উত্তৰ পূৰ্ব্বাঞ্চলৰ যিখন কফি বড আছে এই বৰ্ডত কেন্দ্ৰীয় চৰকাৰৰ বিত্তমন্ত্ৰালয়ৰ কথা জড়িত হৈ আছে। গতিকে কথা হৈছে উত্তৰ পূৰ্ব্বাঞ্চলৰ যিখন বৰ্ড আছে আৰু তাৰ তলত যিবিলাক অফিচ আছে সেই অফিচ বিলাক দিল্লী আৰু দক্ষিণ ভাৰতলৈ স্থানান্তৰ কৰাৰ ষড়যন্ত্ৰ অব্যাহত ৰখা হৈছে। এতিয়া কথা হৈছে ১৯৮৭ চনতে কফি খেতিৰ সম্প্ৰসাৰণ আঁচনি লোৱা হৈছিল। আৰু এই আঁচনিৰ বাবে উত্তৰ পূৰ্ব্বাঞ্চল বৰ্ডে

*Speech not corrected.

এটা মোটা টকাৰ অনুমোদন পাইছিল। এই বৰ্ডে ৪৪ হেজাৰ হেক্টাৰ মাটি কফি খেতিৰ বাবে ধাৰ্য্য কৰা হৈছিল। ইয়াৰ ১৬ হেজাৰ হেক্টাৰ মাটি অকল অসমৰ আছিল। এতিয়া কথা হৈছে যে ৪৪ হেজাৰ হেক্টাৰ মাটিৰ ভিতৰত ইতিমধ্যে ৪৩ হেজাৰ হেক্টাৰ মাটি কাৰ্য্যালয়ৰ বাবে দিয়া হৈছে। যদি এই কাৰ্য্যালয় সমূহ দক্ষিণ ভাৰতলৈ বা দিল্লীলৈ উঠাই নিয়া হয় তেতিয়াহলে এই বৰ্ডৰ অফিচৰ লগতে পৰোক্ষ ভাবে অসমৰ মাটিও যাবগৈ। গতিকে কফি খেতিৰ সম্প্ৰসাৰণ আঁচনিৰ নামত এক ষড়যন্ত্ৰও ইয়াত সোমাই আছে। তাৰোপৰি এই আঁচনিৰ অধীনত যিখিনি কৰ্ম্মচাৰী নিযুক্তি দিয়া হৈছে সেয়া কম সংখ্যক ভাবে নিযুক্তি দিয়াৰ কাৰণে এই আঁচনি কাৰ্য্যকৰি হোৱা নাই বুলি আমি ভাবো।

মাননীয় অধ্যক্ষ মহোদয় ১৯৮৩ চনত কফি বোৰ্ডে উত্তৰ পূৰ্বাঞ্চলৰ কফি খেতিয়ক সকলৰ কাৰণে এক প্ৰশিক্ষন আঁচনি আৰম্ভ কৰিছিল। সেই আঁচনি অনুসৰি চৰকাৰে এটা উপসঞ্চালক পদ অনুমোদন জনোৱাৰ লগতে তেওঁক উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলাৰ হাফলংঙত নিযুক্তি দিয়া হৈছিল। কিন্তু অলপতে এই পদটো দিল্লীলৈ স্থানান্তৰ কৰাৰ উপৰিও হাফলংঙত কাৰ্য্যালয়টো বন্ধ কৰি দিছে। তদুপৰি ভাৰত চৰকাৰে কফি খেতিয়ক সকলৰ সুবিধাৰ্থে উত্তৰ পূৰ্বাঞ্চলৰ চাৰিটা বীজ উৎপাদন কেন্দ্ৰ স্থাপনত অনুমোদন জনাইছিল। কিন্তু হাফলংঙত কাৰ্য্যালয়টো বন্ধ হোৱা পৰ্যন্ত বৰ্ডে এই কেন্দ্ৰ কেইটাৰ কাম-কাজ আৰম্ভই নকৰিলে। ১৯৭৮ চনত কফী বোৰ্ডে হাফলঙৰ বৰ্ডৰ প্ৰথমটো জ্যেষ্ঠ যোগাযোগ বিষয়াৰ কাৰ্য্যালয় আৰু এখন ডেমোনষ্ট্ৰেশ্বন ফাৰ্ম মুকলি কৰিছিল। কিন্তু ইয়াৰ আজিকোপতি প্ৰয়োজনীয় সংখ্যক কৰ্ম্মচাৰী নিযুক্তি দিয়া হোৱা নাই। ১৯৮৩ চনত নগালেণ্ডৰ কিৰোফেনাত স্থাপন কৰা জ্যেষ্ঠ যোগাযোগ বিষয়াৰ কাৰ্য্যালয় আৰু ডেমোনেষ্ট্ৰেশ্বন ফাৰ্মটো একে পৰিস্থিতিৰেই সৃষ্টি হৈছে। আকৌ ১৯৮২ চনত বৰ্ডে মণিপুৰৰ মুনৈ আৰু অৰুণাচলৰ প্ৰদেশৰ দেওমালিত দুখন ডেমোনেষ্ট্ৰেশ্বন ফাৰ্ম মুকলি কৰিছিল। কিন্তু আইন-শৃঙ্খলাৰ পৰিস্থিতিৰ অজুহাতত মুনৈৰ ফাৰ্মখন বন্ধ কৰি দিয়াৰ বিপৰীতে দেওমালিৰ ফাৰ্মখন কম সংখ্যক কৰ্মচাৰীৰেই চলাই ৰখা হৈছে। একে বছৰতে এজন উপসঞ্চালকৰ অধীনত গুৱাহাটীত এটা বোৰ্ডৰ আঞ্চলিক কাৰ্য্যালয় মুকলি কৰা হয়। জানিব পৰা মতে এই কাৰ্য্যালয়টোৰ কৰ্মচাৰীৰ সংখ্যা হ্ৰাস কৰিবলৈ

বোৰ্ডে সিদ্ধান্ত গ্ৰহণ কৰিছে। আনহাতে ত্ৰিপুৰাৰ টুলকানত ১৯৮৩ বৰ্ডে আন এটা জ্যেষ্ঠ যোগাযোগ বিষয়াৰ কাৰ্য্যালয় আৰু এখন ডেমোনষ্ট্ৰেশ্বন ফাৰ্ম মুকলি কৰে যদিয়ো প্ৰয়োজনতকৈ কম কৰ্মচাৰীকহে তাত নিযুক্তি দিয়া হৈছে। ১৯৮৬ চনত কাৰ্বি আংলং জিলাৰ চুটি নলাত বৰ্ডে এটা আঞ্চলিক কফি গৱেষণা কেন্দ্ৰ স্থাপন কৰে। কিন্তু এই কেন্দ্ৰটোৱে বৰ্ত্তমানেও কাম কৰি আছে যদিও ইয়াৰ উপ-সঞ্চালকৰ পদটো দক্ষিণ ভাৰতলৈ স্থানান্তৰ কৰা হৈছে। ইয়াৰ বাহিৰেও ১৯৮৭ চনত বৰ্ডে মিজোৰামৰ বুৰগুইত আৰু এটা জ্যেষ্ঠ যোগাযোগ বিষয়াৰ কাৰ্য্যালয় আৰু এখন ডেমোনষ্ট্ৰেশ্বন ফাৰ্ম মুকলি কৰে যদিও আজিকোপতি প্ৰয়োজনীয় সংখ্যক কৰ্মচাৰীক নিযুক্তি নিদিয়াৰ ফলত এই কাৰ্য্যালয়টোৰ স্বাভাৱিক কাম-কাজ যথেষ্ট ভাবে ব্যাহত হৈছে। তদুপৰি বৰ্ডে ষড়যন্ত্ৰমূলক ভাৱে নগালেণ্ডৰ মোককচাং আৰু হাফলংৰ কণিষ্ঠ যোগাযোগ বিষয়াৰ পদ দুটা দক্ষিণ ভাৰতলৈ স্থানান্তৰ কৰিছে। আনহাতে কফি বৰ্ডে ১৯৭৮ চনত কফি খেতিৰ সম্প্ৰসাৰণ আঁচনিখন আৰম্ভ কৰা স্বত্বেও আজিকোপতি বজাৰৰ সা-সুবিধা বৃদ্ধি আৰু প্ৰচাৰৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। ফলত উত্তৰ পূৰ্বাঞ্চলৰ কফি খেতিয়ক সকল আৰ্থিক দিশত যথেষ্ট ক্ষতিৰ সন্মুখীন হব লগা হৈছে। শেহতীয়া ভাবে আনকি বৰ্ডে গুৱাহাটীৰ উপ-মুখ্য কফি বিপনন বিষয়াৰ একমাত্ৰ কাৰ্য্যালয়টোয়ো বন্ধ কৰি দিয়াৰ অভিসন্ধি চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। গতিকে এই যে যিবিলাক কফি কাৰ্য্যালয় আমাৰ অসম তথা উত্তৰপূৰ্বাঞ্চলৰ পৰা দিল্লী বা দক্ষিন ভাৰতলৈ উঠাই নিয়াৰ যি ষড়যন্ত্ৰ কৰিছে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা কৰিছে? যিবিলাক অফিচ ইতিমধ্যে অসমৰ পৰা বাহিৰলৈ স্থানান্তৰ কৰিছে সেই অফিচ বিলাক অসমলৈ তথা উত্তৰ পূৰ্বাঞ্চললৈ ঘূৰাই অনাৰ তৎকালিন ব্যৱস্থা কৰি আমাৰ ইয়াতে কৰ্মচাৰী বিষয়া সকলক নিযুক্তি দিব লাগে। এই যি কফি খেতিৰ যিটো আঁচনি এইটো অসমত ফিচিযোল হয় কিন্তু অসমতে ফিচিবোল হব পৰা আঁচনিটোৰ প্ৰতি চৰকাৰ আওকনীয়া মনোভাৱ লৈছে বুলি সন্দেহৰ অবকাশ আছে, গতিকে এই ক্ষেত্ৰত দ্ৰুত গতিৰে ব্যৱস্থা হাতত লব লাগে।

*শ্ৰীহিতেশ্বৰ ডেকা: অধ্যক্ষ মহোদয়, আচলতে আমি এই গুৰুত্বপূৰ্ণ

* Speech not corrected.

বিষয়টোৰ ওপৰত আলোচনাত ভাগ লব খুজিছিলো, অসমৰ বুৰঞ্জী অধ্যয়ন কৰিলে দেখা যায় আমাৰ অসমে তথা উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্য কেইখনে কেন্দ্ৰৰ পৰা সদায়েই প্ৰবঞ্চনামূলক ব্যৱহাৰ পায় আহিছে। এই ক্ষেত্ৰত চৰকাৰে নিৰ্বাচনৰ আগতে প্ৰতিশ্ৰুতি দিছিল, অসমৰ অৰ্থনৈতিক শক্তি— — — —

মাননীয় অধ্যক্ষ : আপুনি টু দি পইণ্ট কব লাগে।

* শ্ৰীজি, চি, লাংথাচা (স্বাস্থ্য-মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কফি খেতি সম্প্ৰসাৰণ আঁচনি ব্যৰ্থ কৰাৰ ষড়যন্ত্ৰ শীৰ্ষক বাতৰিটিৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে। এই কথাটো সঁচা কিন্তু বাজেট বক্তৃতাত আৰু বাজেটৰ ৰিপলাই দিওতে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ষ্টেটমেণ্টত কৈছিল যে এই বিষয়-টোৰ ওপৰত গুৰুত্ব আৰোপ কৰি চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ লগত টেক-আপ কৰা হব আৰু কৰিব। এই কফি খেতিৰ প্ৰচলনটো দক্ষিণ ভাৰতত যিমান প্ৰসাৰতা লাভ কৰিছে সেই অনুপাতে আমাৰ উত্তৰপূৰ্বাঞ্চলত তথা অসমত নিচেই কম, মাত্ৰ কেইবছৰমান আগতে আৰম্ভ কৰা হৈছে। ২য় পঞ্চ বাৰ্ষিক পৰি-কল্পনাতহে আৰম্ভ হৈছে। কফি ষোৰ্ডে কফি খেতিৰ প্ৰসাৰণৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলত যিমান জোৰ দিব লাগিছিল সেই ধৰণে দিয়া নাই যেন অনুমান হৈছে। যোৱা ২।৩ বছৰত ৰিজিয়োনেল অফিচ আৰম্ভ কৰিছে। এন চি, হিলচ্‌ত যিমান জোৰ দিব লাগিছিল সিমান দিয়া নাই আৰু মনোযোগ দিয়া নাই। এই অঞ্চলৰ ইকোনমিক ডেভোলপমেণ্টৰ কাৰণে এই অঞ্চলৰ লোক সকলে কফি খেতিয়েই নহয় জুটৰ খেতিয়ো যে অতিব প্ৰয়োজন সেইটো উপলব্ধি কৰিছে। এই চাবজেক্টটো অৰ্থাৎ চয়েল কনজাৰভেশ্যনটো মুখ্য মন্ত্ৰীৰ হাতত তথাপি চৰকাৰৰ ফালৰ পৰা আমি কব পৰিম যে এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিম আৰু যাতে কফি ষোৰ্ডৰ অফিচ বিলাক যাতে ইয়াতে স্থাপন কৰা হয় সেই বিষয়ে আমি চাম আৰু নিজে ব্যৱস্থা কৰিম।

* শ্ৰীহিতেশ্বৰ ডেকা : জানিব পৰা মতে কফি খেতিৰ কাৰণে বিভিন্ন ঠাইত হাজাৰ হাজাৰ বিঘা মাটি আৱণ্টন দিয়া হৈছিল কিন্তু সেই মাটি বিলাকত বেচি ভাগ ঠাইত কফি খেতি নকৰি কফি উৎপাদন নকৰাকৈ অইন কামত

* Speech not corrected.

ব্যৱহাৰ কৰিছে, এই বিষয়ে মন্ত্ৰী ডাঙৰীয়া অৱগত নে ?

* শ্ৰী জি, চি, লাংথাচা (স্বাস্থ্য-মন্ত্ৰী) : এই বিষয়ে অনুসন্ধান কৰি চোৱা হব।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : যিবিলাক অফিচ ইতিমধ্যে দিল্লী আৰু দক্ষিণ ভাৰতলৈ স্থানান্তৰ কৰা হৈছে সেইবিলাক পুনৰ ঘুৰাই অনাৰ ব্যৱস্থা কৰিব নে আৰু লগতে যি সকল বিষয়া পোষ্ট সহ লৈ যোৱা হৈছে সেইবিলাক পুনৰ ঘুৰাই আনি ই যাতে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব নে ?

* শ্ৰী জি, চি, লাংথাচা (স্বাস্থ্যমন্ত্ৰী) : মই কৈছোৱেই, কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিম।

* শ্ৰীজয়নাথ শৰ্মা : কফি বোৰ্ডৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ লগত আছে। এই যে কফি বোৰ্ডৰ অফিচ বিলাক অসমৰ তথা নৰ্থইষ্টৰ পৰা বাহিৰলৈ নিয়াৰ যি ষড়যন্ত্ৰ হৈছে সেইটো আমি নিৰ্দ্ধাৰণ কৰি ব্যৱস্থা লবলৈ আমাৰ হাউচ কমিটিৰ এম্পলয়মেণ্ট ৰিভিউ কমিটিৰ জৰিয়তে পৰীক্ষা কৰি চাব পাৰি। গতিকে অধ্যক্ষ মহোদয় আপুনি এই ক্ষেত্ৰত এটা ব্যৱস্থা লব লাগে। আমি আপোনাৰ পৰা ৰুলিং বিচাৰিছো।

মাননীয় অধ্যক্ষ : তেখেতে চাম বুলি কৈছে, বিভাগীয় মন্ত্ৰী যিহেতু সদনত নাই গতিকে প্ৰত্যেক পইণ্টতে ৰুলিং দিব নোৱাৰি তাৰোপৰি চৰকাৰৰ ফালৰ পৰা কৈছে যে বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ লগত টেক-আপ কৰা হব।

The Minister coneerned is not here, the leader of the House is not there. He is not supported to know every thing.

* শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমানে ৰাজ্যখনত হোৱা বানপানী সম্পৰ্কত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰো যে অকল তিনিচুকীয়াতে নহয়, যোৱা ২৯/৩০ মাৰ্চ তাৰিখৰ পৰা শদিয়াৰ উত্তৰ আৰু দক্ষিণ পাৰে প্ৰবল বানপানী হৈছে। চ'ত মাহতে এই বানপানী আহিছে। প্ৰায় ১২০ খন গাওঁ পানীৰ তলত ডুব গৈছে। বানপানীৰে সেই অঞ্চলবিলাক প্লাৱিত হৈছে। এই বানপানীৰ ফলত ১ লাখ ২০ হেজাৰ মানুহ ক্ষতিগ্ৰস্ত হৈছে। চৰকাৰৰ ফালৰ পৰা উদ্ধাৰ কাৰ্য্য আৰু সাহায্যত যিধৰণে সহায়

* Speech not corrected.

কৰিব লাগিছিল তেনেধৰণে কৰা নাই। ১ লাখ ২০ হাজাৰ মানুহৰ সাহায্য আৰু উদ্ধাৰৰ বাবে অসম চৰকাৰে মাত্ৰ ২০ খন নাও দিছে। এই ২০ খন নাওঁৰে কেনেকৈ হব? ৰাজ্য চৰকাৰে অতি কমেও ৪০ খন নাও এই বান-বিদ্ধস্ত লোক সকলক উদ্ধাৰ কৰাৰ কাৰণে দিব লাগিছিল। এই ২০ খন গাঁৱৰ বহুতো মানুহ আজি সন্ধানহীন হৈ আছে। তেওঁলোকক বিচাৰি আছে কিন্তু পোৱা নাই। চ'ত মাহত বানপানী আহিছে চৰকাৰে যি ধৰণে সাহায্য দিব লাগে সেই ধৰণে দিব পৰা নাই। চৰকাৰে বিষয়টোত কোনো গুৰুত্ব দিয়া নাই আমাৰ মুখ্য সচিব গৈছে বুলি বাতৰি কাকতত ওলাইছে। ১ লাখ ২০ হেজাৰ মানুহক সাহায্য হিচাবে মাত্ৰ ৪ লাখ টকা দিয়া হৈছে। ১ লাখ ২০ হেজাৰ মানুহৰ বাবে ৪ লাখ টকা একো নহয়। গতিকে ৰাজ্য চৰকাৰে যথোচিত গুৰুত্ব দিব লাগে। সেইকাৰণে মই বিষয়টো ৰাজ্য চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো। তিনচুকীয়া মহকুমাৰ যত এতিয়া বানপানী হৈছে তাৰ ভিতৰত কাকপথাৰ, চৈখোৱা, ডাঙৰী, টিৰাপ আদি অঞ্চল বানপানীৰে প্লাবিত হৈছে। অধ্যক্ষ মহোদয়, আপোনাৰ আৰু চৰকাৰৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে এনে ধৰণৰ ভয়ঙ্কৰ বানপানী হলে চৰকাৰৰ এটা নীতি আছে যে, বানপানী হোৱা অঞ্চল মুখ্যমন্ত্ৰীয়ে পৰিদৰ্শন কৰিব লাগে আৰু আশ্ৰয় শিবিৰ বিলাকো পৰিদৰ্শন কৰিব লাগে। কিন্তু দুখৰ বিষয় যে, এই দুৰ্গত ৰাইজক দেখা কৰাৰ বাবে যোৱা নাই। ৰাজহ মন্ত্ৰীও যাব লাগে। কিন্তু আজি তিনচুকীয়াত বানপানী হোৱা ১ সপ্তাহ হল কিন্তু মুখ্যমন্ত্ৰী, ৰাজহ মন্ত্ৰী কোনো যোৱা নাই। যোৱাকালি ৰাজ্যিক ৰাজহ মন্ত্ৰী গৈছে। আগতে বানপানী হলে দেখা গৈছিল যে, ৰাজ্য চৰকাৰে পৰিদৰ্শন কৰি আহি কেন্দ্ৰীয় চৰকাৰক লগে লগে জনায় আৰু কেন্দ্ৰীয় কৃষি মন্ত্ৰী আৰু জনসম্পদ মন্ত্ৰীক বানবিধস্ত অঞ্চল পৰিদৰ্শন কৰাৰ বাবে আমন্ত্ৰণ জনায়। আৰু ১ সপ্তাহৰ ভিতৰত কৃষি মন্ত্ৰী আৰু জনসম্পদ মন্ত্ৰী আহি পৰিদৰ্শন কৰে। কিন্তু আজি ১ সপ্তাহ হল কৃষি মন্ত্ৰী বলোৰাম জাথাৰ আৰু জনসম্পদ মন্ত্ৰী শ্ৰীবিদ্যাচৰণ শুক্লা আহি পোৱা নাই আৰু বিষয়টোত বোধ কৰো কোনো গুৰুত্ব দিয়া নাই। গতিকে গুৰুত্ব দিয়াৰ বাবে আমি ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। বানবিধস্ত ৰাইজৰ প্ৰতি গুৰুত্ব দিয়াতকৰি এই চৰকাৰে বেছি গুৰুত্ব দিছে অলপতে শিলচৰত হব লগা ক্ৰিকেট

* Speech not corrected.

খেলাৰ প্ৰতি। কোন কোন প্লেয়াৰ আহিব শচিন টেনডুলকাৰ, কপিলদেৱ কেতিয়া আহি পাৰহি কত থাকিব কি খাব এই বিষয়ত আমাৰ ৰাজ্য চৰকাৰে বেছি গুৰুত্ব দিছে। কিন্তু বান পীড়িত মটক মৰান, যিসকল আজি দুৰ্গত, বানবিধস্ত তেওঁলোকৰ প্ৰতি গুৰুত্ব আৰোপ কৰা নাই। প্ৰয়োজন মতে এই বানবিধস্ত লোক সকলৰ প্ৰতি গুৰুত্ব আৰোপ কৰা নাই। প্ৰয়োজন মতে এই বানবিধস্ত লোক সকলৰ প্ৰতি চৰকাৰে সাহায্য দিয়া নাই। গতিকে মই এই বিষয়টো দৃষ্টি আকৰ্ষণ কৰি ইয়াৰ এটা ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

* শ্ৰীজি, চি, লাংথাছা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, বানপানী হলে চৰকাৰৰ ফালৰ পৰা যিখিনি সাহায্য দিয়া হয় সেইটো কৰা হৈছে। আজি বিভাগীয় মন্ত্ৰী ইয়াত উপস্থিত নাই, মন্ত্ৰী ষ্টেট ৰেভিনিউ আজি তিনচুকীয়াতে আছে। লগতে চিফ ইঞ্জিনিয়াৰ ফ্লাদ কণ্ট্ৰল তাত আছে আৰু ৰিলিফ গ্ৰাণ্ট দি, চিয়ে দি আছে। সেইকাৰণে চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ নেগলেক্ট কৰা হোৱা নাই। যথেষ্ট বানপানী হৈছে, হৈ থাকিব আৰু ভৱিষ্যতেও হব। কিন্তু এই ক্ৰনিক প্ৰবলেমটো চৰকাৰে কোনো ঠাইতে নেগলেক্ট কৰা নাই। বানপানী হলে আগতেওঁ যথেষ্ট সহায় কৰিছে এতিয়াও কৰিছে আৰু ভৱিষ্যতেও সহায় কৰিব।

* শ্ৰীশশকমল হান্দিকৈ: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে চিফ্ ইঞ্জিনিয়াৰো তাত আছে। কিন্তু মই জানিব পাৰিছো যে, চিফ্ ইঞ্জিনিয়াৰো তালৈ গৈছিল কিন্তু তাৰ আৱৰ্ত্তভৱনত নাথাকি তিনচুকীয়াৰ 'উৰ্মিলা কন্টিনেনটেল হোটেলত থাকি ৫ হাজাৰ টকা খৰচ কৰি আহিছে এই সম্পৰ্কে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি বিহিত ব্যৱস্থা লোৱাৰ বাবে অনুৰোধ জনালো।

Mr. Speaker: Now the zero hour is over. I have received a notice of adjournment motion under rule 56 tabled by Honourable Members, Shri Parameswar Brahma, Shri Sasha kamal Handique, Shri Ramendra Narayan Kalita, Shri Karendra Basumatary and Shri Zoii Nath Sarma about "বড়ো অধ্যুষিত গাৱত অগ্নি সংযোগ, শোণিতপুৰত সেনাৰ তালাচী অভিযান"

---

* Speech not corrected.

## ADJOURNMENT MOTION

Now, I call upon the Honourable Member Shri Parameswar Brahma to speak about the admissibility of their adjournment motion.

* Shri Parameswar Brahma: Mr. Speaker Sir, it is a very sad news for the state as a whole. some Bodo villages at Panbari Tea Estate have been burnt down by miscreants and because of this incident more than thousands of Bodo people have been rendered homeless. They are suffering untold misery and in this connections the reaction of the Government is not known as yet. It is extremely unfortunate and a very bad precident on the part of the Government such a news may jerk the entire situation of the state in a different way. Only to bring miseries to the Bodo people on 4th April' 1992 the Assam Police Battalion in the name nabbing the miscreants who kidnapped Shri Chandra Sekhar Chakrabarty and his driver of Panbari Tea Estate raided the four Bodo villages. These Bodo villages are Panbari, Silbari, No. I Sibpur and No. 2 Sibpur. They did not try to nab the extremists, but they harassed the common people on the midnight of April 4, 1992 and pushed the Bodo people living in these villages into nearby jungles. Now I want to draw the attention of House that on the dreadful night the Assam Police Battelion raped a minor girl of twelve years, two others of fourteen years and one of twenty three years and another one of twentyfour years. In order to hush up this incident the police personnel escorted the cremation of Mr. Chakrabarty on April, 5, 1992

* Speech not corrected.

and after creation they instigated the tea garden people which culminated to the burning down of the Bodo villages made them homeless. Now Sir, police could control the situation, but they instigated the tense situation. There was newspapers reportings that there may be tense situation, but from the Government side and the local administratin we have not seen any prompt steps taken by the administration to check such situation which may arise. Now Sir, this is a question of peace and integrity among the people of different communities in the state. But Sir, we see that this state Government as well as the Central Government have been acting in such away to sabotage the process of the Bodoland issue. Now Sir, our concern is that we never had such an instigation which creats bitterness between the innocent tea garden laboures and the Bodo people, as a result we become against to each other. I would say that this has been instigated by the rulling Government to serve their purpose. The consequence will be very very dangerous. I feel very much concern that till today this state Government have not taken any step for giving relief and rehabilitation to the affected people and to bring the culprit to book, nor the Government had tried to bring normal-cy in the area. I beg to submit that under rule 56 of the rules and procedure and conduct of Business of Assam Legislative Assembly I move this motion for adjournment of the House to discuss this serious matter which is very very grave and a matter of public importance which needs to be discussed in the interest of the State in general and as

a whole the people of Assam. Now Sir, to consider the admissibilty of the motion as has been brought in this House, this is a matter of urgent public importance and which has occured very recently. And that Sir, it also relates primarily to the business of the Government and it is the Government who failed to control the situation. I therefore request your honour that all feasibilities or admissibilites it should be accepted as genuine and supportable because it is the only motion which has been brought to this House and it is very very a matter of public importance concerning the state and the people of all communities. I request your honour to adjourn the House and let us discuss this matter so that all members of all parties can extand time to discuss. So, your Honour Sir, I with these few words drawing your attention to the admissibility of this motion and I firmly reqnest you to consider to adjourn the House to discuss the matter and take the stock of the situation. Sir this motion will help to contain the situation now. At the same time we would be able to find out a way to bring relatively and brotherly feelings between all communities of the people and for which I hope your honour will allow this motion and adjourn the House to discuss the matter.

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় উপাধ্যক্ষ মহোদয়, অসমত সাম্প্ৰতিক কালত সম্প্ৰীতি-সম্পৰ্ক সকলো জনগোষ্ঠিৰ মাজত ৰক্ষা কৰাৰ কাৰণে যিটো প্ৰস্তাৱ অনা হৈছে এইটো অতি গুৰুত্বপূৰ্ণ। অতি সম্প্ৰীতি কালত অসমত শান্তি সম্প্ৰীতি ব্যাহত হোৱাৰ ঘটনা ঘটিছে এইটো। মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই কেনেকৈ যোৱা ৪ তাৰিখে এই দুৰ্ভাগ্যজনক ঘটনাটো

* Speech not corrected.

ঘটিল আৰু পুলিচৰ লোকে কেনেকৈ এই নিৰীহ লোক সকলৰ ওপৰত অত্যাচাৰ কৰিলে তাৰ বিষয়ে বিতংভাবে উল্লেখ কৰিছে। ১২ বছৰীয়া ছোৱালী শ্ৰীমতী শৰলা নাৰ্জাৰীক ধৰ্ষণকৰা, ঘৰ-দুৱাৰ জ্বলাই দিয়া, মানুহখিনিক মাৰপিট কৰা বাগানৰ নিৰীহ লোক বা শ্ৰমিক সকলক প্ৰৰোচনা দি জনজাতি লোকৰ ঘৰ-দুৱাৰ জ্বলাই দিয়া হৈছে। উপাধ্যক্ষ মহোদয়, সম্প্ৰতি অসমত বিভিন্ন লোকৰ মাজত শান্তি-সম্প্ৰীতি সৃষ্টি হোৱাৰ এক প্ৰক্ৰিয়া আৰম্ভ হৈছিল কিন্তু এই ঘটনাটোৱে ইয়াক ব্যাহত কৰিব। এই ঘটনাটোৱে আমাৰ জনজাতি ভাই-ভনী সকলৰ মাজত এক প্ৰচণ্ড ক্ষোভৰ সৃষ্টি কৰিছে। ভুল বুজাবুজিৰ সৃষ্টি কৰিছে। উপাধ্যক্ষ মহোদয়, পুলিচে সন্ত্ৰাসবাদীক ধৰাৰ নামত নিৰীহ জনসাধাৰণৰ ওপৰত অৱৰ্ণনীয় অত্যাচাৰ চলাইছে, সংখ্যালঘু সম্প্ৰদায়, জনজাতি সম্প্ৰদায়, চাহ-শ্ৰমিক আদি সম্প্ৰদায়ৰ লোকৰ মাজত অত্যাচাৰ চলাইছে, সন্ত্ৰাস চলাইছে। উপাধ্যক্ষ মহোদয়, এই সভা স্থগিত প্ৰস্তাৱটোৱে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৭ নং ধাৰাৰ আঠোটা নটিচকেই পূৰ্ণ কৰিছে। ৫৮ ধাৰামতে ইয়াৰ কপি মাননীয় মন্ত্ৰী মহোদয়ক দিয়া হৈছে, সদনৰ উপ-দলপতিক দিয়া হৈছে আৰু বিধান সভাৰ সচিবকো দিয়া হৈছে। প্ৰস্তাৱটোৱে সকলো দিশ পূৰণ কৰিছে। সেয়ে অসমত শান্তি সম্প্ৰীতিৰ অৱস্থা ঘুৰাই অনাৰ কাৰণে, সদনৰ নিৰ্দ্ধাৰিত কাৰ্য্যসূচী বাতিল কৰি এই সভা স্থগিত প্ৰস্তাৱটো সদনত আলোচনাৰ কাৰণে গ্ৰহণ কৰিব লাগে বুলি মই দাবী কৰো।

Mr. Deputy Speaker : Now I call upon the Honourable Member Shri Ramendra Narayan Kalita.

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : মাননীয় উপাধ্যক্ষ মহোদয়, আজি ৰুলচ অৱ প্ৰচিডিওৰ এণ্ড কনডাক্ট অৱ বিজনেচ ৫৬ ৰ অধীনত এটা সভা স্থগিত প্ৰস্তাৱ অনা হৈছে। আৰু ৫৭ যিটো কনডিচন আছে সেইটো ফুলফিল হোৱা বুলি আমি ভাবিছো। এইটো এটা জৰুৰী, সুনিদৃষ্ট, ৰাজহুৱা সংশ্লিষ্ট বিষয়। সেয়ে এই সভা স্থগিত প্ৰস্তাৱটো মানি লোৱা উচিত। এতিয়া কথা হ'ল যোৱা ৪ এপ্ৰিল তাৰিখে পানবাৰী চাহ বাগিছাত মেনেজাৰৰ হত্যাকাণ্ডলৈ গোষ্ঠিগত আৰু সম্প্ৰদায়গত যি সংঘৰ্ষৰ সূত্ৰপাত হৈছে তাক কেনেকৈ প্ৰতিৰোধ কৰিব পৰা যায় সেই বিষয়ে আলোচনা কৰিব লাগে। সাম্প্ৰদায়িক সংঘৰ্ষ

* Speech not corrected.

আৰু গোষ্ঠীগত সংঘৰ্ষ কোনেও নিবিচাৰে। ৪ আগষ্টৰ ঘটনাক্ৰমে পানবাৰীত ইতিমধ্যে তিনিখন জনজাতীয় অধ্যুসিত গাওঁ জ্বলাই দিয়া হৈছে। ৭০ টা পৰিয়াল গৃহহীন হৈছে। পুলিচে নিৰিহ মানুহৰ ওপৰত অত্যাচাৰ কৰি হাৰা-শাস্তি কৰিছে। গতিকে এইবিলাক প্ৰতিৰোধ কৰিবৰ বাবে আলোচনা কৰা উচিত। ইতিমধ্যে চৰকাৰৰ তৰফৰ পৰা গোষ্টিগত সংঘৰ্ষ নহৰলৈ প্ৰতিৰোধ কৰিবলৈ সচেতন হৈছে। কিন্তু ঠিক যিদৰে হৰ লাগিছিল সেইদৰে হোৱা নাই। এখন চাহ বাগিছাত হত্যাকাণ্ড হৈছে। এই বিষয়ে চিন্তা কৰিৰ লাগিছিল। চৰকাৰে আইন শৃঙ্খলাৰ ক্ষেত্ৰত ক্ষিপ্ৰতাৰে ব্যৱস্থা কৰিব লাগিছিল। তেওঁলোকৰ দৃষ্টিগোচৰ হোৱাৰ পাচত প্ৰশাসনে যি ব্যৱস্থা লব লাগিছিল কিন্তু লোৱা নাই। গোষ্ঠীগত আৰু সম্পদায়গত সংঘৰ্ষৰ প্ৰতিৰোধৰ ব্যৱস্থা চৰকাৰে লব লাগিব। চাহবাগিছা অঞ্চলত নিৰাপত্তা নোহোৱা হৈছে। এইটো এটা চিন্তাৰ বিষয় হৈ পৰিছে। ইয়াৰ ওপৰিও মাজবাদ, ধনশিৰি বাগানৰ আৰু চাহ-শ্ৰমিকৰ নিৰাপত্তা নোহোৱা হৈছে। চৰকাৰে আগতে প্ৰতিৰোধমূলক ব্যৱস্থা লোৱা নাই। যদি সংঘৰ্ষ হয় বা সংঘৰ্ষৰ সৃষ্টি কৰি খেলি-মেলিৰ সৃষ্টি কৰে তাৰ পাচতহে চৰকাৰৰ চকু মেল খায়। ঘটনা হৈ যোৱাৰ পাচতহে চৰকাৰে ব্যৱস্থা লয় তাৰ আগত যি প্ৰতিৰোধমূলক ব্যৱস্থা চৰকাৰে লব লাগে তেনে ব্যৱস্থা চৰকাৰে কেতিয়াও নলয়। গতিকে মই আশা কৰিলো, অসমত শান্তি বিৰাজ কৰাৰ বাবে যি প্ৰচেষ্টা চলোৱা হৈছে সেই শান্তি অটুত থাকিব যদিহে আলোচনা কৰি তাৰ এটা সঠিক ব্যৱস্থা কৰা হয়। বড়ো আন্দোলনকাৰী সকলৰ লগত আলোচনাৰ যি এটা পৰিৱেশ গঢ়ি উঠিছে সেই পৰিৱেশ নষ্ট কৰিবলৈ বহুতে চেষ্টা কৰিব। সেই বাটত বিধি পথালি দিয়া প্ৰস্তুত ওলাব। গতিকে এই বাতাবৰণ যাতে বিনষ্ট কৰিব নোৱাৰে তাৰ কাৰণে এই সভা স্থগিত প্ৰস্তাৱটো আলোচনা কৰিবলৈ অনুমতি দিব লাগে। তাৰ বাবে অনুৰোধ জনালো।

(Mr. Speaker returned to the House and occupied the chair.

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, পানবাৰীত অগ্নিসংযোগ কৰাৰ ক্ষেত্ৰত, সভাস্থগিত প্ৰস্তাৱ অনা হৈছে। ইয়াত এডমিচিবিলিটি নিশ্চয়

* Speech not corrected.

আছে। সেয়ে মই মাননীয় অধ্যক্ষৰ জৰিয়তে কব বিছাৰিছো যে এইটো এটা নিৰ্দিষ্ট ঘটনা, অলপতে হৈ যায়, আৰু ৰাজহুৱা গুৰুত্ব সম্পূৰ্ণ আছে। গতিকে ৫৬ বিধি অনুসৰি আলোচনাৰ বাবে আধা ঘণ্টাৰ সভা স্থগিত প্ৰস্তাৱৰ অনুৰোধ জনাইছো। ইয়াত এডমিচিবিলিটি সম্পৰ্কে মই দুআষাৰ কব বিছাৰিছো। অসম চৰকাৰ তথা অসম চৰকাৰৰ লগত থকা অসম চৰকাৰৰ পুলিচ কৰ্তৃত্ব সম্পূৰ্ণ বিফল হৈছে। শোনিতপুৰ জিলাত হত্যা লুণ্ঠন আদি হৈ আছে এই বিষয়ে বাৰে বাৰে কোৱা হৈছে। কমল বসুক হত্যা কৰা হৈছে। চাৰি দুৱাৰ সূতাকলৰ মেনেজাৰক মাৰধৰ কৰা হৈছে লগতে সৰুসৰু কৰ্ম্মচাৰী সকলকো মাৰধৰ কৰিছে। ডিমাকুছীৰ ছবিবাৰ আৰু তেওঁৰ ড্ৰাইভাৰক অপহৰণ কৰিছিল। তাতে আকৌ পানবাৰীত অগ্নিকাণ্ড যেন লংকাকাণ্ডহে হৈছে। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে এজন কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী এজনক ডিমাকুছীলৈ ঘটনাৰ বুজ লবলৈ পঠাইছিল। অৱশ্যে লগত মোকো লৈ গৈছিল। এই বিষয়ে অৱশ্যে ধন্যবাদৰ পাত্ৰ। কিন্তু মোৰ এই বিষয়তেই আসোঁৱাহ থাকি গ'ল যে ঠিক সেই দৰে পানবাৰী লৈকো এজন কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী ঘটনাৰ বুজ লবলৈ পঠাব লাগিছিল। সেয়ে এই ক্ষেত্ৰত মই আক্ষেপ প্ৰদৰ্শন কৰিছো। আমাৰ ট্ৰাইবেল মানুহৰ হত্যাকাণ্ড হৈ আছে, অগ্নিসংযোগ হৈ আছে। ভগা ধাবিত উৰহৰ খং পলোৱাৰ নিচিনাকৈ পুলিছে দুস্কৃতিকাৰীক বিছাৰি নাপাই নিৰিহ মানুহৰ ওপৰত অত্যাচাৰ কৰিছে। সেয়ে আপোনাৰ জৰিয়তে সভাস্থগিত প্ৰস্তাৱটো মানি লৈ আলাপ আলোচনাৰ জৰিয়তে যাতে আগলৈ এনেকুৱা হব নোৱাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আনহাতে ৰাজনৈতিক বড়ো সমস্যাৰ ক্ষেত্ৰত আমি আশাবাদী, সেয়ে হত্যাকাণ্ড, ঘৰ-দুৱাৰ জ্বলোৱা আদি পৰিস্থিতিৰ উদ্ভৱন যাতে নহয় তাৰ কাৰণে সভাস্থগিত প্ৰস্তাৱটো মানি লবলৈ অনুৰোধ জনালো।

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে গোটেই বিষয়-টোৰ ওপৰত বিতংকৈ আলোচনা কৰা হৈছে। মই মাত্ৰ কেইটামান কথা কব বিচাৰিছো। কথা হৈছে এই বিষয়টোৰ ওপৰত আলোচনা কৰিবলৈ সভা স্থগিত কৰিব লাগে। বিষয়টো খৰচি মাৰি আলোচনা কৰিব লাগে। এই বিষয়টোৰ ওপৰত মন্ত্ৰীসভাৰ দায়িত্ব আছে নে নাই, বিষয়টো সুস্থিৰ হয় নে নহয়, প্ৰয়োজনীয়তা আছে নে নাই ৰাজহুৱা গুৰুত্ব আছে নে নাই সেই কথা বিলাকৰ ওপৰত মাননীয় সদস্য সকলে বিতংকৈ

* Speech not corrected.

আলোচনা কৰিছে। মই মাত্র এটা কথা অধ্যক্ষ মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। দৃষ্টি আকৰ্ষণ কৰিলে কি হব। ইয়াৰ আগতেও দেখিছো যে নাকটো কেৱল উশাহ-নিশাহ লোৱা যন্ত্র হিচাপে ব্যৱহাৰ কৰিলেই নহব তাৰ আৰু কিছুমান কাম আছে। সদনত বহুত কথা সদনত বহুত কথা কলেও চৰকাৰৰ গাত নালাগে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: কাৰো যে গাত নালাগে তাৰ প্রমাণ মন্ত্রী এজনা শুই আছে।

* শ্ৰীজয়নাথ শৰ্মা: টোপনি মৰা বুলি কলে উচপ খাই উঠে কিন্তু মানুহ মাৰিলে ৰেপ কৰিলে সেইটো নকৰে কিয় ?

* শ্ৰীঅঞ্জন দত্ত: মানুহক আক্রমণমূলক কথা কোৱা হৈছে। আগতে বাতৰি কাকতত ওলাইছিল সেই বিলাক কথাও দিয়া হোৱা নাছিল।

(সদনত কোলাহল) (কেবাজনো মাননীয় সদস্য কৰলৈ থিয় হয়)

* শ্ৰীযতীন মালি: আমি চাউলৰ তথ্য তদন্ত কৰি জনাইছিলো।

* শ্ৰীঅঞ্জন দত্ত: পইণ্ট অৱ অৰ্ডাৰতে সময়খিনি যায়।

* শ্ৰীজয়নাথ শৰ্মা: বিষয়টো আলোচনা কৰিবলৈ প্রয়োজন হলে আজি পাচ বজাৰ পিচত আকৌ সদন বহিব লাগে। এতিয়া ৰমজান মাহো শেষ হৈছে যেতিয়া অসুবিধা নাই। এজন মেনেজাৰক মাৰিছে। চৰকাৰৰ দায়িত্ব আছে। কোনে মাৰিছে কি হৈছে গোটেই অঞ্চলটোত শান্তিৰ পৰিবেশ সৃষ্টি কৰিবৰ কাৰণে চৰকাৰৰ পৰা ব্যৱস্থা লৈছে নে নাই সেইবিলাক চাব লাগিব। কোনো ব্যৱস্থা লোৱা নাই। যদি লৈছেও কেৰোন থাকি গৈছে। পৰৱৰ্তী ঘটনাত মৃতদেহ বাগানৰ মাজত নি বনুৱাৰ মাজত দিয়া হৈছে প্রভোক কৰাৰ কাৰণে। মানুহ উত্তেজিত হৈছে। তাতে আকৌ ড্ৰাইভাৰ জন বৈবাহিক সূত্রে বনুৱা সকলৰ সম্বন্ধিত। পুলিচ গৈছে কিন্তু দিনতগৈ পুলিচে একো কৰা নাই কিন্তু গধুলি গৈ গ্রেপ্তাৰ কৰিছে আৰু ন গৰাকী লোকক ধৰ্ষণ কৰিছে। তাৰ ভিতৰত চাৰিজনী ১৪ বছৰীয়াক ধৰ্ষণ কৰিছে। তাৰ পিচত আকৌ ৰাতি বাৰ বজাত বনুৱা সকল গৈ পানবাৰী চালবাৰী ১ নং শিবপুৰ আৰু ২ নং

* Speech not corrected.

শিবপুৰ এই চাৰিখন গাওঁ জ্বলাই দিছে। এই বিলাক কথাৰ পৰা আৰু আমি সিদিনাখন আপোনাৰ নিৰ্দেশমতে কোকৰাঝাৰলৈ যাওঁতেও গম পাইছো। আমাৰ ৰিপৰ্ট পালে গম পাব। আমি সন্দেহ কৰিছো বড়ো চিকিউৰিটি ফোৰ্চৰ লগত কংগ্ৰেছ দলৰ সম্পৰ্ক আছে।

(সদনত গোলমাল। কেবাজনো মাননীয় সদস্যই জোৰে কৈ থাকে)

আপোনালোকৰ ফালৰ পৰা পুতিপম কৰিব। যুক্তি দিব। আমাৰ সন্দেহ থকা কথা আমি কবই লাগিব। ধনশিৰিত নেপালী মানুহ মাৰিলে। তাৰ কাৰণে আৰ্মি দিলে ছিপাঝাৰত। তাৰ পিচত ব্লকৰ কৰ্মচাৰী হৰেন নাথৰ দেউতাকক ধৰি মাৰিছে। বি-এচ-এফ বা বড়ো চিকিউৰিটি ফোৰ্চক ধৰিবলৈ আৰ্মি দিবলৈ আমি নকওঁ। আলফাৰ বিৰুদ্ধে আৰ্মি দিয়াত আমি বিৰোধিতা কৰিছো। সিদিনা মুখ্যমন্ত্ৰীয়ে কৈছিল আলফা ছিপাঝাৰতো আছে বুলি কিন্তু নাজিৰাতো গুলিয়াগুলি হৈছে। নাজিৰাতো মুখ্যমন্ত্ৰীৰ লৰাকো আৰ্মিয়ে মাৰিলে। এইটো ঠিক যে জুইৰ সৰ্ব্বগ্ৰাসী স্বভাৱৰ আগত কোনো সাৰি নাযায়। ডেকা বুঢ়া সকলোকে জুইয়ে সমান কৰে।

মাননীয় অধ্যক্ষ: আপুনি এডমিচিবিলিটিৰ ওপৰত কওঁক।

* শ্ৰীজয়নাথ শৰ্মা: এই দিশত মিনিষ্টিয়েল ৰেচপনচিবিলিটি এক নম্বৰ কথা চাৰ। এডমিচিবিলিটিৰ ওপৰত কবলৈ হলে এই কথা কবই লাগিব। আপোনালোকে মানুহ মাৰিছে।

* শ্ৰীঅঞ্জন দত্ত: চাৰ, আপোনাকো শাসক দলৰ ভিতৰতে কৈছে চাৰ।

* শ্ৰীজয়নাথ শৰ্মা: এইটো এৰাই যোৱা কথা নহয়।

* শ্ৰীঅঞ্জন দত্ত: এডজৰ্ণমেণ্ট মোচনৰ ওপৰত কব দিব লাগে চাৰ।

* শ্ৰীনকুল দাস (পশুপালন মন্ত্ৰী): চাৰ, মাননীয় সদস্য গৰাকীয়ে আপুনি বুলি কৈছে এইটো ৰৰ অন্যায় হৈছে। তেখেতে উইড্ৰ কৰা উচিত।

* শ্ৰীজয়নাথ শৰ্মা: আপুনি বুলি কোৱা কাৰণে বেয়া পাইছে। ৰেপ কৰা বুলি কোৱা কাৰণে বেয়া পাইছে। আমি জুডিচিয়েল তদন্ত বিচাৰিছো। এইটো আপোনালোকেও দাবী নকৰে কিয় ?

* শ্ৰীমৌলানা আব্দুল জলিল ৰাগিৱী: অধ্যক্ষ মহোদয় মাননীয় সদস্য

* Speech not corrected.

শৰ্মা ডাঙৰীয়াই কৈছে যে আপুনি ৰেপ কৰিছে। আমি মাননীয় সদস্যসকলে ৰেপ কৰিবলৈ যোৱা কথা উঠাই লব লাগে।

* শ্ৰীজয়নাথ শৰ্মা : এমপ্লয়ী জনে দোষ কৰিলে সেই দায়িত্ব এমপ্লয়াৰৰ। পুলিচে দোষ কৰিছে। পুলিচৰ এমপ্লয়াৰ কোন ?

( সদনত গোলমাল। কেবাজনো মাননীয় সদস্যই একেলগে কবলৈ থিয় হয়। কাৰো মাত শুনা নাযায়। )

মাননীয় অধ্যক্ষ : আপোনালোকে ৰেপ কৰিছে এই কথাটো উঠাই দিয়া হ'ল। এতিয়া এডজৰ্ণমেণ্ট মোচনৰ ওপৰত কথা কওঁক।

* শ্ৰীজয়নাথ শৰ্মা : চৰকাৰে পুলিচক লগাই দিছে। পুলিচে কৰিছে।

* শ্ৰীঅঞ্জন দত্ত : চাৰ এইটো উঠাই লব লাগে।

* শ্ৰীজয়নাথ শৰ্মা : সভাস্থগিত হব লাগে।

মাননীয় অধ্যক্ষ : আপুনি এডমিচিবিলিটিৰ ওপৰত কওঁক। আৰু ৰেপ কৰা কথাটো উইড্ৰ কৰক।

* শ্ৰীজয়নাথ শৰ্মা : হয় চৰকাৰে ৰেপ কৰিছে।

* শ্ৰীচিলভিয়াচ কন্দপান (মীন মন্ত্ৰী) : চাৰ এইটো আকৌ কৈছে।

( সদনত গোলমাল। কেইবাজনো মাননীয় সদস্যই একেলগে কবলৈ থিয় হয়। কাৰো মাত ধৰিব নোৱাৰি। কাৰো বাক্য সম্পূৰ্ণকৈ শুনা নাযায়। )

মাননীয় অধ্যক্ষ : এডজৰ্ণমেণ্ট মোচনৰ ওপৰত নকৈ এনেদৰে থাকিলে মই কবলৈ নিদিও।

* শ্ৰীজয়নাথ শৰ্মা : মোক কবলৈ দিয়ক চাৰ।

মাননীয় অধ্যক্ষ : ২৩ টা আইটেম আছে। আপোনাৰ এডজৰ্ণমেণ্ট মোচনৰ ওপৰত বক্তব্য ৰাখক।

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, কথা হ'ল পুলিচে যিবোৰ কাম কৰা মানে মানুহ মৰা বা ঘৰ জ্বলোৱা মানে এইটো লগে লগে এমপ্লয়াৰৰ দায়িত্ব হব।

এই গোটেইটো পোনপটীয়া ভাবে এমপ্লয়াৰৰ দায়িত্ব। এতিয়া পুলিচৰ মালিক চৰকাৰ। সেই কাৰণে দায়িত্ব পোনপটীয়া ভাবে চৰকাৰৰ।

* শ্ৰীঅঞ্জন দত্ত : চৰকাৰে ৰেপ কৰা কথা উইড্ৰ কৰিব লাগিব।

---

* Speech not corrected-

( সদনত গোলমাল। কেবাজনো মাননীয় সদস্যই একেলগে ডাঙৰ ডাঙৰকৈ কবলৈ থিয় হয়। কাৰো বাক্য সম্পূৰ্ণ শুনা নাযায়। )

* শ্ৰীজয় নাথ শৰ্মা: এতিয়া কথা হ'ল পুলিচৰ এমপ্লয়াৰ হ'ল চৰকাৰ, গতিকে এইটো চৰকাৰৰ দায়িত্ব। ( সদনত বিৰাট হুলস্থুল, সকলোৱে কবলৈ উঠে )

(ভইচ — চৰকাৰৰ ব্যৰ্থতা প্ৰকাশ পাইছে )

* শ্ৰীঅঞ্জন দত্ত: চাৰ এইখন এখন মই চিঠি পাইছো সদনৰ মৰ্যদালৈ চাই মই এইখন গাই নিদিওঁ (পুনৰ নকলো সদস্যাই কব উঠে )

মাননীয় অধ্যক্ষ: এই সভাস্থগিত প্ৰস্তাৱটো সম্পৰ্কত যথেষ্ট আলোচনা হৈ গ'ল, আৰু বেছি আলোচনাৰ দৰ্কাৰ নাই ( পুনৰ হুলস্থুল, সকলো সদস্যই কব উঠে ) আপোনালোকে বহক এতিয়া সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে উত্তৰ দিব।

* শ্ৰীজয়নাথ শৰ্মা: চাৰ বিষয়টো এতিয়া দেফিনিট হয় নে নহয় সেই বিষয়ে মোৰ কব লগা আছে মোক কব দিব লাগে।

মাননীয় অধ্যক্ষ: আপোনালোকে জানে যে আজি সদনত দিঘলীয়া কাৰ্য্যসূচী আছে, ২৩ টা কাৰ্য্যসূচী আছে। Please take your seat. I have heard enough about the adjournment Motion. I would like to hear from the Parliamentary affairs Minister.

( ভইচ — আমাক এডমিচিবিলিটি সম্পৰ্কত কব দিব লাগে যদি আপুনি কব নিদিয়ে আমাৰ উপায় নাই) সদনত পুনৰ হুলস্থুল, একো শুনা নাযায় (মাননীয় সদস্য শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, হলি ৰাম টেৰাং, নগেন শৰ্মা দিলীপ শইকীয়া, জয়নাথ শৰ্মা আদি সকলোৱে কব উঠে অধ্যক্ষই সংসদী পৰিক্ৰমা মন্ত্ৰীক উত্তৰ দিবলৈ কয়.)।

* শ্ৰীগোলোক ৰাজবংশী (সংসদী পৰিক্ৰমা মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, সভাস্থগিত প্ৰস্তাৱ উৎথাপন কৰাৰ অৰ্থ হৈছে যে আজি সদনৰ কাৰ্য্যসূচী বাতিল কৰি এই বিষয়টো আলোচনা কৰিব দিব লাগে। সভাস্থগিত প্ৰস্তাৱৰ মুল কথা হৈছে এইটোৱে। ৰুল ৫৬ ৰ ১, ২, ৰ পৰা আপটু ৬০ কিছুমান ব্যৱস্থা দিয়া হৈছে, ৰুল ৫৬, ৬৭ ত কিছুমান কনদিচন আছে, অধ্যক্ষ মহোদয়ে

* Speech not corrected.

এই ৰুল কেইটা ফুলফিল কৰা হৈছে নে নাই চাব লাগে। অধ্যক্ষ মহোদয়, আমি এতিয়ালৈকে পাতনিতে বক্তৃতা কৰি আছো। এই পাতনিৰ মুল হৈছে অসমীয়াত এটা কথা আছে 'ধ্যায় বুলিলে মনিকুট পায়'। বিৰোধী সদস্য সকলে সভা স্থগিত প্ৰস্তাৱৰ ওপৰত আলোচনা শেষ কৰিছে সেই কাৰণে এডমিচিবিলিটি সম্পৰ্কত It is entirely the responsibility of the Honourable Speaker.

মুল কথা তিনিটা। আৰ্জেণ্ট হয় কাৰন যোৱা পৰহি হৈছে, পাব্লিক ইম্পৰটেণ্ট It must be urgent, it must have public importance, that is only criteria. অধ্যক্ষ মহোদয়, দুৰ্ভাগ্যৰ কথা তাহানি অচথমা হত কিন্তু ইতি এক গল্প, ভাল কথা উলিয়ালেই ভীমে আগতে গণ্ডগোল কৰি দিয়ে আপোনালোকে মহা ভাৱতত চাইছে বিৰোধী পক্ষৰ ক্ষেত্ৰতো একে কথা হৈছে এই বিষয়টো বৰ চেনজিটিভ। দুটা সম্প্ৰদায়ৰ কথা জড়িত আছে। এফালে বড়ো ভাই সকল আনফালে মজদুৰ ভাইসকল। দুয়োটা সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ হৈছে এই ঘটনাবিলাক আজি হোৱা ঘটনা নহয় অৰ্থাৎ হঠাত হোৱা ঘটনা নহয় আজি কিছুদিনৰ পৰা দেখিছো দৰং জিলাৰ উত্তৰপাৰে একেবাৰে কটন মিলনৈ আজি কিছুদিনৰ পৰা বিৰাত উত্তেজনাৰ সৃষ্টি হৈ আছে। এই হিংসা-ভাব বিলাক আগৰ পৰা তুহৰ জুইৰ নিচিনা জ্বলি আছে। পানবাৰী বাগিছাৰ মেনেজাৰজনক বড়ো উগ্ৰ পন্থীয়ে হত্যা কৰা বুলি।

( বড়োই হত্যা কৰা নাই, আমি প্ৰতিবাদ জনাইছো বুলি আৰছু সদস্য সকলে প্ৰতিবাদ জনায়, সদনত বিৰাট হুলস্থুল হয়, মাননীয় সদস্য শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে টেবুলত ঢকিয়াই প্ৰতিবাদ জনায়।

( সদনত উত্তপ্ত পৰিৱেশ— প্ৰায় আটাইবিলাক সদস্যই কবলৈ উঠে— খুব চিঞৰ বাখৰ )।

মাননীয় অধ্যক্ষ : আপোনালোকে যদি নিজৰ আসনত নবহে তেতিয়াহলে মই সভা স্থগিত কৰিবলৈ বাধ্য হম। I request all the members to take their seats. Honour and dignity of the House must be maintained.

(সদনত গণ্ডগোল) (গন্দগোল) (গণ্ডগোল)

মই আজি কিছুদিনৰ পৰা আপোনালোকক কৈ আছে যে এই সদনৰ

মৰ্য্যদা আপোনালোকে ৰক্ষা কৰিব লাগে। এই সদনত আমি সকলো সমান। কোনো ডাঙৰ সৰু নহয়। সেয়েহে মই কওঁ যে আমাৰ সদনত ভাল ভাল বক্তা আছে, ভাল ভাল কথা কোৱা সদস্য আছে সেইটোকে লৈ আমি গৌৰৱ অনুভৱ কৰো। তেনে ক্ষেত্ৰত যদি এনেকুৱা আচৰণ হয় তাতোকৈ আৰু কোনো ডাঙৰ কথা একো হব নোৱাৰে "দেট চুড নট বি দান" আপোনালোকে অসম বিধান সভাৰ ইতিহাস ৰক্ষা কৰিব লাগে। 'প্লিজ দান বি ইমচুনেল'। আমি এক লাখ মানুহৰ প্ৰতিনিধিৰ ভোটাৰে বিধান সভালৈ আহিছো আৰু তাৰ মৰ্যাদা হানি কৰিব নেলাগে। আজি ৯খন আছে সেই পৰিপ্ৰেক্ষিতত সকলোকে ৫ মিনিটকৈ কৰলৈ সময় দিয়া হৈছে। তাৰ পিচত বিপ্লাই দিয়া হৈছে। আপোনালোকে ইমান উত্তেজিত হব নেলাগে। যাৰ কাৰণে চিটো-ৰেচন বেয়াহৈ যায়। কাৰো প্ৰতি ঘৃণা পোষণ কৰিব নেলাগে। ইয়াত এক-চন লোৱা কথা নাহে। আমি সকলোৰে প্ৰতি সদ্‌ভাৱ পোষণ কৰি সৌহাৰ্দ্য মনোভাৱেৰে কাম কৰিব লাগে।

